জনতাৰ চৰকাৰ | my GOV मेरी सरकार | Azadi Ka Amrit Mahotsav

सत्यमेव जयते
অসম চৰকাৰ

# অসমৰ পৰিবহণ সেৱাৰ পৰিৱৰ্তন সাধন



*“মই প্ৰযুক্তিক সবলীকৰণৰ এক মাধ্যম আৰু আহিলা হিচাপে গণ্য কৰো, যিয়ে প্ৰত্যাশা আৰু সুযোগৰ মাজত থকা ব্যৱধান দূৰ কৰে”*

**শ্ৰী নৰেন্দ্ৰ মোদী**
প্ৰধানমন্ত্ৰী

## পৰিবহণ বিভাগৰ দ্বাৰা পৰিচালিত ৪০ টা সংযোগবিহীন সেৱা

### বাহন সম্পৰ্কীয় সেৱাসমূহ

মালিকীস্বত্বৰ হস্তান্তৰকৰণ | বন্ধকী (Hypothecation) সংযোজন | বন্ধকীৰ ধাৰাবাহিকতা | বন্ধকী বাতিলকৰণ | ডুপ্লিকেট পঞ্জীয়ন প্ৰমাণ-পত্ৰ | আপত্তি বিহীন প্ৰমাণ-পত্ৰ প্ৰদান | সম্পূৰ্ণকৈ নিৰ্মিত বাণিজ্যিক বাহনৰ পঞ্জীয়ন আৰু অট'মোবাইল ডীলাৰৰ দ্বাৰা পঞ্জীয়ন প্ৰমাণ-পত্ৰৰ ছপাৰ কাম | সম্পূৰ্ণকৈ নিৰ্মিত বক্তিগত বাহনৰ পঞ্জীয়ন আৰু অট'মোবাইল ডীলাৰৰ দ্বাৰা পঞ্জীয়ন প্ৰমাণ-পত্ৰৰ ছপাৰ কাম | পঞ্জীয়ন প্ৰমাণ-পত্ৰত ঠিকনা সলনি | অনলাইনযোগে মটৰ যানবাহনৰ পথ কৰ / মাচুল পৰিশোধ (পৰিবহণ আৰু অনা-পৰিবহণ) | পি ইউ চি চি বিলম্ব জৰিমনা | ব্যৱসায় প্ৰমাণ-পত্ৰৰ নৱীকৰণ। পঞ্জীয়ন প্ৰমাণ-পত্ৰৰ সৱিশেষ | মোবাইল নম্বৰ আপডেট | আৱেদন-পত্ৰ / সেৱাৰ প্ৰত্যাহাৰকৰণ

### চালকৰ অনুজ্ঞা-পত্ৰ সম্পৰ্কীয় সেৱাসমূহ

শিকাৰুৰ অনুজ্ঞা-পত্ৰ (Learner's Licence) প্ৰদান | ডুপ্লিকেট চালক অনুজ্ঞা-পত্ৰ প্ৰদান | চালক অনুজ্ঞা-পত্ৰৰ নৱীকৰণ | চালক অনুজ্ঞা-পত্ৰৰ পৰিৱৰ্তন | চালক অনুজ্ঞা-পত্ৰত যান- বাহনৰ শ্ৰেণীৰ (CoV) সমৰ্পণ | আন্তঃৰাষ্ট্ৰীয় চালক অনুজ্ঞা-পত্ৰ প্ৰদান | চালক অনুজ্ঞা-পত্ৰত থকা ঠিকনাৰ সাল-সলনি | ড্ৰাইভিং লাইচেঞ্চ এক্সট্ৰেক্ট | কণ্ডাক্টৰৰ ডুপ্লিকেট অনুজ্ঞা-পত্ৰ | কণ্ডাক্টৰৰ অনুজ্ঞা-পত্ৰৰ নৱীকৰণ | কণ্ডাক্টৰৰ অনুজ্ঞা-পত্ৰত থকা ঠিকনাৰ পৰিৱৰ্তন | বিপদজনক সামগ্ৰী কঢ়িওৱাৰ ক্ষেত্ৰত অনুমোদন | মোবাইল নম্বৰ আপডেট | পি এছ ভি বেজ প্ৰদান | শিকাৰুৰ ম্যাদ উকলা অনুজ্ঞা-পত্ৰৰ পুনৰ প্ৰদান | আৱেদন-পত্ৰ / সেৱাৰ প্ৰত্যাহাৰকৰণ | ডুপ্লিকেট শিকাৰুৰ অনুজ্ঞা-পত্ৰ প্ৰদান |

### পাৰমিট সম্পৰ্কীয় সেৱাসমূহ

বিশেষ অনুজ্ঞা-পত্ৰ | অস্থায়ী অনুজ্ঞা-পত্ৰ | ম্যাদী অনুজ্ঞা-পত্ৰ | ডুপ্লিকেট অনুজ্ঞা-পত্ৰ | অনুজ্ঞা-পত্ৰৰ নৱীকৰণ | অনুজ্ঞা-পত্ৰৰ সমৰ্পণ | অনুজ্ঞা-পত্ৰৰ হস্তান্তৰকৰণ (মৃত্যুৰ ক্ষেত্ৰত) | অনুজ্ঞা-পত্ৰৰ স্থায়ী সমৰ্পণ

### চি এম ট্ৰেন্স

**চি এম - ট্ৰেন্সপোৰ্ট ৰেনডোমাইজড় এলোকেশ্যন নেটৱৰ্কড ছিষ্টেম**

- অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ চিন্তাৰ ফচল
- আৰ টি অ' / ডি টি অ' কাৰ্যালয়ত কামৰ বোজাৰ সমবিতৰণ

**এনে ধৰণৰ ব্যৱস্থা ৰূপায়ণৰ ক্ষেত্ৰত অসম হৈছে দেশৰ ভিতৰতে প্ৰথমখন ৰাজ্য**

### কেনেদৰে আৱেদন কৰিব

পৰ্যায়-১ ঃ www.parivahan.gov.in চাওঁক
পৰ্যায়-২ ঃ 'অনলাইন সেৱা' বাছনি কৰক
পৰ্যায়-৩ ঃ “অনুজ্ঞা-পত্ৰ সম্পৰ্কীয় সেৱা” নাইবা “যান-বাহন সম্পৰ্কীয় সেৱা” (যিটো প্ৰযোজ্য) বাছনি কৰক
পৰ্যায়-৪ ঃ ৰাজ্য 'অসম' বাছনি কৰক
পৰ্যায়-৫ ঃ আৱেদনকাৰীসকলে আকাংক্ষিত সেৱাৰ বাবে আৱেদন কৰিব লাগিব।





- সকলো ডি টি অ' / আৰ টি অ' কাৰ্যালয়ত ৰাইজৰ আগমনত লক্ষ্যণীয় হ্ৰাস
- ডি টি অ' / আৰ টি অ' কাৰ্যালয়লৈ অহাৰ কোনো প্ৰয়োজন নাই
- এটা ক্লিকতে সেৱাসমূহ উপলব্ধ
- আধাৰ ভিত্তিক প্ৰমানীকৰণৰ জৰিয়তে কেতবোৰ সেৱা উপলব্ধ

Janasanyog /D/6727/22

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us @diprassam dipr.assam.gov.in

@TransportAssam 9531107518

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি ৱাটছএপ কৰক

### শিৱসাগৰ দিৱসত ৰাজ্যসভাৰ সাংসদ কামাখ্যাপ্ৰসাদ তাছা

# ঐতিহাসিক শিৱসাগৰ জিলাক নৱৰূপত গঢ় দিয়াৰ সংকল্প

**দৈনন্দিন বাৰ্তাৰ সেৱা, দ্ৰোৰ্ণ খণ্ডীয়া শিৱসাগৰ, ২ জুলাই ঃ** শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত ১ জুলাইত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে শিৱসাগৰ পালন কৰা হয় শিৱসাগৰ দিৱস। শিৱসাগৰ যুৱদল প্ৰেক্ষাগৃহত শুকুৰবাৰে শিৱসাগৰ জিলা দিৱস উপলক্ষে অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই শিৱসাগৰ জিলাৰ সামগ্ৰিক উন্নয়নৰ লগতে সামাজিক আৰু বিদ্যাতনিক দিশটো উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি এইক্ষেত্ৰত সংশ্লিষ্ট সকলোকে সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ভাষণ প্ৰসঙ্গত তেখেতে শিৱসাগৰ জিলাক সমগ্ৰ দেশৰ ভিতৰতে এখন আদৰ্শ জিলালৈ পৰিৱৰ্তন কৰি নৱৰূপত গঢ় দিয়াৰ সংকল্প গ্ৰহণ কৰিবলৈও আহ্বান জনায়। ইয়াৰ আগেয়ে শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘ নিধি দাহালে শিৱসাগৰ দিৱস উপলক্ষে আদৰণী ভাষণত জিলাখনৰ বৰেণ্য ব্যক্তিসকলে ক্ৰীড়া, সাহিত্য আদি বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বিষয়ে উল্লেখ কৰে। তেওঁ ভাষণ প্ৰসঙ্গত জিলাখনত বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়িত হৈ থকা উন্নয়ণমূলক কামৰ এক বিস্তৃত খতিয়ান ডাঙি ধৰে। বিশেষকৈ জলজীৱন মিচনত লাভ কৰা অগ্ৰগতি, কৃষকসকলে পিএম কিষাণ নিধি যোগে লাভ কৰা সাহায্য, কৃষকসকলৰ সহায় হোৱাকৈ চৰকাৰী নিৰ্ধাৰিত মূল্যত ধান সংগ্ৰহ কেন্দ্ৰ স্থাপন, চাহ বাগিচা এলেকাত স্থাপন কৰা আদৰ্শ বিদ্যালয়, সমন্বিত উপায়ুক্ত কাৰ্যালয় স্থাপনৰ পৰিকল্পনা আদি অন্যতম। নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক পবিত্ৰ কুমাৰ বৰাই বক্তব্যত কয় যে, ইতিহাস প্ৰসিদ্ধ শিৱসাগৰৰ নামটোৱেই একক আৰু অনন্য। তেওঁ ঐতিহাসিক শিৱসাগৰৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনাই। এই ৰাজহুৱা সভাত আৰক্ষী অধীক্ষক শুভজ্যোতি বৰা, শ্ৰী শ্ৰী উজনিয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষীকান্ত মহন্ত, শ্ৰী শ্ৰী বৰখাটপাৰ সত্ৰৰ সত্ৰাধিকাৰ লীলাকান্ত মহন্ত, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা দীপালী চলিহা, সাহিত্যিক নিৰুপমা মহন্ত, ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ জীয়ৰী তথা প্ৰাক্তন ৱাৰ্ড কমিছনাৰ জয়শ্ৰী চলিহা, পৌৰপতি মৃণালী কোঁৱৰ আদি বিশিষ্ট ব্যক্তিসকলেও সভাত উপস্থিত থাকি কাৰ্যসূচীত অংশগ্ৰহণ কৰে। শিৱসাগৰ দিৱস উপলক্ষে আয়োজিত বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ীসকলক এই সভাতেই পুৰস্কাৰ প্ৰদান কৰা হয়। চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে লক্ষ্মীনাথ বেজবৰুৱা শিশু ভৱনৰ অংকিতা দাসে। দ্বিতীয় স্থান লাভ কৰে লক্ষ্মীনাথ বেজবৰুৱা শিশু ভৱনৰ গায়ত্ৰী কলিতাই আৰু তৃতীয় স্থান লাভ কৰে কিস্তুৰ চান্দ্ৰ আগৰৱালা প্ৰাথমিক বিদ্যালয়ৰ বাৰ্বী বসুমতাৰীয়ে। আবৃত্তি প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে কিস্তুৰ চান্দ্ৰ আগৰৱালা প্ৰাথমিক বিদ্যালয়ৰ অৱনীশ খাৰঘৰীয়াই। দ্বিতীয় স্থান যুটীয়াভাৱে লাভ কৰে ক্ৰমে শিৱসাগৰ চৰকাৰী বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উদ্দীপনা গগৈ আৰু শ্ৰীপুৰীয়া মধ্য ইংৰাজী বিদ্যালয়ৰ বিশ্বজিৎ গগৈয়ে আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে কৰদৈগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ উদয় ভূঞা, ফুলেশ্বৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গাৰ্গী কাশ্যপ আৰু লক্ষ্মীনাথ বেজবৰুৱা প্ৰাথমিক বিদ্যালয়ৰ চাও ৰু-লাই চেং গগৈয়ে। কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ফুলেশ্বৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইলা গগৈ আৰু মনুস্মিতা শৰ্মাই। দ্বিতীয় স্থান যুটীয়াভাৱে লাভ কৰে চফি মাৰ্চি মেম'ৰিয়েল স্কুলৰ মৃগাক্ষী দাস আৰু প্ৰণতি বৰাই আৰু আখৈফুটীয়া মধ্য ইংৰাজী বিদ্যালয়ৰ কল্যাণজ্যোতি শিকীয়া আৰু জনাৰ্দন বৰাই। তৃতীয় স্থান লাভ কৰে ভোগবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ জাহ্নৱী বুঢ়াগোহাঁই আৰু অভিলাষা খনিকৰে। ৰচনা প্ৰতিযোগিতাত 'ক' শাখাত প্ৰথম স্থান লাভ কৰে মাজনৰা মধ্য ইংৰাজী বিদ্যালয়ৰ আস্থা নন্দিনী গগৈয়ে, দ্বিতীয় নিউ লুক একাডেমীৰ প্ৰিয়ুস গগৈ আৰু তৃতীয় যুটীয়া ভাৱে নিউ লুক একাডেমীৰ অন্তৰা শৰ্মা আৰু শিৱসাগৰ চৰকাৰী বহুমুখী উচ্চ মাধ্যমিক বিদ্যালয়ৰ চৈয়দ চাকিল হুছেইন। 'খ' শাখাত প্ৰথম স্থান লাভ কৰে হাঁহচৰা উচ্চ ইংৰাজী বিদ্যালয়ৰ ৰিম্পী বুঢ়াগোঁহায়ে, দ্বিতীয় যুটীয়া ভাৱে শিৱসাগৰ চৰকাৰী বহুমুখী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অভিপ্সা শইকীয়া আৰু হিমাক্ষী বৰুৱাই। তৃতীয় যুটীয়া ভাৱে ফুলেশ্বৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চুহানা য়াচমিন আৰু নিউ লুক একাডেমিৰ ৰাজ আহমেদে। শিৱসাগৰ দিৱসৰ লগত সংগতি ৰাখি উপায়ুক্তৰ বাসভৱনৰ সমীপত থকা পুৰণা ট্ৰেজাৰী কাৰ্যালয়ত বৰ্ণকুটীৰৰ সুজিত বৰুৱাৰ দ্বাৰা চিত্ৰ আৰু মুখা শিল্প প্ৰদৰ্শন কৰা হয়। পুৱাৰ ভাগত সম্প্ৰীতি চাইকেল চালন শিৱসাগৰ পুখুৰীৰ পাৰৰ পৰা আৰম্ভ কৰি জয়সাগৰত সম্পন্ন কৰা হয়। সন্ধিয়া চৰকাৰী, বেচৰকাৰী কাৰ্যালয় আৰু বিভিন্ন উদ্যানত বন্তি প্ৰজ্বলন আৰু শিৱসাগৰ যুৱ দল প্ৰেক্ষাগৃহত শিৱসাগৰ উপায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীৰ দ্বাৰা নাট পৰিৱেশনেৰে দিৱসৰ কাৰ্যসূচী সামৰণি পৰে।



## মুদৈজানত চাৰি শাখাযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ নলা খন্দাক লৈ সংঘাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২ জুলাই ঃ** চাৰি শাখাযুক্ত পথৰ অবিজ্ঞানসন্মত নিৰ্মাণ পদ্ধতি আৰু লেহেমীয়া গতিৰ বাবেই যোৰহাট বাইপাছৰ পৰা জাঁজীলৈকে মৰণফাণ্ডত পৰিণত হৈছে ৰাষ্ট্ৰীয় ঘাইপথটি। ইয়াৰ পৰিপ্ৰেক্ষিতত জীয়াতু ভুগিব লগীয়া হৈছে সাধাৰণ ৰাইজে। চাৰি শাখাযুক্ত পথৰ লেহেমীয়া আৰু অবিজ্ঞানসন্মত নিৰ্মাণৰ বাবেই টীয়কৰ মুদৈজানত স্থানীয় ৰাইজে কালি জবাবদিহি কৰিবলগীয়া হয় টীয়ক ৰাজহ চক্ৰ বিষয়া আৰু NHIDCL কৰ্তৃপক্ষৰ বিষয়াক। উল্লেখ, চাৰি শাখাযুক্ত পথৰ দুয়ো কাষেৰে নলা নিৰ্মাণৰ ব্যৱস্থা কৰিছিল যদিও কালি মুদৈজানত এটা নলা খান্দোতে ক্ষুব্ধ হৈ পৰে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষৰ পৰিয়ালসমূহ। ইয়াৰ পৰিপ্ৰেক্ষিতত টীয়ক ৰাজহ চক্ৰ বিষয়াসহিতে NHIDCLৰ বিষয়া নেহা ফুকনক এনে কাৰ্যৰ বিৰোধিতা কৰি জবাবদিহি কৰে স্থানীয় ৰাইজে। পৰৱৰ্তী সময়ত টীয়ক আৰু লাহদৈগড় আৰক্ষী উপস্থিতিত পৰিস্থিতি কিছু শাম কাটে।

## কল্পজ্যোতি ফাউণ্ডেচনৰ ২য় বৰ্ষপূৰ্তি উপলক্ষে স্বেচ্ছাসেৱক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২ জুলাই ঃ** ধুবুৰীৰ কল্পজ্যোতি ফাউণ্ডেচনৰ ২য় বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি এখন স্বেচ্ছাসেৱক সভাৰ আয়োজন কৰা হয়। কল্পনাজ্যোতি ফাউণ্ডেচন হৈছে ধুবুৰীৰ এটা প্ৰিমিয়াৰ অলাভজনক সংস্থা যিটো ধুবুৰীত জন্মগ্ৰহণ কৰা প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় অলাভজনক সংস্থা। আজি ধুবুৰীৰ টাউন হোটেলৰ কনফাৰেন্স হলত আয়োজন কৰা স্বেচ্ছাসেৱক সভাত ধুবুৰী জিলাৰ বিভিন্ন স্থানৰ পৰা কল্পজ্যোতি ফাউণ্ডেশ্যনৰ স্বেচ্ছাসেৱক সকলে যোগদান কৰে। এই উপলক্ষে কল্পজ্যোতি ফাউণ্ডেশ্যনৰ প্ৰতিষ্ঠাপক শায়ণ সাহাই সকলোকে আদৰণি জনায়। ধুবুৰী প্ৰেছ ক্লাব ৰ উপ সভাপতি তথা জেষ্ঠ্য সাংবাদিক প্ৰণৱাশীষ ৰয় সভাত ভাষণ প্ৰসংগ ত কয়,' সমাজ সেৱা হৈছে প্ৰকৃত মানৱ সেৱা। বিগত দিনবোৰৰ কল্পজোতি সংগঠনটো ধুবুৰীত বহুতো সেৱামূলক কাম কৰিছে। বানাক্ৰান্ত ৰাইজৰ বাবে ক্লিপ দিয়াৰ ওপৰিও বস্ত্ৰ দান, চিকিৎসা সেৱামূলক কাম কৰি থকাৰ নিদৰ্শন আছে। ধুবুৰী প্ৰেছ ক্লাবৰ সম্পাদক ৰাজীৱ শৰ্মা, সমাজকৰ্মী, দীপাংকৰ মজুমদাৰ, সমাজকৰ্মী মৌমিতা দাসৰ লগতে বহুতো গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ধুবুৰীৰ পৰা বিশ্বৰ বিভিন্ন দেশলৈ কল্পজ্যোতি ফাউণ্ডেচনৰ যাত্ৰা সকলো অৰ্থতে অনুপ্ৰেৰণাদায়ক। এই উপলক্ষে সমাজৰ জ্বলন্ত সমস্যাকে ধৰি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়।

## নলবাৰী বুঢ়ীনগৰৰ প্ৰাথমিক স্কুলত ১৩৬ বেটেলিয়ন চিআৰপিএফ বাহিনীৰ উদ্যোগত বিনামূলীয়া চিকিৎসা প্ৰদান





**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২ জুলাই ঃ** দেশ মাতৃৰ সেৱাৰ লগতে বৰ্তমান সময়ত দেশৰ চিআৰপিএফ বাহিনীয়ে সামাজিক কাৰ্যত মনোনিৱেশ কৰা পৰিলক্ষিত হৈছে। বিগত কোভিডকালীন সময়ৰ লগতে এইবেলি হোৱা বান পৰিস্থিতিৰ সময়ত ৰাইজৰ ওচৰত সহায়-সহাযোগিতা আগবঢ়াই আহিছে চিআৰপিএফ বাহিনীয়ে। আনহাতে, এতিয়া বানপানীৰ সমস্যা হ্ৰাস পাইছে যদিও বৰ্তমান সময়ত বানপীড়িত অঞ্চলমূহত ৰাইজৰ বেমাৰ-আজাৰৰ সমস্যাই দেখা দিছে । যাৰ বাবে এই সমস্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আজি নলবাৰীৰ ১৩৬নং বেটেলিয়ন চিআৰপিএফ বাহিনীৰ উদ্যোগত জিলাখনৰ বুঢ়ীনগৰ প্ৰাথমিক বিদ্যালয়ত স্থানীয় ৰাইজৰ বাবে অনুষ্ঠিত কৰা হৈছে বিনামূলীয়া স্বাস্থ্য শিবিৰ। এই শিবিৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ১৩৬নং বেটেলিয়ন চিআৰপিএফ বাহিনীৰ কমাণ্ডেণ্ট অজিত সাংৱানে। এই বিনামূলীয়া চিকিৎসা শিবিৰৰ দ্বাৰা চিআৰপিএফ বাহিনীয়ে তেওঁলোকৰ মোবাইল মেডিকেল ইউনিটৰ দ্বাৰা ইচিজি, ব্লাড টেষ্ট আদিৰ লগতে স্থানীয় ৰাইজক বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰে। আজিৰ এই চিকিৎসা শিবিৰত ১৩৬নং বেটেলিয়ন চিআৰপিএফ বাহিনীৰ উপ-কমাণ্ডেণ্ট বিজয় কুমাৰ মাল্লিক, সুশ্ৰী টি এছ দেৱজানী, ১০নং বেটেলিয়ন চিআৰপিএফ বাহিনীৰ চিকিৎসা বিষয়া ডাঃ অমৃতা নায়ৰ, সহ কমানডেন্ট অজয় কুমাৰসহ বেটেলিয়নটোৰ বিষয়ববীয়া আৰু চিকিৎসকসকল উপস্থিত থাকে।

## যোগীঘোপাৰ নয়াগাঁৱৰ কুঁজিয়া নৈত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২ জুলাই ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত নয়াগাঁৱত আজি এটি মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক লৈ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। নয়াগাঁৱ-ৰাষ্ট্ৰীয় ঘাইপথ সংলগ্ন পথটিৰ কুজীয়া নৈৰ ওপৰত থকা দলঙখনৰ তলত উদ্ধাৰ হয় এই অচিনাক্ত মৃতদেহটো। জানিব পৰা মতে, নয়াগাঁৱৰ শিৱ মন্দিৰৰ কাষতে থকা দলঙৰ তলত স্থানীয় লোকে পানীত উপঙি থকা অৱস্থাত এটা মৃতদেহ প্ৰত্যক্ষ কৰে। স্থানীয় লোকে লগে লগে যোগীঘোপা আৰক্ষীক এই বিষয়ে অৱগত কৰে। খবৰ পোৱা মাত্ৰকেই আৰক্ষীয়ে ততাতৈয়াকৈ উদ্ধাৰকাৰী দলসহ ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। বাতৰি লিখা সময়লৈকে হাফপেন্ট আৰু গেঞ্জী পৰিহিত অচিনাক্ত মৃতদেহটোৰ কোনো সুং-সূত্ৰ জানিব পৰা হোৱা নাই। ইপিনে, আৰক্ষীয়ে মৃতদেহটি উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বঙাইগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## নলবাৰী গণেশ মন্দিৰ চ'কত ভয়াৱহ দুৰ্ঘটনা, গুৰুতৰভাৱে আহত এজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২ জুলাই ঃ** কিলাৰ হাইৱেখ্যাত গণেশ মন্দিৰ চ'কত শনিবাৰে এক ভয়াৱহ দুৰ্ঘটনা সংঘটিত হয়। স্থানীয় লোকে জনোৱা অনুসৰি নলবাৰীৰ উত্তৰ দিশৰ পৰা এজন মধ্যবয়সীয়া ব্যক্তিয়ে চাইকেলেৰে গণেশ মন্দিৰৰ সন্মুখৰ হাইৱেটো অতিক্ৰম কৰাৰ মুহূৰ্তত অতৰ্কিতে এখন তীব্ৰবেগী চাৰিচকীয়া বলেৰ' বাহনে পূব দিশৰ পৰা আহি ব্যক্তিগৰাকীক খুন্দিয়াই গুৰুতৰভাৱে আঘাত কৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। বাহনখনৰ খুন্দাত ব্যক্তিজন গুৰতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা বাবে স্থানীয় ৰাইজে ততাতৈয়াকৈ মৃত্যুঞ্জয় বাহন আৰু আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত আৰক্ষী আৰু মৃত্যুঞ্জয় বাহন উপস্থিত হৈ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা ব্যক্তিজনক নলবাৰী শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পুলিচৰ তদন্তত জানিব পৰা অনুসৰি ব্যক্তিগৰাকী ধমধমা চতাইবাৰী অঞ্চলৰ সত্য বৈশ্য বুলি জানিব পৰা গৈছে।

## ঢকুৱাখনালৈ উষ্ম আদৰণি লখিমপুৰ জিলা যুৱ কংগ্ৰেছৰ নৱনিযুক্ত কাৰ্যকৰী সভাপতি মৌচম লাহনক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ২ জুলাই ঃ** লখিমপুৰ জিলা যুৱ কংগ্ৰেছৰ নৱনিযুক্ত কাৰ্যকৰী সভাপতি মৌচম লাহনক শনিবাৰে ঢকুৱাখনাত উষ্ম আদৰণি জনায় হয়। সভাত নৱনিযুক্ত যুৱ নেতাগৰাকীয়ে দলটোৰ লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি কয় যে কংগ্ৰেছ দলটো এনেকুৱা এটা দল যিটো দলে কেৱল দুখীয়া ৰাইজৰ



দলীয় কংগ্ৰেছ কৰ্মীসকলে। লখিমপুৰ জিলা ছ'চিয়েল মেডিয়া, আই টি চেলৰ সভাপতি আৰু জিলা যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক দীপাংকৰ দাসৰ নেতৃত্বত আজি যুৱনেতাগৰাকীক আদৰণি জনাবলৈ জন সমুদ্ৰত পৰিণত হয় ঢকুৱাখনা ৰাজপথ। শনিবাৰে বিয়লি ভাগৰ পৰাই ঢকুৱাখনা ৰাজীৱ ভৱনৰ সন্মুখত যুৱনেতাগৰাকীক আদৰিবলৈ অপেক্ষা কৰি আছিল হাজাৰ হাজাৰ কংগ্ৰেছ কৰ্মী আৰু সমৰ্থক সকল। বিয়লি ৰাজীৱ ভৱনৰ প্ৰাংগনত কংগ্ৰেছৰ যুৱনেতাগৰাকীৰ সৈতে কংগ্ৰেছ কৰ্মীসকলৰ এখন দলীয় সভা অনুষ্ঠিত কাষত থাকি সততাৰে নিঃস্বাৰ্থভাৱে কাম কৰি আহিছে আৰু আগলৈও কৰি যাব। ইপিনে কংগ্ৰেছ দলটোৰ উন্নয়নৰ লগত কিদৰে আগুৱাই যাব লাগিব তাৰ বাবে জিলাখনৰ কংগ্ৰেছ কৰ্মীসকলক প্ৰতিটো দিশত কেৱল দলটোৰ কথা ভাবিবৈ আহ্বান জনাই যুৱ নেতাগৰাকীয়ে। বিশেষকৈ দলটোৰ লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি অনাগত দিনবোৰত যুৱনেতা মৌচম লাহনৰ সবল নেতৃত্বত লখিমপুৰ জিলা যুৱ কংগ্ৰেছ তথা ঢকুৱাখনা সমষ্টিৰ ব্লক যুৱ কংগ্ৰেছ যে আগতকৈ অধিক শক্তিশালী হ'ব সেয়া নিশ্চিত হৈ পৰিছে কংগ্ৰেছ কৰ্মীসকল।

## গোলাঘাটৰ প্ৰবীণ সাংবাদিক, শিক্ষাবিদ, কবি, সাহিত্যিক উপেন দত্তৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ২ জুলাই ঃ** গোলাঘাটৰ অন্যতম প্ৰবীণ সাংবাদিক, কবি, সাহিত্যিক তথা ঢেকিয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক উপেন দত্তৰ আজি দিনৰ ১১.১৫ বজাত প্ৰায় ৮০ বছৰ বয়সত মৃত্যু হয়।



গোলাঘাট চহৰৰ শান্তিপুৰ নিৱাসী দত্তই ওৰেটো জীৱন সংবাদ জগতৰ লগতে সাহিত্য-সংস্কৃতি তথা গোলাঘাটৰ শৈক্ষিক জগতখনৰ সৈতে জড়িত হৈ আছিল। বিভিন্ন সময়ত তেখেতৰ সাহিত্য চৰ্চাই নৱপ্ৰজন্মক অনুপ্ৰেৰণা যোগাই অহাৰ লগতে তেখেতৰ মৃত্যু গোলাঘাটৰ বাবে এক ক্ষতি। বিশেষকৈ গোলাঘাট জিলা কবি চক্ৰ আৰু ঐকতান আদিৰ দৰে অনুষ্ঠানৰ তেখেত গুৰিধৰোঁতা আছিল। আজি তেখেতৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে সমগ্ৰ চহৰখনত শোকৰ ছাঁ পৰে। তেখেতৰ মৃত্যুত গোলাঘাটৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে গোলাঘাট জিলা ছাত্ৰ সন্থা, এমেচাৰ থিয়েটাৰ ছ'চাইটী, জিলা সাংবাদিক সংস্থা, প্ৰেছ ক্লাব, শাখা সাহিত্য সভা আদিয়ে শোক প্ৰস্তাৱ গ্ৰহণ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

### নলবাৰীৰ এগৰাকী শিল্পীৰ কৰুণ গাথা

## উৰুখা পঁজাতে জীৱন নিৰ্বাহ, এন্ধাৰতে পাৰ কৰে ৰজনী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২ জুলাই ঃ** দৰিদ্ৰ সীমাৰেখাৰ তলত বাসকৰা নলবাৰীৰ বহু পৰিয়ালক আজিও ঢুকি পোৱা নাই চৰকাৰৰ অৰুণোদয়, পিএম এ ৱাই আঁচনিয়ে। উল্লেখ্য, পঞ্চায়তীৰাজ ব্যৱস্থাৰ কে'বাটাও কাৰ্যকাল ইতিমধ্যে উকলি যোৱাৰ পিছতো অভাৱগ্ৰস্ত জিলাখনৰ শ শ দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালে প্ৰধানমন্ত্ৰী আৱাস লাভৰ পৰা বঞ্চিত হৈ হা-হুমুনিয়াহ কাঢ়ি থাকিব লগীয়া হৈছে। জিলাখনৰ বৰভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ৫১ (৫)নং উপৰ বৰভাগ গাঁও পঞ্চায়তৰ আৰিকুছি গাঁৱৰ শংকৰ বৈশ্য নামৰ নৃত্যশিল্পীগৰাকীয়ে উৰুখা পঁজাতে দিন কটাবলগীয়া হৈছে। অতি দুখীয়া পৰিয়ালটোৱে আজিলৈকে নাপালে চৰকাৰৰ এটি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ। নৃত্য শিল্প-কৰ্মৰে কোনোমতে নিজৰ ঘৰখন পোহপাল দিয়া শংকৰ বৈশ্যৰ পিতৃ সম্ভুৰাম বৈশ্য শ্ৰমিক, ড্ৰাইভাৰ কৰ্ম কৰিছিল। কিন্তু বয়স বঢ়াৰ লগে লগে আগৰ দৰে আৰু কষ্ট কৰিব নোৱাৰা হৈ পৰিছে তেওঁ। পূৰ্বে বিডিঅ'ৰ গাড়ীয়ো চলাইছিল।



কিন্তু ন্যূনতম এটি চৰকাৰী আৱাস লাভ নকৰিলে আজিলৈকে। অভাৱ-অনাটনে জুৰুলা কৰা পৰিয়ালটোৰ থাকিবলৈ নাই এটি সাধাৰণ গৃহ। কেইখনমান টিনপাটৰ চালিতে দিন পাৰ কৰিছে ৰাজনীতিৰ আও-ভাও নোপোৱা শিল্পী শংকৰ বৈশ্য আৰু তেওঁৰ পিতৃ-মাতৃয়ে। আনহাতে, বহু পুৰস্কৃত শিল্পীগৰাকীৰ মাতৃ সাৱিত্ৰী বৈশ্যই আজিলৈকে লাভ কৰা নাই চৰকাৰৰ অৰুণোদয় আঁচনিৰ ধনো। গভীৰ আৰ্থিক সংকটৰ বাবে দৰিদ্ৰ পৰিয়ালটোৱে এতিয়া এসাঁজ খাই এসাঁজ লঘোণে থাকিব লগীয়া অৱস্থা হৈছে। বিদ্যুৎ যোগানো নাই পৰিয়ালটোত। নিশা ক্ষণিক সময়ৰ বাবে মমবাতি জ্বলাই বাকী সময় এন্ধাৰতে পাৰ কৰে দুখীয়া পৰিয়ালটোৱে। বিধায়ক, পঞ্চায়ত জনপ্ৰতিনিধিৰ চকুত নপৰা দৰিদ্ৰ পৰিয়ালটোৰ কৰুণ বিননি শুনোতা কোনো নাই। দশক দশক ধৰি ৰজাঘৰৰ সু-দৃষ্টি পৰাহি নাই জনপ্ৰিয় নৃত্যশিল্পী শংকৰ বৈশ্যৰ দুৰ্ভগীয়া পৰিয়ালৰ ওপৰত।

## দগীয়াপাৰাত চিআৰএছডিটিৰ উদ্যোগত বিনামূলীয়া চিকিৎসা শিবিৰ সফলতাৰে সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ২ জুলাইঃ** সামাজিক-সাংস্কৃতিক সংস্থা 'চিআৰএছডিটি'ৰ উদ্যোগত আৰু পাথৰিঘাট খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত বন্যাৰ্ত জনসাধাৰণৰ ৰোগ-ব্যাধি নিৰাময় কৰাৰ মানসেৰে এটি বিনামূলীয়া চিকিৎসা শিবিৰ পশ্চিম দৰঙৰ ২নং দগীয়াপাৰা শিৱ মন্দিৰ প্ৰাংগণত আজি সফলতাৰে সম্পন্ন হয়। ভেৰুৱা, দগীয়াপাৰা, মাহৰিপাৰা আদি গাঁৱৰ শতাধিক ব্যক্তিৰ স্বাস্থ্য পৰীক্ষা কৰা এই শিবিৰটিত পাথৰিঘাট খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কে'বাজনো অভিজ্ঞ চিকিৎসক উপস্থিত থাকে। বন্যাৰ্ত ৰাইজৰ সুস্বাস্থ্য কামনাৰে আয়োজন কৰা এই শিবিৰটিৰ সমন্বয়ৰক্ষী হিচাপে থাকে যুৱ সমাজকৰ্মী অমৰজ্যোতি ডেকা। শিবিৰটিৰ সাৰ্থক আয়োজনত বিশেষভাৱে সহযোগিতা আগবঢ়ায় ভাৰতীয় জনতা যুৱ মৰ্চাৰ পাথৰিঘাট মণ্ডল সমিতিৰ কেইবাগৰাকীও কাৰ্যকৰ্তাই। 'সৰ্বে সন্তু নিৰাময়' আদৰ্শ বাক্যৰে প্ৰেৰিত হৈ জনসাধাৰণৰ সুস্বাস্থ্যৰ বাবে ব্যাপকভাৱে কাৰ্য কৰা হ'ব বুলি 'চিআৰএছডিটি'ৰ সচিব ভাৰ্গৱ কলিতাই মতপোষণ কৰে।



## ৰাশিফলত আজিৰ দিনটো

**১৮ আহাৰ, দেওবাৰ, ৩ জুলাই, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ শুক্লা চতুৰ্থী, নক্ষত্ৰ ঃ মঘা, জন্ম ৰাশি ঃ সিংহ ৰাশি**
**সূৰ্যোদয়- ৪-৩৯-২৩ সূৰ্যাস্ত- ৬-১৫-৩**




■ **মেষ ঃ** শুভ সংবাদ ■ **বৃষ ঃ** পেটৰ ৰোগ ■ **মিথুন ঃ** যান-বাহন ক্ৰয় ■ **কৰ্কট ঃ** মনত আনন্দ ■ **সিংহ ঃ** মানসিক অশান্তি ■ **কন্যা ঃ** যাত্ৰাত কষ্ট ■ **তুলা ঃ** আমোদ-প্ৰমোদ ■ **বৃশ্চিক ঃ** প্ৰেমত আনন্দ ■ **ধনু ঃ** ভাল খাদ্যৰ সোৱাদ ■ **মকৰ ঃ** দূৰ ভ্ৰমণ ■ **কুম্ভ ঃ** বন্ধুৰ সহায় ■ **মীন ঃ** সংগীতত সুনাম।

## অতিৰিক্ত জি এছ টি আৰোপ কৰাত গৰিহণা 'আপ'ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ জুলাই ঃ** জি এছ টি পৰিষদৰ অধ্যক্ষ নিৰ্মলা সীতাৰমণে যোৱা ২৯ জুনত দৈনন্দিন ব্যৱহাৰ্য খাদ্য-সামগ্ৰী, জলপান আদিৰ লগতে কেঁচা চাহপাতৰ ওপৰত অতিৰিক্ত কৰ আৰোপ কৰাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আম আদমী পাৰ্টীয়ে (আপ)। দৈ-চিৰা, মুড়ী আদি কৰ আৰোপ কৰিব লগা বস্তু নহয় বুলি উল্লেখ কৰি এক প্ৰেছ বিজ্ঞপ্তিযোগে আপ, অসমৰ ৰাজ্যিক সমন্বয়ক ডাঃ ভবেন চৌধুৰীয়ে কয় যে সাধাৰণ মানুহৰ আয় বঢ়া নাই, কিন্তু বৰ্তমান বিজেপি চৰকাৰে বিগত দিনবোৰত উৎপাদনশীল নীতিৰ পৰিৱৰ্তে সাধাৰণ জনতাৰ ওপৰত বিভিন্ন কৰ-কাটল তুলি ফেচিষ্ট নীতিৰে শাসন চলাই আছে বুলি উল্লেখ কৰে। বিজেপি চৰকাৰৰ লুণ্ঠন এই পৰ্যায়লৈ গৈছে যে চিকিৎসালয়ৰ সেৱা আৰু আই চি ইউৰ বিছনাও জি এছ টিৰ আওতালৈ নিছে। লগতে সাধাৰণ নাগৰিকে ব্যৱহাৰ কৰা ১০০০ টকাৰ তলৰ নিম্নমানৰ হোটেলৰ কোঠাবোৰতো ১২% জিএছটি আৰোপ কৰিছে। সাধাৰণ মানুহৰ নিয়মীয়া মৌলিক প্ৰয়োজনীয় সামগ্ৰীৰ ওপৰত এতিয়া ১৮% জি এছ টি আৰোপ কৰা কাৰ্যত আম আদমী পাৰ্টীয়ে তীব্ৰ গৰিহণা দিয়ে। ৰাজ্যিক সমন্বয়ক ডাঃ চৌধুৰীয়ে জি এছ টিৰ এই বৰ্ধিত হাৰে জনসাধাৰণৰ ওপৰত থকা বোজা অধিক বৃদ্ধি কৰিব আৰু অনাগত দিনত দেশৰ অৰ্থনীতিত প্ৰভাৱ পেলাব বুলি উল্লেখ কৰে। লগতে অসমত কৰ্মৰত ডেৰ লাখৰো অধিক ক্ষুদ্ৰ চাহ খেতিয়কৰ কেঁচা চাহপাতৰ ওপৰত ৫ শতাংশ জিএছটি আৰোপ কৰাত খেতিয়কসকল প্ৰত্যক্ষভাৱে ক্ষতিগ্ৰস্ত হোৱাটো নিশ্চিত। সেয়েহে আম আদমী পাৰ্টীয়ে জি এছ টি পৰিষদৰ এই ঘোষণা প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়।

## উচ্চতৰ মাধ্যমিকৰ কলা শাখাত ৮৮ শতাংশৰে আকাশীগংগা গোস্বামীৰ সাফল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ২ জুলাই ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফলত চাবুৱাৰ দিনজয় সত্ৰৰ আকাশীগংগা গোস্বামীয়ে কলা শাখাত ৫টা বিষয়ত লেটাৰ লৈ মুঠ ডিষ্টিংচনেৰে ৮৮ শতাংশ প্ৰাপ্তিৰে চাবুৱা অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। দিনজয় সত্ৰৰ সত্ৰাধিকাৰ মুকুন্দানন্দ গোস্বামী আৰু জুৰি গোস্বামীৰ দ্বিতীয় কন্যা আকাশীগংগাই চাবুৱা পূৰ্বজ্যোতি একাডেমীৰ পৰা অৱতীৰ্ণ হৈ এই সাফল্য লাভ কৰিছে। আকাশীগংগাই ইংৰাজীত৮৩, মাছ- ৯৫, ৰাজনীতি বিজ্ঞান-৮৯, অৰ্থনীতিত-৮৯, আৰু শিক্ষাতত্ত্বত-৭১ নম্বৰ তথা ৪৪০ পাবলৈ সক্ষম হয়। কটনত অৰ্থনীতি বিষয়ত মেজৰ লৈ উচ্চ শিক্ষা গ্ৰহণেৰে ভৱিষ্যতে এগৰাকী সফল প্ৰশাসনিক বিষয়া হ'বলৈ আশা পুহি ৰখা আকাশীগংগাই হাইস্কুল শিক্ষান্ত পৰীক্ষাটো চাবুৱা বিদ্যা নিকেতনৰ পৰা ৮৩ শতাংশপ্ৰাপ্তিৰে সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। ছাত্ৰীগৰাকীৰ সাফল্যত চাবুৱাবাসীয়ে অভিনন্দন জনাইছে।






গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত

৩

দ্বাদশ বছৰ ■ সংখ্যা ৩২৪ ■ গুৱাহাটী ■ দেওবাৰ, ৩ জুলাই, ২০২২, ১৮ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 324 Dainandin Barta ■ Guwahati, Sunday ■ 3 July, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




## মুছলপুৰত যৌতুকৰ বলি হৈ মৃত্যুক সাৱটিলে মহিলাই

**দৈনন্দিন বাৰ্তাৰ সেৱা,মুছলপুৰ, ২ জুলাই ঃ** বাক্সা জিলাৰ মুছলপুৰত যৌতুকৰ বলি হৈ এগৰাকী মহিলাই মৃত্যুক আঁকোৱালি লোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে । ঘটনাটো সংঘটিত হৈছে জিলাখনৰ মুছলপুৰ থানাৰ অন্তৰ্গত আঠিয়াবাৰীত। জানিব পৰা মতে দাবী কৰা যৌতুক নাপাই স্বামী পৰিয়ালে সুমিতা বৰ্মন নামৰ আঠমহীয়া অন্তঃসত্ত্বা বোৱাৰীক হত্যা কৰাৰ অভিযোগ উত্থাপন কৰিছে মৃত ■ ৮ পৃষ্ঠাত



*মণিপুৰৰ ভয়াৱহ ভূমিস্খলনৰ পৰিস্থিতি বুজ লোৱাৰ বাবে অসম চৰকাৰৰ প্ৰতিনিধি হিচাপে উপস্থিত হোৱা মন্ত্ৰী পীযূষ হাজৰিকা*







# বাঢ়নী পানীয়ে উটুৱাই নিলে সপোনৰ ঘৰখন

**সকলো শেষ হ'ল**

### হাহাকাৰ পৰিস্থিতি গহপুৰ নগৰত ঃ মথাউৰি নিৰ্মাণৰ নামত ভেঁকো-ভাওনা জলসম্পদ বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২ জুলাই ঃ** ৰাজ্যত হোৱা প্ৰলয়ংকাৰী বানে উটুৱাই নিলে বহুতৰ সপোনৰ ঘৰখন, সা-সম্পত্তি। বহু পৰিয়ালৰ আপোন ঘৰখন বাঢ়নী পানীয়ে উটুৱাই নিয়াৰ লগতে সকলো শেষ কৰি থৈ গ'ল প্ৰলয়ংকৰী বাঢ়নী পানীয়ে। বহু আশা বুকুত বান্ধি নিৰ্মাণ কৰিছিল নিজৰ আপোন ঘৰখন। কিন্তু আজি সেই আপোন ঘৰখন নাই। যাৰ ফলত আনৰ ঘৰত আশ্ৰয় গ্ৰহণ কৰি জীৱন কটাব লগা হৈছে গহপুৰৰ বানাক্ৰান্ত ভুক্তভোগী পৰিয়ালে। উল্লেখ্য যে ২৮ জুন তাৰিখে দিয়া ধাৰাসাৰ বৰষুণৰ ফলত গহপুৰ সমষ্টিৰ তিনিখন পাহাৰীয়া নৈ বালিজান, ব্ৰহ্মাজান আৰু ছত্ৰং নৈ ওফন্দি উঠাৰ ফলত গহপুৰ নগৰৰ অধিকাংশ অঞ্চল জলমগ্ন হয়। নগৰখনৰ বহুকেইটা ৱাৰ্ডত এবুকু পৰ্যন্ত বানপানী সৃষ্টি হয়। ছয়দুৱাৰ মহাবিদ্যালয়তো খিৰিকী পৰ্যন্ত বানপানী উঠিছে। যাৰ ফলত মহাবিদ্যালয়খনৰ বহু কম্পিউটাৰ, পুথিভঁৰালৰ কিতাপ-পত্ৰকে ধৰি বহু সা-সম্পত্তি নষ্ট হয় এই বানপানীৰ ফলত। কিন্তু গহপুৰ জলসম্পদ উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ৰহমৎ আলী হুছেইন আৰু দায়িত্বশীল কনিষ্ঠ অভিযন্তা শুভজিৎ চক্ৰৱৰ্তীৰ কাণ্ডজ্ঞানহীনতা আৰু লেহেমীয়া গতিৰে মথাউৰি নিৰ্মাণৰ ফলত দ্বিতীয়টো বাঢ়নী পানীয়ে গহপুৰ নগৰৰ বহুকেইটা ৱাৰ্ডত ক্ষয়-ক্ষতি কৰে। ইফালে যোৱা ফেব্ৰুৱাৰী মাহত তথ্য জনসংযোগ আৰু জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই ছত্ৰং নদীৰ মথাউৰি মেৰামতিৰ নামত ১৫ কোটিটকীয়া এক আঁচনিৰ কামৰ শুভাৰম্ভ কৰি গৈছিল। কামৰ শুভাৰম্ভৰ পিছতে গহপুৰ জলসম্পদ বিভাগৰ বিষয়া-অভিযন্তাই বিশেষ তৎপৰতা দেখুৱাই পূৰ্ণগতিত কেইদিনমান কাম কৰিছিল যদিও মন্ত্ৰী গৈ গুৱাহাটীৰ নাপালেই লেহেমীয়া গতিত কাম কৰিবলৈ আৰম্ভ কৰে বিভাগীয় ঠিকাদাৰে। যাৰ ফলত যোৱা ৪ মাহত প্ৰায় ৪০ শতাংশ কামহে কৰিবলৈ সক্ষম হৈছে বিভাগীয় ঠিকাদাৰে। আনহাতে, ২৮ জুন তাৰিখে দিয়া ধাৰাসাৰ বৰষুণৰ ফলত গহপুৰ পৌৰ সভাৰ অন্তৰ্গত ছত্ৰং মাজগাঁৱৰ (৮নং ৱাৰ্ড) ৰে'ল আলিৰ কাষত থকা ছত্ৰং নৈৰ মথাউৰিৰ প্ৰায় ৪০ মিটাৰ দৈৰ্ঘ্য নৈখনৰ খৰস্ৰোতা বাঢ়নী ■ ৮ পৃষ্ঠাত

### মুছলপুৰত খাদ্যত বিষক্ৰিয়া

## প্ৰসাদ খাই অসুস্থ অৰ্ধশতাধিক শিশুসহ পুৰুষ-মহিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২ জুলাই ঃ** বাক্সা জিলাৰ মুছলপুৰত প্ৰসাদ খাই পুৰুষ-মহিলা আৰু শিশুসহ প্ৰায় অৰ্ধশতাধিক লোক অসুস্থ হৈছে । জানিব পৰা মতে জিলাখনৰ বৰবৰী থানাৰ অন্তৰ্গত বাটাবাৰী গাঁৱৰ বিষ্ণু দৈমাৰীৰ বাসগৃহত নতুন চাৰিচকীয়া বাহন ক্ৰয় কৰা উপলক্ষে বৃহস্পতিবাৰে আয়োজন কৰিছিল এক মাংগলিক অনুষ্ঠানৰ। আৰু এই অনুষ্ঠানতে বুট-মাহৰ প্ৰসাদ খাই কালি গাঁওখনৰ প্ৰায় অৰ্ধশতাধিক পুৰুষ-মহিলা আৰু শিশু শৌচ, বমি আৰু পেটৰ বিষত আক্ৰান্ত ■ ৮ পৃষ্ঠাত

## দিচাংমুখত দিচাঙৰ বাঢ়নী পানীত এজনৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২ জুলাই ঃ** শিৱসাগৰ জিলাৰ দিচাংমুখ আৰক্ষী চকীৰ অন্তৰ্গত আলিছিগা গাঁও নিৱাসী সুদান্য সৰকাৰৰ কনিষ্ঠ পুত্ৰ মিঠু সৰকাৰৰ (৩২) আজি পুৱা দিচাংমুখৰ দিচাং নৈৰ বাঢ়নী পানীত পৰি সলিল সমাধি হয়। জানিব পৰা মতে আন দিনাৰ দৰে আজি পুৱা দিচাং চাপৰিত থকা গৰুৰ ■ ৮ পৃষ্ঠাত



*উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত শীৰ্ষস্থান দখল কৰা শিক্ষাৰ্থীক ৰাজ্যপাল জগদীশ মুখীয়ে ৰাজভৱনত সম্বৰ্ধনা জনোৱাৰ ছবি*

## আশাৰ মাজতে ক্ৰমাগতভাৱে হেৰাই যাব ওলাইছে তাঁতশালৰ খট্‌খট্ শব্দ !

**তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে শুৱালকুছিৰ ঐতিহ্যমণ্ডিত বস্ত্ৰশিল্প**

### বেনাৰসী বস্ত্ৰ আৰু বহিঃৰাজ্যৰ আমদানিকৃত চাদৰ-মেখেলাই দখল কৰিছে অসমৰ বজাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২ জুলাই ঃ** কৰ'না ভাইৰাছৰ বাবে প্ৰায় ৬ মাহকাল ঘোষণা কৰা লকডাউনে শুৱালকুছিৰ বস্ত্ৰশিল্পলৈ তীব্ৰ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। সেই সময়ছোৱাত ৰাজ্যখনৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সকলো দোকান-বজাৰ বন্ধ হৈ পৰাত শুৱালকুছিৰ তাঁতশালত উৎপাদিত পাট, মুগা আৰু টচৰ কাপোৰ বিক্ৰীৰ অভাৱত নিজৰ নিজৰ গৃহতে এলাগি হৈ পৰে। যাৰ বাবে শুৱালকুছিত এক হাহাকাৰৰ সৃষ্টি হয়। উৎপাদিত কাপোৰ বজাৰৰ অভাৱত বিক্ৰী কৰিব নোৱাৰি তাঁতশালৰ ব্যৱসায়ীসকলে তাঁতশালত নিয়োজিত শিপিনীসকলক কাপোৰৰ মজুৰি দিব নোৱৰাত দূৰ-দূৰণিৰ পৰা অহা বহুত শিপিনী নিজৰ নিজৰ ঘৰলৈ উভতি যাবলগীয়া হয়। আনহাতে, স্থানীয় শিপিনীসকলেও পৰিয়ালটিৰ ভাতমুঠিৰ তাড়নাত দিন হাজিৰা বা অন্য কামত জড়িত হ'ব লগাত পৰে। ফলত স্তব্ধ হৈ পৰে শুৱালকুছিৰ বস্ত্ৰশিল্প। শুৱালকুছিৰ সাংবাদিকসকলে ■ ৮ পৃষ্ঠাত

## আম কাণ্ডই নামেই সলাই দিলে দিছপুৰৰ বিধায়কৰ

**অসন্তুষ্ট মুখ্যমন্ত্ৰী-বিধানসভাৰ অধ্যক্ষ**

### বানৰ দিনত পাহাৰত উঠি থকা অতুল বৰাক লৈ বিজেপিত বিকল্পৰ সন্ধান


**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ২ জুলাই ঃ** অহংকাৰ আৰু দম্ভালিৰে নিজৰ অকৰ্মণ্যতা ঢাকি ৰাখিব খোজা দিছপুৰৰ বিধায়ক অতুল বৰাক লৈ শাসকীয় পক্ষত তীব্ৰ অসন্তুষ্টি বিৰাজ কৰা দেখা গৈছে। সম্প্ৰতি গেৰুৱা শিবিৰে আগন্তুক দিনৰ বাবে অতুল বৰাৰ পৰিৱৰ্তে বিকল্প নেতৃত্ব সাজু কৰিবলৈ সিদ্ধান্ত লোৱা বুলি চৰ্চিত হৈছে। ১৯৮৫তে প্ৰথমবাৰলৈ বিধায়ক হোৱা প্ৰায় চাৰি কুৰি বছৰ স্পৰ্শ কৰিব খোজা বয়োজ্যেষ্ঠ নেতাজনৰ বহুৱালিয়ে চৰম অস্বস্তিত পেলাইছে চৰকাৰক। উল্লেখ্য যে পাঁচবাৰকৈ দিছপুৰ বিধানসভাৰ পৰা নিৰ্বাচিত হোৱা অতুল বৰাই বিজেপিৰ আমোলত বিগত দুটা কাৰ্যকালত একেৰাহে প্ৰতিনিধিত্ব কৰি আছে। মন্ত্ৰিত্ব বিচাৰি আঁকোৰগোজ হৈ থকা বিধায়কজনে জয়ী হোৱাৰ পিছৰ পৰাই ■ ৮ পৃষ্ঠাত



*হাফলঙত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা জনাইছে মন্ত্ৰী নন্দিতা গাৰ্লোছাই, শনিবাৰে*

## কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ ৮০০০ কৰ্মচাৰীক একেলগে পদোন্নতি দিয়াৰ সিদ্ধান্ত চৰকাৰৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ২ জুলাই ঃ** কেন্দ্ৰীয় চৰকাৰৰ অধীনষ্ঠ অনুসূচিত জাতি-জনজাতিৰ কৰ্মচাৰীসকলৰ বাবে সুখবৰ বহন কৰিছে চৰকাৰৰ এক বিশেষ সিদ্ধান্তই। চাকৰিৰ পদোন্নতিৰ ক্ষেত্ৰতো অনুসূচিত জাতি-জনজাতিৰ কৰ্মচাৰীসকলক সংৰক্ষণৰ সুবিধা দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। সেই মৰ্মে ৮,০৮৯জন চৰকাৰী কৰ্মচাৰী তথা বিষয়াৰ পদোন্নতিৰ ভিতৰত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ সংৰক্ষণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰে। উল্লেখ্য, বিগত ছয় বছৰ ধৰি আইনী মেৰপেঁচত ওলমি আছিল অবৰ সচিব স্তৰ পৰ্যন্ত উক্ত কৰ্মচাৰী তথা বিষয়াসকলৰ পদোন্নতিৰ বিষয়টো। আনহাতে, কেন্দ্ৰীয় কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, ইয়াৰে ভিতৰত মুঠ ১,৭৩৪টা ■ ৮ পৃষ্ঠাত






## ডিফু-লামডিং পথৰ চাৰি কিলো ৰংপাংথিৰ গাঁৱত উচ্ছেদ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকলীয়াঘাট, ২ জুলাই ঃ** ডিফু-লামডিং পথৰ চাৰি কিলো ৰংপাংথিৰ গাঁৱত কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ দ্বাৰা আজি বেদখলকাৰী লোকক উচ্ছেদ কৰা হয়। আজি পুৱা ৭ বজাৰ পৰা আৰক্ষী-চিআৰপিএফৰ বৃহৎ বাহিনীৰ দ্বাৰা এই উচ্ছেদ অভিযান চলোৱা হয়। বালিৰাম তেৰাং ৰাজহ গাঁৱৰ অন্তৰ্গত ■ ৮ পৃষ্ঠাত

## উদয়পুৰৰ হত্যাকাণ্ডৰ অভিযুক্তক আদালত চৌহদতে আক্ৰমণ উত্তেজিত জনতাৰ


**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ২ জুলাই ঃ** বিজেপিৰ অপসাৰিত নেত্ৰী নূপুৰ শৰ্মাক সমৰ্থন কৰি ফেচবুকত পোষ্ট দিয়াৰ বাবে ৰাজস্থানৰ উদয়পুৰত মৌলবাদীয়ে কানহায়া নামৰ এজন দৰ্জীক নৃশংসভাৱে হত্যা কৰাৰ উত্তেজনা অব্যাহত থকাৰ মাজতে আজি জয়পুৰৰ নিয়া আদালতত উদয়পুৰৰ হত্যাকাণ্ডৰ অভিযুক্তক উত্তেজিত জনতাই প্ৰহাৰ কৰে। অভিযুক্তকেইজনক কঠোৰ নিৰাপত্তাৰ মাজতেই আদালতত হাজিৰ কৰোৱা হৈছিল। নিৰাপত্তা বেষ্টনীৰ মাজেৰে আদালতলৈ অনা হ'ল কানহাইয়া লালৰ হত্যাৰ অভিযুক্তসকলক। আৰু আদালত চৌহদত অভিযুক্তক দেখি উত্তেজিত হৈ পৰিল উপস্থিত জনতা। তাৰ পাছত অভিযুক্তৰ ওপৰত জঁপিয়াই ■ ৮ পৃষ্ঠাত

### কলিয়াবৰ মহকুমা চিকিৎসালয়ৰ নৱ-নিৰ্মিত ভৱন ঃ ২৪ কোটি ৪৭ লাখ টকা ব্যয়ৰে নিৰ্মাণ হৈছে তিনিমহলীয়া চিকিৎসালয় ভৱন

## ৰোগীৰ বাবে মুকলি নৌহওঁতেই দেৱালত ফাঁট, চিলিঙৰে পৰে পানী

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২ জুলাই ঃ** কলিয়াবৰ মহকুমা চিকিৎসালয়ৰ নৱ-নিৰ্মিত ভৱনৰ দেৱালত ওলাইছে ফাঁট। নিম্নমানৰ সামগ্ৰী আৰু মানহীন নিৰ্মাণৰ ফলত হোৱা এনে বিসংগতি ৰাইজৰ চকুত পৰাৰ লগে লগে জখলাবন্ধাৰ চিকিৎসালয়খনৰ চৌহদত এক উত্তেজনাময় ■ ৮ পৃষ্ঠাত






*কটনত মাৰপিট। প্ৰথম ছবি আহত ছাত্ৰ, দ্বিতীয় ছবিত দেৱাল পোষ্টাৰিং*

### কাকপথাৰৰ দ-পথাৰ মাজগাঁৱত নিহত আলফা সদস্য জ্ঞান অসমে ব্যৱহাৰ কৰা মাৰণাস্ত্ৰ উদ্ধাৰ

## 'অমৰ মৃতক' ঘোষণা আলফা স্বাধীনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২ জুলাই ঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী জিলা তিনিচুকীয়াৰ কাকপথাৰ থানাৰ অন্তৰ্গত দ-পথাৰ মাজগাঁৱত কালি আলফা (স্বা) আৰু সেনাৰ মাজত প্ৰচণ্ড গুলীয়াগুলীত নিহত হোৱা জ্ঞান অসম ওৰফে সন্তোষ গগৈয়ে ব্যৱহাৰ কৰা K47 মাৰণাস্ত্ৰৰ লগতে ১৮ জাঁই সজীৱ গুলী উদ্ধাৰ কৰে ভাৰতীয় সেনা আৰু অসম আৰক্ষীয়ে চলোৱা যৌথ অভিযানত। পথাৰত পোত খাই থকা অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হয় মাৰণাস্ত্ৰসহ সজীৱ গুলী। আনহাতে, ঘটনাটোত নিহত হোৱা আলফা ■ ৮ পৃষ্ঠাত



## শিৱসেনাৰ সকলো পদৰ পৰা বহিষ্কাৰ একনাথ সিন্দেক

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ২ জুলাই ঃ** মহাৰাষ্ট্ৰৰ ৰাজনীতি তল-ওপৰ কৰি শাসনৰ গাদী হস্তগত কৰা বিদ্ৰোহী শিবিৰৰ ■ ৮ পৃষ্ঠাত

## জল জীৱন মিছন-স্বাস্থ্য সেৱা আদি চৰকাৰী আঁচনিয়ে ঢুকি নোপোৱা এখন নৈপৰীয়া গাঁও দিচাংঘাট

### জনপ্ৰতিনিধিয়ে গাঁওবাসীৰ সমস্যাক গুৰুত্ব দিয়াৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২ জুলাই ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ এখন অভিলাষী আঁচনি হৈছে 'জল জীৱন মিছন'। এই আঁচনিখনকলৈ প্ৰধানমন্ত্ৰী মোডী আশাবাদী। প্ৰধানমন্ত্ৰীগৰাকীৰ আশা এই আঁচনিৰ দ্বাৰা দেশৰ কোটি কোটি জনগণ উপকৃত হ'ব। উপকৃত হ'ব দৰিদ্ৰ জনসাধাৰণ। যিয়েই নেকি নিজাববীয়াকৈ এটা ডমকল স্থাপন কৰিব নোৱাৰি নদ-নদী, বিল-পুখুৰীৰ আদি পানী সেৱন কৰি জীৱন নিৰ্বাহ কৰি আহিছে। এই ক্ষেত্ৰত প্ৰধানমন্ত্ৰী গৰাকীয়ে জল জীৱন মিছন আঁচনি উদ্বোধন কৰি কয় যে বিগত সাতটা দশকত নলীৰে পানী যোগান ধৰাৰ যি গতি আছিল ইয়াক তৰাম্বীত কৰি বিগত দুটা বছৰত দেশৰ জনসাধাৰণক এই আঁচনিখনে সামৰি লৈছে। কিন্তু বাস্তৱ ক্ষেত্ৰত এই জল জীৱন মিছন আঁচনিৰ লগতে চৰকাৰী বহু আঁচনিয়ে এতিয়াও ঢুকি পোৱা নাই অসমৰ বহু গাঁৱৰ লগতে ১০৮ নং শিৱসাগৰ বিধানসভা সমষ্টিৰ বহু গ্ৰামাঞ্চল। ইয়াৰ ভিতৰত ■ ৮ পৃষ্ঠাত

# সাহিত্য বৈভৱ

## অসমীয়া ভাষাৰ তুলনাত্মক সাহিত্য বিচাৰ ধাৰাত এক অনবদ্য সংযোজন




■ভৱদেৱ গোস্বামী

অসমীয়া ভাষাৰ সাহিত্য সমালোচনা ক্ষেত্ৰখনৰ এক অনন্য বৈশিষ্ট্যমণ্ডিত আয়তন আছে যদিও ইয়াৰ তুলনাত্মক ধাৰাটোৰ আপেক্ষিকভাৱে এক সীমাবদ্ধতা অনুভূত হয়। আমাৰ ভাষা-সাহিত্যৰ কাণ্ডাৰীসকলৰ ভিতৰত বহুতৰে সাহিত্যকৰ্মক বিদেশী আৰু দেশীয় আন প্ৰান্তীয় ভাষাৰ সাহিত্য বিশেষৰ লগত তুলনাত্মক বিচাৰভংগীৰে বিশ্লেষণ কৰি অহা হৈছে যদিও এইক্ষেত্ৰত বৰ্তমান স্থবিৰতা আহি পৰা পৰিলক্ষিত হৈছে। এইক্ষেত্ৰত নৱ-প্ৰজন্মৰ অসমীয়া লেখক-লেখিকাসকলৰ সাহিত্য সমালোচনা ধাৰাটোৰ প্ৰতি প্ৰদৰ্শিত উদাসীন দৃষ্টিভংগীক অন্যতম কাৰকৰূপে অভিহিত কৰিব পাৰি। ক্ৰমসংকুচিত হৈ পৰা অসমীয়া সাহিত্যৰ এই ধাৰাটোৱে তাৰেই প্ৰামাণ্য বহন কৰে। এই সংকোচন, স্থবিৰতা নিশ্চয়কৈ চিন্তনীয় বিষয়। এইক্ষেত্ৰত নৱ-প্ৰজন্মৰ এজন প্ৰতিশ্ৰুতিসম্পন্ন লেখক নয়নজ্যোতি নেওগ কিছু ব্যতিক্ৰম আৰু তেওঁৰ সদ্য প্ৰকাশিত 'সাহিত্য বৈভৱ' নামৰ পুথিখনে সেই স্থবিৰতা কিছু পৰিমাণে দূৰ কৰিব বুলি আশা কৰিব পাৰি। ইয়াৰ আগতে নেওগৰ 'সাহিত্যৰ বৰ্ণালী' নামৰ গ্ৰন্থখনে অসমীয়া ভাষাৰ নব্য সাহিত্য সমালোচনা ধাৰাটোক সুৱাগুৰি তুলি ধৰিছিল বুলি ক'ব পাৰি। গ্ৰন্থখনে নগাঁও জিলা সাহিত্য সভাৰ ২০১০ বৰ্ষৰ শ্ৰেষ্ঠ প্ৰবন্ধ পুথিৰ সন্মান লাভ কৰাটোৱে গ্ৰন্থখনৰ গ্ৰহণযোগ্যতাক প্ৰতীয়মান কৰে।

নেওগৰ সদ্যপ্ৰকাশিত 'সাহিত্য বৈভৱ' গ্ৰন্থখনত সন্নিৱিষ্ট প্ৰবন্ধলানিক তিনিটা শাখাত বিভক্ত কৰা হৈছে। ইয়াৰে 'তুলনাত্মক সাহিত্যৰ আভা' শীৰ্ষক প্ৰথমটো শাখাত মুঠ ছটা প্ৰবন্ধ সন্নিৱিষ্ট হৈছে। ইয়াৰে দুটা প্ৰবন্ধত আমাৰ গুৰুজনাৰ নাট্য ভাৱনাৰ লগত বিশ্ববন্দিত কবি নাট্যকাৰ শ্বেক্সপীয়েৰৰ নাট্যচিন্তাৰ এটি মননশীল তুলনামূলক বিশ্লেষণ আগবঢ়োৱা হৈছে। মুঠৰ ওপৰত প্ৰবন্ধ দুটাক নেওগৰ প্ৰচুৰ গৱেষণাৰ ফচল বুলি ক'ব পাৰি। অসমীয়া সাহিত্যত এনে তুলনা খুব কমেইহে হৈছে। সম্পূৰ্ণ নিৰপেক্ষ দৃষ্টিভংগীৰে আৰু আধুনিক দৃষ্টিকোণেৰে তেওঁ এই বিশ্লেষণ কৰিছে। আনহাতে, আধুনিক অসমীয়া নাটকৰ অন্যতম পথিকৃৎ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাট্য ভাৱনাৰ লগত বাৰ্ণাৰ্ড শ্ব' আৰু হেনৰিক ইবচেনৰ দৰে প্ৰখ্যাত পাশ্চাত্য নাট্যকাৰৰ নাট্যকৰ্মৰ লগত এক মনোজ্ঞ তুলনাত্মক বিচাৰ আন এটা নিবন্ধক নিবন্ধত কৰিছে। আকৌ সাহিত্যৰথী বেজবৰুৱাৰ নাট্যকৰ্ম আৰু ব্যংগ ৰচনাক ক্ৰমে শ্বেক্সপীয়েৰ আৰু চাৰ্লছ ডিকেন্সৰ ব্যংগ ৰচনাৰে তুলনা কৰি লেখকে অসমীয়া সাহিত্যৰ বাবে এক লেখৰ কাম কৰিছে বুলি ক'ব পাৰি।

'বিশ্ব সাহিত্যৰ সৌৰভ' নামৰ অধ্যায়টোত সন্নিৱিষ্ট সাতটা প্ৰবন্ধত লেখকে কেমু, ডিকেন্স, লৰেন্স, শ্বেলী আদি পাশ্চাত্য লেখকসকলৰ বিশেষ সাহিত্যকৰ্মক লেখকে নিজস্ব দৃষ্টিকোণ আৰু আধুনিক দৃষ্টিভংগীৰে বিচাৰ কৰিছে। লেখকৰ এনে প্ৰয়াসে ইংৰাজী সাহিত্যৰ ছাত্ৰ-ছাত্ৰীক প্ৰভূত পৰিমাণে সহায় কৰিব বুলি আশা কৰিব পাৰি। আনহাতে, 'পুৰণি অসমীয়া সাহিত্যৰ সুৰভি' শীৰ্ষক অন্তিম অধ্যায়টোত লেখকে মধ্যযুগীয় অসমীয়া সাহিত্যৰ বৈচিত্ৰ্যতাক সূক্ষ্ম আৰু মনোজ্ঞ দৃষ্টিভংগীৰে উপস্থাপন কৰিছে। এই অধ্যায়টোত মুঠ ছটা প্ৰবন্ধ আছে, য'ত চৰ্যাপদৰ পৰা মধ্যযুগীয়া অসমীয়া চুফী সাহিত্যলৈকে সামৰি লোৱা হৈছে। ইয়াত লেখকৰ অধ্যয়নপুষ্টতা আৰু গৱেষণা ফৰিংফুটা হৈ ধৰা দিছে। এনে তথ্যভিত্তিক ৰচনাই সাহিত্যৰ ছাত্ৰ-ছাত্ৰীক উপকৃত কৰাৰ লগতে ৰসজ্ঞ পাঠকক ন ন চিন্তাৰ খোৰাক দিব। মুঠৰ ওপৰত নেওগৰ 'সাহিত্য বৈভৱ' অসমীয়া সমালোচনা সাহিত্যলৈ এক অনবদ্য অৱদান। নগাঁৱৰ আগশাৰীৰ প্ৰকাশন গোষ্ঠী 'বহু-আনন্দ' গ্ৰন্থখনৰ প্ৰকাশক। গ্ৰন্থখনৰ মূল্য দুশ টকা। সদাশয় পাঠকে গ্ৰন্থখন আঁকোৱালি ল'ব বুলি আশা কৰিলো।

গ্ৰন্থ পৰ্যালোচনা...

# গ্ৰন্থৰ নাম ঃ 'য়াকা মিৰেম'

■ দেৱীনা পামেগাম পেগু

মধ্যৱৰ্তী অসমৰ বুৰঞ্জীমূলক কাহিনীৰ আধাৰত এগৰাকী মহীয়সীৰ জীৱনৰ আধাৰত প্ৰাক্তন বেংক বিষয়া ৰত্নধৰ দলেৰ দ্বাৰা ৰচিত গ্ৰন্থ শেহতীয়াকৈ 'য়াকা মিৰেম' পঢ়িলোঁ। সঁচাই এখন মনোৰম গ্ৰন্থ, য'ত দলেদেৱে মধ্যযুগৰ অনাদৰ কৰি ৰখা য়াকা এগৰাকী মিছিং বীৰাংগনা ৰমণীক কেন্দ্ৰ কৰি লিপিবদ্ধ কৰা হৈছে এই ঐতিহাসিক গ্ৰন্থখন। গ্ৰন্থখন মধ্যযুগৰ জনপ্ৰিয়হীন, অলিখিত সুন্দৰ মনপৰশা ঐতিহাসিক কাহিনী। উত্তৰ-পূব ভাৰতৰ খিলঞ্জীয়া ভূমিপুত্ৰসকলৰ ভিতৰত মিছিংসকল অন্যতম জনগোষ্ঠী। যিহেতু এটা জাতিৰ কৃষ্টি-সংস্কৃতি, অতীত পৰিচয় জনাৰ একমাত্ৰ মাধ্যম হৈছে সেই জাতি বা জনগোষ্ঠীটোৰ লিখিত ইতিহাসৰ সমল। লেখক ৰত্নধৰ দলেদেৱে 'য়াকা মিৰেম'খনৰ জৰিয়তে মধ্যযুগৰ অসম বুৰঞ্জীৰ যুগসন্ধিৰ এক স্মৰণীয় পটভূমিত তুলি ধৰিছে। য়াকা মিৰেমৰ মূল কাহিনীভাগ মূলতঃ মিছিং সমাজত প্ৰচলিত, লগতে বিভিন্ন মাধ্যমৰ প্ৰকাশিত গ্ৰন্থ, প্ৰবন্ধ, আলোচনী আদিৰ আলম লৈ লিখি আমাৰ অসমীয়া সাহিত্য জগতলৈ অলংকৃত কৰিছে। গ্ৰন্থখনৰ মুখবন্ধৰ লেখক পানীৰাম দলেৰ লেখাৰ দ্বাৰা সুন্দৰকৈ প্ৰকাশ পাইছে যে লেখক ৰত্নধৰ দলে য়াকা মিৰেমৰ এগৰাকী আজো নাতি আৰু য়াকা মিৰেমৰ বংশগত জীয়া কাহিনী জনশ্ৰুতিৰ বাহক আৰু মধ্যযুগৰ অসম বুৰঞ্জীৰ সৃজনশীল পাঠক। তেখেতে য়াকা মিৰেমৰ ঐতিহাসিক কাহিনী ভাগৰ সৈতে অতি সুন্দৰকৈ চুতীয়া ৰজাৰ পৰা আহোম ৰজাৰ শেষলৈ আৰু ব্ৰিটিছে ১৮২৬ খ্ৰীষ্টাব্দৰ পৰা ইয়াণ্ডাবু সন্ধিৰ দ্বাৰা অসমৰ শাসনভাৰ হস্তগত কৰা ব্ৰিটিছৰ ৰাজত্ব সময়লৈকে, সকলো সামাজিক আৰু ৰাজনৈতিক উত্থান-পতনৰ পটভূমিত তুলি ধৰিবলৈ সক্ষম হৈছে।

গ্ৰন্থখনত লেখকে য়াকা মিৰেমৰ জীৱনত ঘটা উল্লেখযোগ্য ঘটনাসমূহ খুবেই নিখুঁতভাৱে উপস্থাপন কৰিছে। কাহিনী ভাগত এগৰাকী মিছিং বীৰাংগনা ৰমনীয়ে কিদৰে অশেষ কষ্টক ত্যাগ কৰি নিজৰ জাতিৰ তথা মাতৃভূমিৰ নিৰ্যাতিত ভগ্নীসকলৰ সতীত্ব ৰক্ষাৰ বাবে হাজাৰ বাধা নেওচি শত্ৰুক ৰুধিবলৈ সক্ষম হৈছিল তাৰ চাক্ষুস দৃশ্যপটত জলজল পটপটকৈ ভাহি অহাকৈ নিখুঁতভাৱে বৰ্ণনা কৰিছে। গ্ৰন্থখনৰ কাহিনীভাগত মান সেনাৰ বৰ্বৰ আৰু নৃশংস অত্যাচাৰৰ প্ৰতিবাদ বীৰাংগনা য়াকা মিৰেমে অতি কৌশলী পন্থা অৱলম্বন কৰি সমাধান সূত্ৰ কিদৰে নিৰ্ণয় কৰিছিল তাৰে এক উল্লেখযোগ্য কৌশল আছিল। এদিন য়াকা মিৰেমে গাঁৱৰ মানুহক লগত লৈ মাতাল, উন্মুক্ত মান সেনাৰ হাতৰ পৰা গোটেই অস্ত্ৰ-শস্ত্ৰ কাঢ়ি বৰ্বৰহঁতক নিৰস্ত্ৰ কৰি কচু কটা দিবলৈ সক্ষম হোৱাৰ কথা অতি সুন্দৰ হৈছে।

এসময়ৰ প্ৰবলপ্ৰতাপী আহোমসকলৰ শাসন কালৰ অন্ত হোৱাৰ ক্ষণত মিছিং যুৱতী য়াকাৰ বীৰাংগনা আৰু মহত্ত্বৰ কথা মিছিং সমাজৰ মুখে মুখে বছৰ বছৰ প্ৰচলিত হৈ আছে। প্ৰশাসনৰ নামত মান সেনাই দলে দলে শান্তিপ্ৰিয় সৰল অসমীয়া ৰাইজৰ মাজলৈ আহি ৰাইজক পাশৱিক অত্যাচাৰ কৰি, দলবদ্ধ হৈ নাৰী ধৰ্ষণ, লুটপাত আদি কৰ্মই জাতিটোক নিৰ্যাতন কৰা বাস্তৱিক সত্য কাহিনী শুনি আজিও আমাৰ অসমীয়া মানুহৰ গাৰ নোম শিয়ঁৰি উঠে। তেনে বৰ্বৰ মান সেনাক প্ৰত্যাহ্বান জনাই অতি কৌশলেৰে কচু কটা দিয়া, পিছত দৈৱক্ৰমে মান সেনাৰ ৰোষত পৰি য়াকাক ঘৰৰ পৰা বান্ধি নিয়া, ব্ৰহ্মদেশৰ ডনাবুস্থিত মান সেনাৰ ছাউনীৰ পৰা পলাই আহি ঘৰ-সংসাৰ কৰা য়াকাক কিয় সমাজে য়াকা মিৰেম বুলি খিতাপ দিলে সকলো ঘটনাই গ্ৰন্থখনত খুব সুন্দৰকৈ সত্য ঘটনা যথোপযুক্ত স্থানত উপস্থাপন কৰা হৈছে।

মুঠৰ ওপৰত য়াকা এগৰাকী সাহসী মহীয়সী মিছিং নাৰী। য়াকাই বন্দীশালৰ পৰা মুক্ত হৈ স্বদেশলৈ আহিয়েই তেওঁ মানৰ অত্যাচাৰত থান-বান হৈ থকা নিজৰ গাঁৱৰ তথা সমাজখন পুনৰ সংস্থাপন কৰাত দেহে-কেহে লাগি যোৱাৰ কথা স্পষ্টকৈ লেখকে উল্লেখ কৰিছে। তেওঁ জাতি-ধৰ্ম নিৰ্বিশেষে সমাজৰ সকলোৰে পুনৰ সংস্থাপনৰ বাবে চেষ্টা কৰিছিল। ব্ৰিটিছসকলে য়াকাৰ অদম্য মনোবল আৰু সাহসৰ পৰিচয় পাই তেওঁক বীৰাংগনা উপাধিৰে বিভূষিত কৰিছিল। লগতে তেওঁৰ কৰ্মদক্ষতাৰ পৰিচয় পাই বাঁহ, বেত, খেৰ, কাঠৰ মহলৰ ব্যৱসায় কৰাত যথেষ্ট সহায়ৰ হাত আগবঢ়াই এটা সময়ত অগাধ সম্পত্তিৰ অধিকাৰিণী হোৱাত য়াকাৰ পাছত মিৰেম অৰ্থাৎ 'চহকী য়াকা'ৰূপে সমাজত সৰ্বজনজ্ঞাত এগৰাকী ৰমণীলৈ পৰিৱৰ্তিত হোৱালৈ অতি সাৱলীলভাৱে লেখকে তুলি ধৰিবলৈ সক্ষম হৈছে। মোৰ দৃষ্টিৰে লেখকে আমাৰ মধ্যযুগৰ অসম বুৰঞ্জীত মিছিং সমাজ তথা সমসাময়িক অসমীয়া সমাজৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক দিশসমূহ পাঠক সমাজৰ আগত সুন্দৰকৈ বৰ্ণনা কৰিছে। লেখকে য়াকা মিৰেমখন এখন বাস্তৱ জীয়া কাহিনী বুলি প্ৰমাণিত কৰি কিয়দংশ বীৰাংগনা য়াকাই ব্যৱহাৰ কৰা বস্তুৰ ফটো গ্ৰন্থখনত সংলগ্ন কৰি সোণত সুৱগা চৰাই কাহিনীভাগ জীৱন্ত ৰূপত তুলি ধৰিবলৈ সফল হৈছে। বীৰাংগনা য়াকাৰ সুন্দৰ প্ৰতিমূৰ্তিৰ ফটোৰে সৈতে পাঠকক মন আকৰ্ষণ কৰিব পৰাকৈ সুন্দৰ এখন বেটুপাতেৰে গ্ৰন্থখন তুলি ধৰিছে। 'য়াকা মিৰেম'খনে সকলো ধৰণৰ পাঠকৰ হৃদয়ত থিতাপি ল'ব পৰা এখন ঐতিহাসিক সমলসমৃদ্ধ গ্ৰন্থ। শব্দৰ ব্যৱহাৰ অতি সাৱলীল, নিৰ্ভুল বানান। মূল্য ১০০ টকাৰে যথোপযুক্ত এখন জীয়া কাহিনীৰ আধাৰত ৰচিত গ্ৰন্থ।




ফোন ঃ ৯৮৬৪১-৬৮৮৬২

■ প্ৰয়াত প্ৰমোদ চন্দ্ৰ কটকীৰ স্মৃতিত ■

# আদ্যশ্ৰাদ্ধৰ সশ্ৰদ্ধ সোঁৱৰণ



■পংকজ কুমাৰ দাস

১৮৪৯ শকৰ ২৩ মাঘ, ইংৰাজী লেখেৰে ১৯২৭ চনৰ ফেব্ৰুৱাৰী মাহত যোৰহাট জিলাৰ তিতাবৰৰ এলেঙীত প্ৰয়াত ডিম্বেশ্বৰ কটকী আৰু প্ৰয়াত লাৱণ্য দেৱীৰ ঔৰসত জন্মগ্ৰহণ কৰে তেওঁলোকৰ প্ৰথম সন্তান প্ৰমোদ চন্দ্ৰ কটকী। তেখেত আছিল বংশটোৰ ডাঙৰ সন্তান, সহোদৰ ৬ জন ভাই আৰু এগৰাকী ভনীয়েকৰ উপৰি তেখেতৰ পিতৃৰ পাঁচোজন ককাই-ভাইৰ সকলো সন্তানৰ তেখেতেই জ্যেষ্ঠ বাবে সকলোৱে বৰ দাদা হিচাপেই সম্বোধন কৰিছিল কটকীদেৱক। দেউতাৰ স্কুলীয়া শিক্ষা আৰম্ভ হৈছিল সৰ্বাইবন্ধাত থকা মোমায়েক প্ৰয়াত বিশ্ব শৰ্মাৰ ঘৰৰ পৰা হেজাৰী প্ৰাথমিক বিদ্যালয়ত। ইয়াৰ পাছত তিতাবৰৰ ঘৰলৈ গৈ তিতাবৰ চৰকাৰী মধ্য ইংৰাজী বিদ্যালয়ত নামভৰ্তি কৰে আৰু ষষ্ঠ শ্ৰেণীলৈকে তাত অধ্যয়ন কৰে। সপ্তম আৰু অষ্টম শ্ৰেণী তিতাবৰৰ মিহিৰাম শইকীয়া উচ্চ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰাৰ পাছত যোৰহাট তৰাজানত থকা বৰ পেহীয়েকৰ ঘৰত থাকি যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নামভৰ্তি কৰে আৰু মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। কটন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত নামভৰ্তি কৰি এটা মাহ থকা-খোৱাৰ অসুবিধাৰ সন্মুখীন হোৱা সমস্যাৰ কথা ভাবি কাকো নজনোৱাকৈয়ে কটকীদেৱ ঘূৰি আহে যোৰহাটলৈ। যোৰহাটলৈ আহি জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ সেই বৰ্ষতে আৰম্ভ হোৱা বিজ্ঞান শাখাত নামভৰ্তি কৰে। থাকিবলৈ লয় সৰ্বাইবন্ধাৰ এজন নিকটসম্বন্ধীয় চক্ৰৱৰ্তী খুৰাৰ ঘৰত। আনৰ ঘৰত থকাৰ এই অসুবিধাৰ বাবেই কটকীদেৱৰ পিতৃয়ে সেই সময়তে যোৰহাটৰ পুলিবৰত মাটি কিনি ঘৰ নিৰ্মাণ কৰি লয়। পিতৃয়ে ঘৰ নিৰ্মাণ কৰি দিয়াৰ পিছত কটকীদেৱে এপদ এপদকৈ তিতাবৰৰ পৰা সামগ্ৰী কঢ়িয়াই ঘৰখন বান্ধিবলৈ আৰম্ভ কৰে। দুৰ্ভাগ্যবশতঃ দিনত চাইকেলেৰে যাওঁতে চাই যোৱা ৰাস্তাটো কিন্তু ৰাতি গৰু গাড়ীৰে বাঁহ লৈ ঘূৰি আহোতে ধৰিব নোৱাৰি গাড়ীখন খালত সোমাই ধৰে আৰু কটকীয়ে মূৰত বেয়াকৈ দুখ পায়। যাৰ ফলত অত্যধিক মূৰৰ বিষত কটকীয়ে সেই বছৰ প্ৰাক্ স্নাতক পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিলে আৰু পৰৱৰ্তী বছৰতহে পৰীক্ষাত উত্তীৰ্ণ হয়।

অৰ্থনীতিত সন্মানসহ স্নাতক ডিগ্ৰী লাভ কৰে কটকীয়ে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা। ইয়াৰ পাছত অৰ্থনীতি বিভাগৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা। সমান্তৰালভাৱে কটকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়তে আইনৰ শিক্ষা গ্ৰহণ কৰিছিল যদিও সেই শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰিলে। কটকীয়ে ঘৰলৈ আহি বিভিন্ন সামাজিক কামত জড়িত হৈ পৰে। দহোটীয়া উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা কৰা, বৃকোদৰ শইকীয়া উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠাত কটকীৰ অৰিহণা আছিল বহুত, লগতে বিনা বেতনত দুয়োখন বিদ্যালয়তে সেৱা আগবঢ়াইছিল। পুলিবৰ ৰিডিং ক্লাব গঠনতো কটকীৰ পৰিশ্ৰম জড়িত হৈ আছে। যদিও কটকীয়ে যোৰহাটতে থাকি নিজে গঢ়া বিদ্যালয়কেইখনৰ জৰিয়তে শিক্ষা আগবঢ়োৱাৰ ইচ্ছা কৰিছিল কিন্তু সামাজিক কিছু বাধাক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰি সেই সময়তে চাৰিদুৱাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত খালী হোৱা এটা পদত আবেদন কৰি তাত যোগদান কৰে। ইয়াৰ পাছতে ইউপিএছচি পৰীক্ষাত অৱতীৰ্ণ হৈ কটকীয়ে কোকৰাঝাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অৰ্থনীতি বিভাগৰ বিষয় শিক্ষকৰূপে কৰ্মত জড়িত হৈ পৰে। এই বিদ্যালয়ৰ পৰাই কটকীয়ে ডেপুটেচনত গৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বি টি ডিগ্ৰী আহৰণ কৰে। ১৯৭২ চনত গোলাঘাট বেজবৰুৱা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ বদলি হৈ আহে আৰু অৱসৰৰ সময়লৈকে সেইখন বিদ্যালয়তে শিক্ষকতা কৰে। ১৯৯০ চনত তেখেতে উপাধ্যক্ষৰূপে অৱসৰ গ্ৰহণ কৰে। চাইকেল চলাই গোলাঘাটলৈ অহা-যোৱা কৰিছিল কটকীদেৱে।

জাঁজী হাঁহচৰাৰ প্ৰয়াত নীলমণি ভট্টাচাৰ্য আৰু প্ৰয়াত হেমদা ভট্টাচাৰ্যৰ পঞ্চম সন্তান প্ৰয়াত গৌৰীপ্ৰিয়া দেৱীৰ সৈতে কটকীদেৱ বিবাহপাশত আবদ্ধ হয় ১৯৬০ চনত কোকৰাঝাৰত কৰ্মৰত অৱস্থাত। কটকীদেৱৰ চাৰি সন্তান ক্ৰমে দেৱজিৎ, অভিজিৎ, জোনালী আৰু মেঘালী। ১৯৯০ চনত বিদ্যালয়ৰ পৰা অৱসৰ লোৱাৰ পিছত সামাজিক কাম- কাজত বিশেষভাৱে জড়িত হৈ পৰে। নৱোদয় সাৰ্বজনীন পূজা মন্দিৰ, পুলিবৰ হৰি মন্দিৰ, ঢাপকটা শিৱ মন্দিৰ, যোৰহাট জিলা ব্ৰাহ্মণ সমাজ আদি বিভিন্ন অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ আছিল। ১৯৯৩ চনত নতুনকৈ স্থাপন কৰে পৰ্বতীয়া উচ্চ ইংৰাজী বিদ্যালয় আৰু অবৈতনিক প্ৰধান শিক্ষকৰূপে ১৯৯৬ চনলৈকে সেৱা আগবঢ়ায়।

৬০ বছৰ কাল একেলগে কটোৱা আৰু ২০২০ চনত পত্নীক হেৰুওৱা কটকীদেৱ হঠাতে যোৱা ২ জুন তাৰিখে হাৰ্টৰ এটা ষ্ট্ৰোক হৈ কোঠাৰ ভিতৰতে পৰি যায়। লগে লগে এ জি নাৰ্ছিংহোমলৈ লৈ যোৱা হয়, চিকিৎসক-নাৰ্ছৰ আশাশুধীয়া প্ৰচেষ্টাৰ পাছতো সম্পূৰ্ণ ২১ দিন চিকিৎসালয়তে থাকি চিকিৎসালয়ৰ বিছনাতে কটকীদেৱে ২২ জুনৰ পুৱা শেষ নিশ্বাস ত্যাগ কৰে। আমাৰ প্ৰাৰ্থনা, তেখেত য'তেই আছে শান্তিৰে থাকক। আজি ২ জুলাই আদ্যশ্ৰাদ্ধৰ দিনা তেখেতলৈ আমাৰ অশ্ৰু অঞ্জলি যাঁচিলো।

# বলিয়া বান

## (এক মিনিটৰ গল্প)

■পূৰৱী তালুকদাৰ

গাঁৱৰ মানুহবোৰে হাতে হাতে টালি-টোপোলা লৈ মাথোঁ দৌৰিছে।

পুৱাৰে পৰা ওফন্দি উঠা নৈখনে পলকতে মথাউৰি ছিগি গাঁওখন ডুবালে।

চাৰিওফালে হুৱাদুৱা।

প্ৰতি বছৰে এনেকৈ নৈখনে গাঁওখনৰ মানুহবোৰক কোঙা কৰি থৈ যায়। আনবাৰৰ দৰে এইবাৰো নৈয়ে কাল ৰূপ ধৰাৰ আগতেই জয়াই ঘৰৰ বয়-বস্তুবোৰ যিখিনি পাৰে দৌৰাদৌৰিকৈ বান্ধিছিল। এতিয়াও কিছু বান্ধিবলৈ আছেই। নাই বুলিলেও ঘৰ



এখনত লাম-লাকটু কম থাকেনে? জয়াৰ পিতাক, খুৰাক সকলোলৈকে অলপ খঙো উঠিছিল। সিহঁতকনো কিহে পাইছিল নৈৰ কাষতে থকা ঘৰৰ ল'ৰা এজনলৈ বিয়া দিবলৈ? প্ৰতি বছৰে তাইৰ কম দুৰ্গতি হয়নে! 'মথাউৰি ভাগিল ঐ ৰাইজ, সোনকালে ঘৰৰ ভিতৰৰ পৰা ওলাই নিৰাপদ ঠাইলৈ যাব লাগে।' গাঁৱৰ ডেকাবোৰে চিঞৰিছিল। জয়াৰ বুকুখন কঁপি উঠিছিল। তাইৰ হিয়া ঢাকুৰি কান্দিবলৈ মন গৈছিল। লৰালৰিকৈ তাই সাতবছৰীয়া জীয়েকক নীহাৰৰ কোলাত দি তাইক আগতে নিৰাপদ ঠাইত থৈ আহিবলৈ ক'লে। নীহাৰে জীয়েকক কান্ধত তুলি লৈ গাঁৱৰ মানুহে আশ্ৰয় লোৱা ওখ ঠাইখিনিত থ'লেগৈ।

জয়াক আৰু ঘৰৰ পৰাখিনি বস্তু আনিবলৈ খৰখেদাকৈ সি উভতিব বিচাৰিছিল। কিন্তু বানৰ পানীৰ মাজেৰে আধা মাইলৰ পথছোৱা পাৰ হওঁতেও তাৰ সময় লাগিল। বহু ঠাইত প্ৰবল সোঁতে তাক যেন উটুৱাইহে নিব। সি তাৰ ঘৰৰ ঠাইখিনি ঠিকেই পালেগৈ। পিছে ঘৰটোহে বিচাৰি নাপালে। কিছু দূৰত ঘৰৰ ভগা চালি আৰু বেৰৰ কিছু অংশ উটি গৈ থকা তাৰ চকুত পৰিল। 'জয়া ঐ, অ' জয়া তই ক'ত আছ?' বুলি চিঞৰি থকা নীহাৰৰ টেঁটুফলা চিঞৰ কোনেও নুশুনিলে। পানীৰ কোবাল সোঁতৰ শব্দত তাৰ মাতটোও মিলি গ'ল। পিছফালৰ পৰা পৰা ঢকা এটাহে যেন সি অনুভৱ কৰিলে। হাতেৰে খেপিয়াই ক'ৰবাত ধৰিবলৈও সি সুবিধা নাপালে। লগে লগে মানুহজন ক'লৈ যে ভাহি গ'ল! কিছু সময় পাছত গাঁৱৰ মানুহে আশ্ৰয় লোৱা ওখ ঠাই টুকুৰাত কণমানিজনীয়ে মাক-দেউতাকক বিচাৰি বিচাৰি কান্দোনত ভাগি পৰাৰ এটি কৰুণ দৃশ্যহে দেখা গ'ল।

ফোন ঃ ৮৯৫১৮-১৯২৬৭

মানস দত্তৰ প্ৰথম কবিতা সংকলন

# 'হৃদয়ংগম হিয়াৰ কথাৰে'

■ বিপুল শৰ্মা

'আপুনি বৈ গ'ল- স্মৃতি হৈ
সুহুৰিটো বৈ গ'ল— ভালপোৱা হৈ বুকুত।'
(সুহুৰিটোৱে বিচাৰি আছে আপোনাৰ ওঁঠ)

এনেদৰে প্ৰেমৰ গুঞ্জন তুলি পাঠকক মোহাচ্ছন্ন কৰিব পৰা নৱীন কবি মানস দত্তৰ প্ৰথম কবিতা সংকলনখন—'হৃদয়ংগম হিয়াৰ কথাৰে'। 'আজিৰ কবিতা' পাণ্ডুলিপি প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত 'হৃদয়ংগম হিয়াৰ কথাৰে' সংকলনখনৰ কবিতাসমূহত প্ৰেম আৰু গ্ৰাম্য জীৱনৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। ডিব্ৰুগড় জিলাৰ ৰহমৰীয়াৰ কবি মানস দত্তৰ কবিতাৰ ভাষা সহজ-সৰল আৰু ব্যৱহাৰ কৰা শব্দ, বাক্য আৰু প্ৰয়োগৰ চমৎকাৰিতাই পাঠকক এক নতুন আমেজ দিয়ে— 'দুখীয়াই জাল পাতে/পুথি-খলিহনাহে লাগে/ৰৌ-বৰালি হয়গৈ ধনীৰ আখলৰ সোৱাদ/গছকত মিছাতে মৰে মানিমুনি শাক।'— (চাৰিটা ক্ষুদ্ৰ কবিতা।)

বৰযুণ ভালপোৱা কবি মানস দত্তৰ প্ৰিয় ব্যক্তি তেওঁৰ পিতৃ। সকলোৱে নিজৰ আই-পিতাইক ভালপোৱাৰ দৰে কবিয়েও নিজৰ পিতাইক ভাল পায়, সেইবাবে বহুকেইটা কবিতাত আই-পিতায়ে স্থান পাইছে। উদাহৰণ স্বৰূপে— 'বিফল হ'লেই পিতাইৰ চোলাটো পিন্ধিম/আকাল হ'লেই আইৰ খাৰুপাত উলিয়াই চাম'— (বিফল হ'লেই পিতাইৰ চোলাটো পিন্ধিম) বা পিতাই তোৰ হেৰাই যোৱা দিনবোৰ বিচাৰি পাইছিলোঁ সিদিনা/বোৱাৰী পুৱাতে বলধ হালৰ পাছত তই আৰু/কান্ধত তোৰ নাঙল যুঁৱলি।'— (পিতাইৰ ঘামত সাৰুৱা হৈছিল পথাৰ)। একেদৰে কবি মানস দত্তৰ নদীও প্ৰিয়। তেওঁ বহুকেইটাৰ কবিতাৰ শিৰোনাম নৈ। যেনে— নদীখনৰ সি আজন্ম প্ৰেমিক, নৈপৰীয়া আঘোণৰ পথাৰ, নৈপৰীয়া বেথা, নদীখন বাঢ়িব ধৰিছে আদি। ইয়াৰ দুটামান পংক্তি— 'গঞাৰ বুকুত সাহসে ঘৰ সাজে/নৈপৰীয়া আঘোণৰ পথাৰ এনেকৈয়ে ভৰি পৰে।'— (নৈ পৰীয়া আঘোণৰ পথাৰ)

কবি হৃদয়ত প্ৰেমৰ এক নতুন সুৰ বাজি থাকে যেন ধাৰণা হয়। কাৰণ প্ৰেমত ঘূৰিছে ভূ-মণ্ডল। গতিকে প্ৰেমক বাদ দি কোনো মানুহ হ'ব নোৱাৰে। যাৰ হৃদয়ত প্ৰেম নাই, তেওঁ পাষাণ হ'ব লাগিব। কবি মানস দত্তৰ কবিতাত প্ৰেমৰ এক গুঞ্জন বৈ থাকে— 'হৃদয়ে হৃদয়ক বুজে/মনেহে মনক চিনে'— (প্ৰেমৰ উপমা) বা 'স্বাধীনতা আছে হেতুকে/প্ৰেমত পৰোঁ/মনটো সেউজ কৰি ৰাখোঁ/জীউটো পলসুৱা কৰি ৰাখোঁ।'— (আপুনিও প্ৰেমত পৰিব)

চাৰিকুৰি পৃষ্ঠাৰ 'হৃদয়ংগম হিয়াৰ কথাৰে' কাব্য গ্ৰন্থখনে আজিৰ কবিতা পাণ্ডুলিপি প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰিছে। কবি মানস দত্তৰ নিজা প্ৰচ্ছদপটে গ্ৰন্থখন শুৱনি কৰিছে যদিও কবিতাসমূহত বানান বিভ্ৰাট দেখা গৈছে। সেইদৰে বহু ক্ষেত্ৰত কিছু কবিতা বাহুল্যৰ দোষে চুই গৈছে। এইক্ষেত্ৰত কবি পৰৱৰ্তী




সময়ত সচেতন হ'ব বুলি ক'ব পাৰি। আনহাতে, সৰল ভাষাৰে কবিতাসমূহ কবি হৃদয়ৰ পৰা নিগৰি আহিছে যদিও ইয়াক অকল হৃদয়ৰ ভাষা নকৰি কিছু পৰিমাণে কবিয়ে কিছু কবিতাক পুনৰ নিৰ্মাণ কৰিব পৰা সুযোগ আছিল। উমেশ নাথৰ বৰ্ণবিন্যাসে আৰু সঞ্জয় বুক বাইণ্ডিং এণ্ড প্ৰিণ্টিং প্ৰেছত মুদ্ৰণ কৰা গ্ৰন্থখনৰ মূল্য ১২০/- টকা। মেজাংকৰি প্ৰকাশনে প্ৰকাশ কৰা গ্ৰন্থখনৰ প্ৰথম প্ৰকাশ হৈছে ২০২২ চনৰ জানুৱাৰীত।

শেষত কবি মানস দত্তৰ কবিতাৰ এটি পংক্তিৰ আলমত আমি ক'ব বিচাৰোঁ মানস দত্তৰ কবিতা— 'কবিতাবোৰে গীত জোৰে/বতাহৰ কোহত/কবিতাবোৰে অভিমান কৰে/ৰ'দৰ তাপত' দৰে মানসৰ কবিতাবোৰ পাঠকে আদৰি ল'ব 'শব্দৰ ৰং ঢালি দিয়া প্ৰেমিক'ৰূপে তাৰে কামনা কৰিলোঁ।

'হৃদয়ংগম (হিয়াৰ কথাৰে)
মানস দত্ত, মূল্য ১২০/- টকা
প্ৰথম প্ৰকাশ, জানুৱাৰী/২০২২
প্ৰকাশক ঃ মেজাংকৰি প্ৰকাশন
ফোন ঃ ৮০১১৫৯০৩৭৯

# গল্প ঃ নাটক

■প্ৰণৱ চক্ৰৱৰ্ত্তী

নতুন আচামী দেখোন বে... কিয় আহিব লগা হ'ল? ইমৰানৰ গলগলীয়া মাতটোত চক্ খাই উঠিল সঞ্জীৱ। কাৰাগাৰৰ অচিনাকি পৰিৱেশত এটা ৰাতি নোশোৱাকৈ কটোৱাৰ পাছত পুৱাৰ ৰোলকলৰ পিছতে কেম্পাচৰ ভিতৰৰ হাস্পতালৰ ছিৰিটোত বহি কিবাকিবি চিন্তা কৰি আছিল সঞ্জীৱে। বাকীবোৰ নিজৰ নিজৰ কামত ব্যস্ত। সি কল্পনা কৰা জে'লৰ ছবিখনতকৈ বহু পৃথক ইয়াৰ ভিতৰৰ দুনীয়া। ইমৰানে আচামী বুলি কওঁতে তাৰ মুঠেও ভাল নালাগিল যদিও মাত দিয়া কোনোবা এজন পোৱাত জোৰকৈ মিচিকিয়া হাঁহি এটা উলিয়াব চেষ্টা কৰিও নোৱাৰি লাহেকৈ ক'লে সেইবোৰ বহুত কথা দিয়ক দাদা।

নাম কি তোৰ- আকৌ একেই গলগলীয়া মাতটো ভাহি আহিল।

সঞ্জীৱ। সঞ্জীৱ চক্ৰৱৰ্তী।

মই ইমৰান। ইয়াত চবেই ৰানাদা বুলি মাতে। তই বাঙালী ন? আৰু এটা কথা তই বুলি কোৱা কাৰণে বেয়া নাপাবি, তহঁতক নিজৰ ভাইৰ নিচিনা লাগে।

সঞ্জীৱে লক্ষ্য কৰিলে, এই ইমৰান বোলা হটঙা মানুহটোৱে কথা ক'লেই কিবা নাটকৰ সংলাপ কৈ থকা যেন লাগে, মানুহটো চাগে ইণ্টাৰেষ্টিং হ'ব।

কিৰে বাঙালী বাবু, কিচ্ছু বলিচ না কেন? ইমৰানৰ মাতটো আকৌ ভাহি আহিল।

নাই দাদা, আপুনি ভবাৰ দৰে মই বাঙালী নহয়, খাটি অসমীয়া।

আচ্ছা, আচ্ছা বুলি ইমাৰন সঞ্জীৱৰ কাষতে বহি ল'লে। অলপ সময় কাৰো মুখত মাতবোল নাই। আকৌ ইমৰানেই আৰম্ভ কৰিলে- কিয় আহিলি নকলি যে। কৈ দে। মনটো পাতল হ'ব। ইয়াত আধাতকৈ বেছি নিৰ্দোষী মানুহ আচামী হৈ আছে। এই তেৰ বছৰে কিমান আহিল, কিমান গ'ল ঠিকনা নাই। কিন্তু এই ৰাণা ইয়াতে থাকি গ'ল।

তেৰ বছৰ- চক্ খাই উঠিল সঞ্জীৱ।

কিমানৰ যে কিমান কাহিনী এইখন দুনীয়াত।

ৰাণাদা, আপোনাক লগ পাই ভাল লাগিল। মই কালি আহিছো ইয়ালৈ। আচলতে উতনুৱা ডেকা বয়সত কৰা ভুল এটাৰ শাস্তি ভোগ কৰিব লগা হৈছে- সঞ্জীৱে ক'লে। ছোৱালীৰ লাফৰা নেকি হে- ইমৰানৰ মাতটো অলপ ডাঙৰকৈ ওলাল। মুখত এক ৰহস্যময় হাঁহি।

হয় দাদা বুলি সঞ্জীৱে আৰম্ভ কৰিলে- তেতিয়া প্ৰাগজ্যোতিষ কলেজত ডিগ্ৰী পঢ়ি আছো। লগৰ ছোৱালী এজনীৰ লগত প্ৰেম। প্ৰেম মানে ভীষণ প্ৰেম। ফাইনেল পৰীক্ষাৰ আগে আগে দুয়ো দুয়োকে এৰিব লগা হ'ব বুলি ভয় এটাই দুয়োকে খুলি খুলি খাইছিল। ঘৰৰ মানুহৰ লগত কোনো যোগাযোগ নকৰাকৈ দুয়ো গৈ কামাখ্যাত বিয়া পাতিলো।

মন্দিৰৰ পৰা দিয়া বিয়াৰ প্ৰমাণ-পত্ৰখন আৰু চিন হিচাপে বিয়াৰ মালা পিন্ধা ফটোকেইমান লৈ দুয়ো নিজৰ নিজৰ ঠাই পালো। সাংঘাতিক সকাহ। তেতিয়া মোবাইলৰ ব্যৱহাৰ এতিয়াৰ দৰে নাছিল বাবে দুয়োৰে কথা-বতৰা লগ পালেহে ভালকৈ হয়। লগ-বন্ধুকো তেনেকৈ আমি বিয়া পতা বুলি জনোৱা নাছিলো। লাজো লাগিছিল কিবা এটা। তাই কিন্তু মাহীয়েকৰ ছোৱালী এজনীক সকলো কৈছিল। পৰীক্ষা দি মই কাম বিচৰাত লাগিলো, তাই ঘৰলৈ গ'ল। তেতিয়ালৈ সকলো ঠিকেই আছিল। হঠাৎ এদিন কিবাকৈ তাইৰ ঘৰত কথাবোৰ গম পাই হাহাকাৰ লাগি গ'ল। মোকো মাক-দেউতাকে বৰ বেয়া ব্যৱহাৰ কৰিলে। আমাৰ যোগাযোগ প্ৰায় নোহোৱাৰ দৰেই হ'ল। ঘৰৰ মানুহে তাইক চোকা নজৰত ৰাখে। কথাতে কয় নহয় চকুৰ আঁৰ হ'লে মনৰো আঁৰ হয় বুলি, আমাৰো তেনেকুৱাই হ'ল। তাইৰো মন সলনি হ'ল, মোৰো কিবা সময় যোৱাৰ লগে লগে আমি হুৰমূৰকৈ লোৱা সিদ্ধান্তটো ভুল যেন লগা হ'ল। কেইবছৰমান তেনেকৈ গ'ল। হঠাৎ খবৰ পালোঁ ঘৰৰ পৰা তাইৰ বিয়া ঠিক কৰিছে। তাই কিন্তু মোক কথাবোৰ এবাৰো নজনালে। ময়ো ভাবিলো মিছাতে একো গণ্ডগোল নকৰো, তাইৰো বদনাম হ'ব। তাই সুখী হওক বুলিয়ে মনক কষ্ট দি হ'লেও মনে মনে ৰ'লোঁ। বিয়া হৈ যোৱাৰ পাছত তাইৰ খবৰ ল'বলৈ চেষ্টা কৰা নাছিলোঁ। আকৌ



কেইবছৰমান গ'ল। ঘৰৰ পৰাও মোকো মোৰ বিয়াখন পাতিবলৈ জোৰ দিয়া হ'ল। সাতে-পাঁচে বিয়াখন পাতিবলৈ ঠিক কৰি ঘৰৰ ওচৰৰে ছোৱালী এজনী পছন্দ কৰিলোঁ। বিয়াৰ দিন ঠিক হ'ল। মানুহ মাতিব আৰম্ভ কৰিলো। হঠাৎ এদিন ৰাতি পুলিচে ঘৰৰ পৰা উঠাই আনিলে। কি হ'ল একো তৰ্কিবই নোৱাৰিলোঁ।

মানে? পুলিচে তোক কিয় উঠালে- ইমৰানৰ মাতটো জোখতকৈ অলপ ডাঙৰকৈ ওলাল। নক'ব দাদা, মইহে তাইৰ খবৰ ৰখা নাছিলোঁ, তাই মোৰ খবৰ ৰাখিছিল- সঞ্জীৱে কৈ গ'ল। তাইৰ বোলে আকৌ বিয়া হ'ল- ইমৰানে সন্দেহৰ চকুৰে তালৈ চালে। বিয়া হৈছিল, বিয়াৰ দুবছৰ পাছত গিৰিয়েকে হেনো কিবা কাজিয়া লাগি তাইক ঘৰত থৈ গ'ল। সিফালে সি বেলেগ এজনীক আনিলে। তাইৰো দেউতাক ইতিমধ্যে ঢুকাল, মাকে সেই ল'ৰাজনক একো কৰিব নোৱাৰিলে। এতিয়া মোৰ বিয়া বুলি গম পাই তাই সেই আগৰ কামাখ্যাৰ বিয়াৰ ৰচিদ আৰু ফটো নি তাই থাকোতেই মই বেলেগ ছোৱালীক বিয়া পাতিব ওলোৱা বুলি কেছ দিছে। মই বৰ্বাদ হৈ গ'লোঁ দাদা। বিয়াখনো ভাগিল, বদনামো হ'ল। সেইফালে তাইৰ লগতো সংসাৰ কৰিবলৈ মানসিক প্ৰস্তুতি একেবাৰেই নাই- কৈ কৈ ফেঁকুৰি উঠিল সঞ্জীৱ চক্ৰৱৰ্তীয়ে। ইণ্টাৰেষ্টিং কাহিনী দেখোন, তই প্ৰেমৰ প্ৰায়শ্চিত্ত কৰি আছ নে তোক প্ৰেমে পোষ্টমৰ্টেম কৰি আছে একো ধৰিবই নোৱাৰি। ভাল নাটক এখন হ'ব পাৰে এইটো কাহিনীৰে... হাহাহাহা বুলি ৰহস্যময় হাঁহিটো মাৰি ইমৰান আঁতৰি গ'ল সঞ্জীৱৰ কাষৰ পৰা।

ফোন ঃ ৯৮৬৪১-৪৯৬৬৪

### বাক্সাৰ বৰবৰীত নাবালিকাক ধৰ্ষণ

## সোধা-পোছাৰ বাবে আটক অভিযুক্ত ইমৰান আলীৰ দুই ভাতৃক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২ জুলাই ঃ** সভ্য সমাজক লজ্জাবনত কৰা এক জঘন্য ঘটনা সংঘটিত হয় বাক্সা জিলাৰ বৰবৰী আৰক্ষী থানাৰ অন্তৰ্গত মুক্তিপুৰত। এগৰাকী নাবালিকাৰ এটা পাষণ্ডই ধৰ্ষণ কৰা ঘটনা পোহৰলৈ আহে। ঘটনাটো সংঘটিত হয় জিলা খনৰ বৰবৰী আৰক্ষী থানাৰ অন্তৰ্গত মুক্তিপুৰত। আজি এই সম্পৰ্কে ভুক্তভোগী নাবালিকাৰ পিতৃ-মাতৃয়ে জানিবলৈ দিয়া অনুসৰি ইমৰান আলী নামৰ এটা পাষণ্ডই নাবালিকাগৰাকীক তেওঁৰ কাষলৈ ফুচুলাই নি পিছত মুখত সোপা দি ঘন জংঘলৰ মাজলৈ টানি নি উপৰ্যুপৰি ধৰ্ষণ কৰে। নাবালিকাগৰাকীক পিতৃ-মাতৃয়ে বহু সময় ধৰি দেখা নোপোৱাত স্থানীয় লোকৰ সৈতে বিচাৰ-খোঁচাৰ কৰে। স্থানীয় লোকৰ সৈতে নাবালিকাগৰাকীৰ পিতৃয়েও বিচাৰ- খোঁচাৰ কৰাত ঘন জংঘলত নাবালিকা গৰাকীক ধৰ্ষণ কৰি থকা প্ৰত্যক্ষ কৰে। নাবালিকাৰ পিতৃক দেখাৰ লগে লগে পলায়ন কৰে ধৰ্ষণকাৰী ইমৰান আলীয়ে। ইয়াৰ পিছতে ঘটনা সন্দৰ্ভত ভুক্তভোগী পৰিয়ালটোৱে বৰবৰী আৰক্ষী থানাত ইমৰান আলীৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। পৰিয়ালৰ এজাহাৰৰ ভিত্তিত ধৰ্ষণকাৰী ইমৰান আলীৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰে। ঘটনা সন্দৰ্ভত বৰবৰী আৰক্ষীয়ে ইমৰানক গ্ৰেপ্তাৰৰ বাবে অভিযান চলায়। আৰক্ষীয়ে অভিযুক্তৰ দুই ভাতৃক আটক কৰে যদিও সম্প্ৰতি পলাতক হৈ আছে মূল অভিযুক্ত ইমৰান আলী। জানিব পৰা মতে ধৰ্ষণকাৰী ইমৰান আলী পেছাত এজন ট্ৰেক্টৰ চালক। ধৰ্ষণকাৰী ইমৰানক উচিত শাস্তি দিয়াৰ দাবী জনায় ভুক্তভোগী দুখীয়া পৰিয়ালটোৱে।

# তামুলপুৰৰ কুমাৰীকাটাত অসম পুলিচ মুৰ্দাবাদ ধ্বনিৰে উত্তাল প্ৰতিবাদ কেইবাটাও ছাত্ৰ সংগঠনৰ

### প্ৰতিবাদত ভাগ ল'লে মহিলা সমিতি আৰু জ্যেষ্ঠ নাগৰিকেও




**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২ জুলাই ঃ** তামুলপুৰ জিলাৰ কুমাৰীকাটাত আজি আৰক্ষীৰ বিৰুদ্ধে পুনৰ প্ৰতিবাদমুখৰ হ'ল আছুকে ধৰি কেইবাটাও জাতীয় ছাত্ৰ সংগঠন। ২৪ জুনৰ নিশা বাক্সা জিলা আছুৰ সাধাৰণ সম্পাদক ডুলুজিৎ দাসক নিজ গৃহ অভিমুখে গৈ থকা অৱস্থাত কুমাৰীকাটাত কুমাৰীকাটা আৰক্ষীয়ে তালাচীৰ নামত শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলোৱাই নহয়, কুমাৰীকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ সন্মুখতে এজন সুৰামত্ত সহকাৰী উপ-পৰিদৰ্শকে আনকি সুৰাপান কৰা বুলিও অভিযোগ কৰি স্থানীয় ৰাজ্যিক চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষা কৰোৱাইছিল। এই ঘটনাক কেন্দ্ৰ কৰি পৰৱৰ্তী সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকাৰ নেতৃত্বত তামুলপুৰ মহকুমা ছাত্ৰ সন্থা আৰু বাক্সা জিলা ছাত্ৰ সন্থাই আৰক্ষী বিষয়াদ্বয়ৰ ওপৰত তদন্তৰ জৰিয়তে শাস্তিৰ দাবী উত্থাপন কৰি তামুলপুৰ জিলা আৰক্ষী অধীক্ষকৰ ওচৰত স্মাৰক-পত্ৰ প্ৰদান কৰিছিল। এই লৈ আৰক্ষী অধীক্ষক আৰু আছুৰ মাজত আলোচনাও অনুষ্ঠিত হৈছিল আৰু আলোচনাত তদন্তৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল যদিও সেই প্ৰতিশ্ৰুতি পূৰণ কৰা নহ'ল। আছুৱে ২৪ ঘণ্টাৰ ভিতৰত তদন্ত কৰি দোষী আৰক্ষী বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰি অন্যথা প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ হুংকাৰ প্ৰদান কৰিছিল। আজি তামুলপুৰ মহকুমা ছাত্ৰ সন্থা আৰু কুমাৰীকাটা আঞ্চলিক ছাত্ৰ সন্থাৰ আহ্বানত বৃহত্তৰ কুমাৰীকাটা অঞ্চলৰ কেইবাটাও জাতীয় ছাত্ৰ সংগঠনৰ লগতে স্থানীয় মহিলা সমিতি, জ্যেষ্ঠ নাগৰিক, ব্যৱসায়ী সন্থাৰ সহযোগত কুমাৰীকাটা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সন্মুখত দিনৰ ১১ বজাৰ পৰা ১ বজালৈ ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অৱস্থান ধৰ্মঘটত অংশগ্ৰহণকাৰীসকলে অসম পুলিচ হায় হায়, মুখ্যমন্ত্ৰী হুঁচিয়াৰ, পুলিচৰ দাদাগিৰি নছলিব, গৃহ বিভাগ হায় হায়, ছাত্ৰ ঐক্য জিন্দাবাদ, দোষী আৰক্ষী বিষয়াক শীঘ্ৰে গ্ৰেপ্তাৰ কৰক আদি শ্ল'গানেৰে কুমাৰীকাটাৰ পৰিৱেশ উত্তাল কৰি তোলে। আজি প্ৰতিবাদস্থলীৰ পৰাই ছাত্ৰ সংগঠন আৰু স্থানীয় নাগৰিকৰ হুংকাৰ— যদি ইয়াৰ পিছত আৰক্ষী প্ৰশাসনে দোষী বিষয়াৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ নকৰে পৰৱৰ্তী পৰ্যায়ত আন্দোলন আৰু অধিক তীব্ৰতৰ হ'ব। আজি অৱস্থান ধৰ্মঘট কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকা, আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক অপূৰ্ব দাস, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ৰিয়াজুদ্দিন আহমেদ, সদৌ বাক্সা জিলা আছুৰ সভাপতি গোবিন্দ শৰণীয়া, তামুলপুৰ মহকুমা আৰু কুমাৰীকাটা আঞ্চলিক আছুৰ নেতৃবৃন্দৰ লগতে বাক্সা জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মাধৱ চেত্ৰী, তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি পূৰ্ণ সিং ৰাভা, বৰ্মন কছাৰীৰ জয়চন্দ্ৰ বৰ্মন, আট্ছাৰ ধনুচ মহালি, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ধ্ৰুৱজ্যোতি বায়ন, কোচ-ৰাজবংশীৰ মহিকান্ত বৰ্মন, শৰণীয়া কছাৰীৰ দিলেশ্বৰ ডেকা, বাঙালী ফেডাৰেচন, কুমাৰীকাটা মহিলা মঞ্চ, জ্যেষ্ঠ নাগৰিক মঞ্চকে ধৰি বহু দল-সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পিছত জিলা প্ৰশাসনৰ জৰিয়তে অসমৰ আৰক্ষী সঞ্চালক প্ৰধানলৈ দোষী আৰক্ষী বিষয়াৰ শাস্তিৰ দাবীত এখন স্মাৰক-পত্ৰ প্ৰদান কৰা হয়।

## জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী কাৰ্যবাহী অভিযন্তা সূৰ্য কুমাৰ শইকীয়াৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২ জুলাই ঃ** তেজপুৰৰ জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী কাৰ্যবাহী অভিযন্তা তথা নগাঁও



চহৰৰ মৰিকলং সেউজ নগৰ নিৱাসী সূৰ্য কুমাৰ শইকীয়া (৬৫)ৰ আজি পুৱা ৫ বজাত গুৱাহাটীত দেহাৱসান ঘটে। শইকীয়া বহুদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল। তেওঁৰ বিয়োগত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত বিষয় শিক্ষয়িত্ৰী পত্নী গীতা মহন্ত শইকীয়া, একমাত্ৰ কন্যাকে ধৰি বহু আত্মীয়-স্বজনক এৰি যায়।

# 'প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ' অধীনত শালিধান আৰু মাটিমাহৰ বীমাকৰণৰ বাবে কৃষক ৰাইজক আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ জুলাই ঃ** প্ৰাকৃতিক দুৰ্যোগৰ ফলত সৃষ্টি হোৱা শস্যৰ লোকচান বা ক্ষতিসমূহৰ পৰা কৃষকক সুৰক্ষা দিয়াৰ উদ্দেশ্যে ভাৰত চৰকাৰে 'প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা' শীৰ্ষত এখন আঁচনি ৰূপায়ন কৰি আহিছে। আজাদী কা অমৃত



মহোৎসৱ'ৰ লগত সংগতি ৰাখি নগাঁও জিলাৰ কৃষি বিভাগৰ উদ্যোগত ১ জুলাই পৰা ৭ জুলাই লৈকে প্ৰধানমন্ত্ৰী "শস্য বীমা সপ্তাহ" পালন কৰা হৈছে। ইয়াৰে অংশ হিচাপে আজি নগাঁও জিলাৰ উপায়ুক্ত নিসৰ্গ হিৱৰেই পতাকা জোকাৰি প্ৰচাৰ অভিযানৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। এই অনুষ্ঠানত উপস্থিত থাকে নগাঁও জিলা কৃষি বিষয়া তৰুণ হাজৰিকা, নডেল বিষয়া ভদ্ৰ কুমাৰ বৰা, জেষ্ঠ কৃষি উন্নয়ন বিষয়াদ্বয় অসীম কুমাৰ নাথ আৰু বুবুল শৰ্মাৰ লগতে ইণ্ডুৰেন্স কোম্পানীৰ বিষয়ববীয়াসকল। শস্যবীমা কৰিব বিচৰা কৃষকসকলে আধাৰ কাৰ্ড, মাটিৰ প্ৰমাণ-পত্ৰ আৰু বেংক পাছবুকৰ জেৰক্স কপি জমা দি আবেদন কৰিব পাৰিব। এই আঁচনিৰ অধীনত প্ৰতি হেক্টৰ কৃষি ভূমিলৈকে কৃষকসকলে মাত্ৰ ১০০ টকাকৈ প্ৰিমিয়াৰ দিব লাগে আৰু প্ৰিমিয়ামৰ বাকী অংশ চৰকাৰে বহন কৰে। শালিধানৰ শস্যৰ ক্ষয়-ক্ষতিৰ বাবে কৃষকসকলে প্ৰতি হেক্টৰ শস্যত সৰ্বোচ্চ ৬৭,৯২০ টকালৈকে ক্ষতিপূৰণ লাভ কৰিব পাৰে। শালিধানৰ বাবে আবেদন জনোৱাৰ অন্তিম তাৰিখ হৈছে ৩১ জুলাই আৰু মাটিমাহৰ বাবে অন্তিম তাৰিখ হৈছে ১০ ছেপ্টেম্বৰ। নগাঁও জিলাৰ বাবে শস্য বীমাকাৰী প্ৰতিষ্ঠানটো হৈছে 'ফিউচাৰ জেনেৰেলী ইণ্ডিয়া ইঞ্চুৰেন্স কোম্পানী'। নগাঁও জিলাৰ কৃষি বিষয়া তৰুণ হাজৰিকাই জিলাখনৰ কৃষকসকলক 'প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ' জৰিয়তে শালিধান আৰু মাটিমাহৰ খেটিডৰা বীমা কৰি ক্ষতিৰ পৰা শংকামুক্ত হ'বলৈ অনুৰোধ জনায়। কৃষকসকলক বীমাৰ আবেদন কৰিবৰ বাবে জিতুচ সোম (দূৰভাষ: ৮৬৩৮০১৮১৬২ / ৮৪৫৩৮৮৯৬১১), প্ৰজেক্ট মেনেজাৰ 'ফিউচাৰ জেনেৰেলী ইণ্ডিয়া ইঞ্চুৰেন্স কোম্পানী' আৰু পৰাগ তামুলী (৭০০২৩৩৩১০৭), জিলা সমন্বয়ক, এগ্ৰি বুক কোম্পানীৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হ'ল।

# অজিত কুমাৰ ভূঞাৰ দৰে পাৱত গজা, নপতা ফুকন ৰাজনৈতিক নেতাই মিথ্যাচাৰ আৰু অপপ্ৰচাৰ চলাই অসমৰ ৰাইজক বিভ্ৰান্ত কৰিব নোৱাৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ জুলাই ঃ** ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাই ভাৰতীয় জনতা পাৰ্টীৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিবৰ কাৰণে সক্ষম নহ'ল। ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ সুভাষ দত্ত, মনোজ বৰুৱা আৰু জানকী খাউণ্ডে পুনৰ সাংসদ অজিত কুমাৰ ভূঞাক উভতি ধৰি তেখেতে মিথ্যাচাৰ আৰু অপপ্ৰচাৰত লিপ্ত হৈছে বুলি অভিযোগ উত্থাপন কৰিছে। অজিত কুমাৰ ভূঞাই দাবী কৰিছিল যে বানবিধ্বস্ত অঞ্চলৰ সাহায্য শিবিৰত ১০ দিনত কোনোবা এটা শিবিৰত ১ কেজি চাউল, ১পোৱা দাইল আৰু ১০০ গ্ৰাম মিঠাতেল প্ৰদান কৰা হৈছিল। আমি ভূঞাক প্ৰত্যাহ্বান জনাইছিলোঁ যে তেখেতে শিবিৰটোৰ নাম, তাত থকা ব্যক্তিসকলৰ নাম ৰাজহুৱা কৰিব লাগে আৰু যোৱাকালি আমি দেখিব পালোঁ যে তেখেতে আমাৰ এই প্ৰত্যাহ্বান গ্ৰহণ কৰাৰ নামত যিখন সংবাদমেল অনুষ্ঠিত কৰিলে তাত মূল বিষয়ৰ পৰা ফালৰি কাটি গৈ তেখেতে চালে-বেৰে কোবোৱা মিছা কথাৰে পুনৰ গোটেই বিষয়টো ধূসৰিত কৰাৰ অপচেষ্টাত লিপ্ত হ'ল। আমি অজিত কুমাৰ ভূঞাক পুনৰ প্ৰত্যাহ্বান জনাইছোঁ তেখেতে যিদৰে অভিযোগ কৰিছে সেইদৰে অসমত বান সাহায্যৰ কাৰণে কোনোধৰণৰ অভাৱ হোৱা নাই। বৰ্তমান বান সাহায্যৰ বাবে ৰাজ্যৰ বান বিধ্বস্ত জিলাসমূহত পৰ্যালোচনা চলি আছে আৰু বান সাহায্যৰ ক্ষেত্ৰত কোনো বিষয়া অথবা কৰ্মচাৰীয়ে দুৰ্নীতিত লিপ্ত হৈছে সেইসকলৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। আমি পুনৰ দোহাৰিছোঁ যে ৰাজ্যখনত বৰ্তমানলৈকে ২ হাজাৰ ৬২ কোটি টকা এছডিআৰএফৰ ফাণ্ড, কেন্দ্ৰীয় চৰকাৰৰ অংশৰ ৯০ শতাংশ ৰাজ্যখনলৈ মুকলি কৰি দিছে। দুৰ্যোগ ব্যৱস্থাপনা আইন ২০০৫ৰ ধাৰা ৪৮(১) (ক) অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ অংশৰ ২০১৮-১৯ বিত্তীয় বৰ্ষত ৪৭৮.৮০ কোটি ২০১৯-২০ বিত্তীয় বৰ্ষত ৫০৩.১০ কোটি, ২০২০-২১ বিত্তীয় বৰ্ষত ৭৭২ কোটি আৰু ২০২১-২২ বিত্তীয় বৰ্ষত ৩০৮.৮০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে অসমলৈ মুকলি কৰি দিছে। অজিত কুমাৰ ভূঞাই জনা উচিত যে এছ ডি আৰ এফৰ ধন যদি কম হয় অথবা এছ ডি আৰ এফৰ ধনেৰে যদি বান পৰিস্থিতিৰ লগত মোকাবিলা কৰিবলৈ সক্ষম নহয়। তেতিয়াহ'লে এন ডি আৰ এফৰ ফাণ্ড কেন্দ্ৰীয় চৰকাৰে মুকলি কৰে। যিহেতু আজি তাৰিখলৈকে এছ ডি আৰ এফৰ পুঁজিৰ ধন পৰ্যাপ্ত পৰিমাণে ৰাজ্য চৰকাৰলৈ মুকলি কৰি দিছে, সেয়ে এন ডি আৰ এফৰ ধন বৰ্তমানলৈকে মুকলি কৰি দিয়া নাই। ভাৰতীয় জনতা পাৰ্টীৰ মুখপাত্ৰকেইজনে পুনৰ অজিত কুমাৰ ভূঞাক সকীয়াই কয় যে তেখেতে মিথ্যাৰ আশ্ৰয় লৈ তথ্যৰ অপভ্ৰংশ কৰি ৰাইজৰ মাজত নেতিবাচক কথাসমূহ প্ৰচাৰ কৰি আছে, তাৰ বিপৰীতে তেখেতে বানবিধ্বস্ত ৰাইজৰ কাষত থিয় দিয়া উচিত। তেখেতৰ দৰে এজন ব্যক্তিয়ে বানবিধ্বস্ত অঞ্চলৰ ৰাইজৰ কাষলৈ যাবৰ বাবে হেলিকপ্টাৰ বিচৰাতো হাস্যকৰ আৰু লজ্জাজনক। গতিকে বানপানী চাবলৈ হেলিকপ্টাৰ বিচাৰি তেখেতে নিজৰ উচ্চাকাংক্ষা প্ৰমাণিত কৰিছে। মুখপাত্ৰত্ৰয়ে কয়, গণভিত্তিহীন, কাগজৰ বাঘ, নপতা ফুকন তথা 'কা' আন্দোলনৰ গহনা লৈ সংসদলৈ যোৱা অজিত কুমাৰ ভূঞাৰ দৰে পাৱত গজা ৰাজনৈতিক নেতাই মিথ্যাচাৰ আৰু চূড়ান্ত অপপ্ৰচাৰৰ বাদে জীৱনত আন একো কৰিয়েই নাপালে। সেয়ে অপপ্ৰচাৰৰ মহানায়ক অজিত কুমাৰ ভূঞাৰ পৰা এনে আচৰণ স্বাভাৱিক। লগতে ৰাজ্যিক বিজেপিৰ মুখপাত্ৰকেইজনে অজিত কুমাৰ ভূঞাৰ বক্তব্যক খণ্ডন কৰি কয় যে এতিয়াও কৈছোঁ যদি কোনোবা বান শিবিৰত এছডিআৰএফৰ নীতি তথা ৰিলিফ মেনুৱেল মতে যদি খাদ্য-সামগ্ৰী পোৱা নাই, সেয়া তথ্যসহকাৰে তেখেতে প্ৰদান কৰক। সেই বিষয়া, কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। কিন্তু প্ৰত্যাহ্বান গ্ৰহণ নকৰি তেখেতে অবিযোগ প্ৰমাণ নকৰি চালে-বেৰে কোবাই থাকিলে ৰাজ্যৰ বানাক্ৰান্ত ৰাইজে সকাহ নাপায়। ইয়াৰ বিপৰীতে তেখেতে সময়ৰ সদ্ব্যৱহাৰ কৰি বানপীড়িত ৰাইজৰ কাষত থিয় দিয়ক তেখেতসকলক সাহায্য প্ৰদান কৰক।

## বিধায়ক তথা মন্ত্ৰী বিমল বড়াৰ লেঙেৰী মৌজাৰ বুঢ়ীদিহিং নদীৰ বানবিধ্বস্ত অঞ্চল পৰিদৰ্শন



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২ জুলাই ঃ** অসম বিধান সভাৰ ১১৯নং টিংখং সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী বিমল বৰাই আজি সমষ্টিটোৰ অন্তৰ্গত মৰাণ ৰাজহ চক্ৰৰ অন্তৰ্গত লেঙেৰী মৌজাৰ বুঢ়ীদিহিং নদীৰ ভয়াবহ গৰাখহনীয়া আৰু বানবিধস্ত ২নং ভৰালীবাৰী কলিতা গাৱঁৰ সমস্যা পৰিদৰ্শন কৰি ৰাইজৰ সৈতে মত- বিনিময় কৰে। ডিব্ৰুগড় জিলা বুঢ়ীদিহিং নদীৰ গৰাখহনীয়াগ্ৰস্ত ২নং ভৰালীবাৰী কলিতা গাওঁ খনৰ অতিশয় জ্বলন্ত গৰাখহনীয়া জিঅবেগ পদ্ধতিৰে প্ৰতিৰোধ কৰা আশ্বাস প্ৰদান কলে। সদ্যহতে বাহঁৰ পাৰ্কু পাইনৰ দি খহনীয়া প্ৰতিৰোধ কৰাৰ পদক্ষেপ গ্ৰহণ কৰা, 'গাওঁখন বানত ক্ষতিগ্ৰস্ত খেতিপথাৰৰ ক্ষতিপূৰণ 'গাওঁখন মাটিৰ ম্যাদীকৰণ 'যাতায়ত পথ নিৰ্মাণকে ধৰি গাওঁ খন সুৰক্ষিত কৰাৰ সকলো সমস্যা সমাধানৰ আশ্বাস প্ৰদান কৰে।পৰিদৰ্শন কালত মন্ত্ৰী গৰাকীৰ সৈতে ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বিজৎ পেগুৱে ২নং ভৰালীবাৰী গাৱঁৰ সকলো বিলাক সমস্যা জিলা প্ৰশাসনৰ তৰফৰ পৰা সমাধান কৰাৰ সন্দৰ্ভত পদক্ষেপ গ্ৰহণ কৰিব বুলি ৰাইজৰ আগত প্ৰকাশ কৰে।ডিব্ৰুগড় জিলাৰ জলসম্পদ বিভাগৰ বিভাগীয় অভিযন্তা বিষয়া মৰাণ ৰাজহচক্ৰ বিষয়াকে ধৰি কৃষিবিভাগৰ বিষয়া কৰ্মচাৰী আদি কৰি বিভিন্ন বিভাগৰ বিষয়া সকলে পৰিদৰ্শন কালত টিংখং বিধায়ক তথা মন্ত্ৰী গৰাকীক সংগ দিয়ে। উল্লেখ্য, মন্ত্ৰী গাড়ী নোযোৱা ঠাইত টে'ৰে গৈ গাওঁখনৰ সমস্যা পৰিদৰ্শন কৰে।

## নিৰ্বাচিত পাৰিষদ মন্টু বড়োৰ শপত গ্ৰহণ

### ৰাইজৰ হৈ কাম কৰি যোৱাৰ আশ্বাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২ জুলাইঃ** বিটিআৰৰ বাক্সা জিলাৰ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনত বিজয়ী হোৱা ইউপিপিএলৰ প্ৰাৰ্থী মন্টু বড়োই আজি আনুষ্ঠানিকভাৱে শপতবাক্য পাঠ কৰে। বিটিচিৰ বিধান পৰিষদৰ প্ৰেক্ষাগৃহত শপতবাক্য অনুষ্ঠানত বিটিচি বিধান পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়োৱে শপতবাক্য পাঠ কৰায়। শপতবাক্য পাঠ কৰাৰ পাছত নৱ-নিৰ্বাচিত পাৰিষদ মন্টু বড়োৱে কয় যে মোৰ এই জয় ৰাইজৰ জয়। সমষ্টিটোৰ উন্নয়নৰ কাৰণে ৰাইজে মোক বিশ্বাসত লৈ মোক নিৰ্বাচিত কৰিছে। গতিকে ৰাইজৰ অভাৱ-অভিযোগসমূহ পূৰ্ণ কৰি সমষ্টিৰ উন্নয়ন কৰাই প্ৰধান লক্ষ্য বুলি মন্তব্য কৰে। অনুষ্ঠানত উপস্থিত থকা লৰেন্স ইছলাৰীয়ে কোকলাবাৰী সমষ্টিত ইউপিপিএল দলে যৌথভাৱে প্ৰাৰ্থিত্ব আগবঢ়াই ছিল। সেই হিচাপে ইউ পি পি এল দল বিজয়ী হৈছিল। উল্লেখ্য, উক্ত সমষ্টিৰ পৰা বৰ্তমানৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই তামুলপুৰ আৰু কোকলাবাৰীৰ পৰা নিৰ্বাচিত হৈছিল। পাছত কোকলাবাৰী পৰিষদীয় আসনখন প্ৰমোদ বড়োই এৰি দিয়াত কোকলাবাৰী আসনখন খালী হৈ আছিল। শপত গ্ৰহণ অনুষ্ঠানত মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো প্ৰমুখ্যে আটাইকেইজন ই এম,জিএম উপস্থিত আছিল।

## দলগাঁৱৰ কোনাকাটাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সভাপতিবাছনিত অনিয়মৰ অভিযোগ

### বিদ্যালয়ৰ পৰিদৰ্শকক অভিযোগ দাখিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ২ জুন ঃ** দৰঙৰ দলগাঁৱত একাংশ বিদ্যালয়ত পৰিচালনা সমিতিৰ সভাপতি বাছনি কৰাক লৈ অনিয়মৰ অভিযোগ উত্থাপিত হৈ থকাৰ মাজতে এইবাৰ পুনৰ আন এক অনিয়মৰ তথ্য পোহৰলৈ আহিছে দলগাঁৱৰ কোনাকাটাপাৰা উচ্চ মাধ্যমিক বিদ্যালয় খনতঞ্জ । বিদ্যালয় খনৰ পৰিচালনা সমিতিৰ সভাপতি বাছনিঞ্জ কৰাক লৈ অনিয়ম সংঘটিত কৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে, চলিত বৰ্ষৰ ৩ মে' তাৰিখে বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ Memo no IS/DAR/ RMSA/SMDC FORMATIONû2016/Pt-/23-32 মৰ্মে কোনাকাটাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে আব্দুছ ছালামক নিৰ্বাচিত কৰি পত্ৰযোগে প্ৰেৰণ কৰে। সভাপতি পদৰ বাবে বিদ্যালয়খনৰ প্ৰধান শিক্ষকে চাৰি-পাঁচজনীয়া এখন তালিকা বনাই বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ত প্ৰেৰণ কৰে যদিও উক্ত তালিকাত উচ্চ শিক্ষিত তথা উপযুক্ত প্ৰাৰ্থী থকাৰ পিছতো বিগত দিনত সভাপতি হৈ থকা অৱস্থাত মধ্যাহ্ন ভোজন আৰু আন্তঃগাঁথনিৰ টকা আত্মসাৎ কৰাৰ অভিযোগ থকা আব্দুছ ছালামক পুনৰ সভাপতি হিচাপে নিৰ্বাচিত কৰাত সহজভাৱে মানি ল'ব পৰা নাই উচ্চশিক্ষিত যুৱক তথা একাংশ ৰাইজে। যিজন ব্যক্তিৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীৰ ঐক্য পোছাকৰ টকা আত্মসাৎ কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে, তেনে ব্যক্তিকে পুনৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰা কাৰ্যক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে অঞ্চলটোৰ ৰাইজৰ মাজত। এনে ব্যক্তিয়ে বিদ্যালয়খনৰ কি উন্নয়ন কৰিব বুলিও প্ৰশ্ন উত্থাপন কৰি বিদ্যালয়সমূহৰ পৰিদৰ্শকক ৰাইজৰ স্বাক্ষৰিত এখন অভিযোগ দাখিল কৰে। আব্দুছ ছালামক সভাপতি পদৰ পৰা আঁতৰাই সৎ, নিকা তথা উচ্চ শিক্ষিত ব্যক্তিক সভাপতি হিচাপে নিযুক্তি দিয়াৰ দাবী জনাইছে স্থানীয় ৰাইজে।

## সুমন্তৰাজ ডেকাৰ বাসগৃহত বিহু সুৰক্ষা সমিতি, অসম আৰু সাংস্কৃতিক মহাসভা

### ফোনযোগে শুভেচ্ছা জ্ঞাপন বিহু সুৰক্ষা সমিতি, অসমৰ সম্পাদকপ্ৰধান পৱিত্ৰ মহন ফুকনৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২ জুলাই ঃ** বিহু বিষয়ৰ পাঠ্যক্ৰমটিত অধ্যয়ন কৰি অসম উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হোৱা দৰং জিলাৰ মঙলদৈ জ্ঞান বিকাশ একাডেমীৰ ছাত্ৰ তথা জলজলী গৰিয়াপাৰাৰ বাসিন্দা হৃদয়ানন্দ ডেকাৰ পুত্ৰ সুমন্তৰাজ ডেকাৰ বাসগৃহত উপস্থিত হৈ জাতীয় চানেকি স্বৰূপ এখনি ফুলাম গামোচা এটি সৰুদয়া জাপি, মিঠাই আৰু এটি গছৰ পুলিৰে অভিনন্দন জ্ঞাপন কৰে বিহু সুৰক্ষা সমিতি অসম আৰু সাংস্কৃতিক মহাসভাই। বিহু সুৰক্ষা সমিতি অসমৰ কৰ্ণধাৰ সদস্য তথা সাংস্কৃতিক মহাসভাৰ সভাপতি পৱিত্ৰ কুমাৰ শৰ্মাৰ লগতে সুমন্তৰাজ ডেকাৰ বাসগৃহত উপস্থিত হয় দৰংজিলা বিহু সুৰক্ষা সমিতিৰ সাংগঠনিক সম্পাদক অজয় ডেকা, সাংস্কৃতিক মহাসভাৰ সাধাৰণ সম্পাদক প্ৰদীপ কুমাৰ বৰা, সাংস্কৃতিক মহাসভা, অসমৰ সহকাৰী সম্পাদক মোস্তাক হুছেইন সাংস্কৃতিক মহাসভা অসমৰ মহানগৰ জিলা সমিতিৰ উপ-সভাপতি হৰেশ্বৰ ডেকা সন্মানীয় সদস্য শৰৎ কলিতা ,পৰম সন্মানীয় সদস্যা ড° স্নেহলতা চহৰীয়া অধিকাৰী উপস্থিত থাকি কীৰ্তিমান ছাত্ৰগৰাকীক অভিনন্দন জ্ঞাপন কৰে। ইফালে বিহু বিষয়টিক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ বাবে যথেষ্ট কষ্ট, ত্যাগ আৰু দেহেকেহে লাগি থকা বিহু সুৰক্ষা সমিতি অসমৰ প্ৰতিষ্ঠা বৰ্ষৰ পৰা বৰ্তমানলৈ সম্পাদক প্ৰধানৰ দায়িত্ব বহন কৰি থকা পৱিত্ৰ মহন ফুকনেও দৰং জিলা সমিতিৰ জৰিয়তে ফোনেযোগে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰি উজ্জ্বল ভৱিষ্যৎ কামনা কৰে।

**NAME CORRECTION**

My actual name is Ibrahim Ali, but my name has been recorded as MD Ibrahim ali in my some documents instead of Ibrahim Ali. By affidavit I correct my name as Ibrahim Ali.

Ibrahim Ali
C/o Late Sorhab Ali
Vill -Ata gaon
P.O.- -Saru tapa
P.S.- Barpeta
Dist. Barpeta
Pin -781352

# চৰাইদেউ জিলাৰ উপায়ুক্তৰ অধ্যক্ষতাত জিলা উন্নয়ন সমিতিৰ বৈঠক সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ২ জুলাই ঃ** চৰাইদেউ জিলাৰ উপায়ুক্ত পল বৰুৱাৰ অধ্যক্ষতাত আজি উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা উন্নয়ন সমিতিৰ বৈঠকখন অনুষ্ঠিত হয়। বৈঠকত উপায়ুক্তগৰাকীয়ে জনস্বাস্থ্য কাৰিকৰী, লোকনিৰ্মাণ (পথ আৰু গৃহ), ৰাষ্ট্ৰীয় ঘাইপথ, কৃষি, শিক্ষা, স্বাস্থ্য, জলসম্পদ, বন, ভূমি সংৰক্ষণ, জলসিঞ্চন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সমাজ কল্যাণ, ক্ৰীড়া, নগৰ উন্নয়ন, শক্তি আদি বিভাগৰ জৰিয়তে ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ অগ্ৰগতিৰ বিষয়ে বিস্তৃতভাৱে বুজ লয়। উপায়ুক্তগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰৰ অন্যতম গুৰুত্বপূৰ্ণ ধ্বজাবাহী আঁচনি জলজীৱন মিছনৰ কাম-কাজসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। 'অসম মালা' আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত ভূমি অধিগ্ৰহণৰ সমস্যা যাতে হেঙাৰ হৈ থিয় নিদিয়ে তাৰ ওপৰত বিশেষ দৃষ্টি ৰাখি লোকনিৰ্মাণ, কৃষি আৰু বন বিভাগক প্ৰয়োজনীয় সমন্বয় বজাই ৰাখি কাম কৰি যাবলৈ উপায়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে। তেওঁ ৰাইজৰ যাতায়াতৰ অসুবিধা দূৰ কৰাৰ লক্ষ্যৰে দলং মেৰামতি আৰু নিৰ্মাণৰ কাম ক্ষিপ্ৰতাৰে কৰাৰ পোষকতা কৰে। বৈঠকত উপায়ুক্তগৰাকীয়ে লোকনিৰ্মাণ (গৃহ) বিভাগক নতুনকৈ সংহত উপায়ুক্ত কাৰ্যালয়, আদৰ্শ আৱৰ্ত ভৱন আৰু সন্মিলন কেন্দ্ৰ নিৰ্মাণৰ বাবে প্ৰাককলন প্ৰস্তুত কৰিবলৈ কয়। তেওঁ শিক্ষা বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কালত বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰাৰ উদ্দেশ্যে এঘন্টাকৈ নিয়মীয়া ইংৰাজী আৰু অসমীয়া পঠনৰ শ্ৰেণী লোৱাৰ বাবে পৰামৰ্শ দিয়ে, যাতে ছাত্ৰ-ছাত্ৰীসকলে দুয়োটা ভাষাত সমানে দখল ৰাখিব পাৰে। তেওঁ বিদ্যালয়সমূহত শিক্ষাৰ গুণগত মান উন্নত কৰাত বিশেষ গুৰুত্ব প্ৰদান কৰে। উল্লেখ্য যে গৰমৰ বন্ধত জিলাখনৰ বিদ্যালয়সমূহত দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক ২০ ঘণ্টাৰ অতিৰিক্ত পাঠদান কৰা হ'ব। লগতে অহা ১৯ জুলাইৰ পৰা চাৰি দিনৰ বাবে গ্ৰীষ্মকালীন আৱাসিক শিবিৰো আয়োজন কৰা হৈছে। উপায়ুক্ত পল বৰুৱাই বন বিভাগক বৃহৎ হাৰত গছপুলি ৰোপণ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ কয়। উপায়ুক্তগৰাকীয়ে তেওঁৰ বক্তব্যত বিভাগীয় বিষয়াসকলক বৰ্তমানে ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ কাম-কাজ নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পন্ন কৰাৰ লগতে কাম-কাজৰ গুণগত মান বজাই ৰাখিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিদিত দাসে 'অমৃত সৰোবৰ' আঁচনিৰ প্ৰাৰম্ভিক কাম-কাজৰ আভাস দাঙি ধৰে। বৈঠকত অতিৰিক্ত উপায়ুক্ত জাবেদ আৰমান, সহকাৰী আয়ুক্তদ্বয় জাহ্নৱী গোস্বামী আৰু সমুজ্জ্বল বড়া, সোণাৰি পৌৰসভাৰ পৌৰপতি তিলক চন্দ্ৰ নেওগ, খণ্ড উন্নয়ন বিষয়াসকলৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

## মৰাণৰ খোৱাঙত ডিমৌ নদীত সন্ধানহীন যুৱক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২ জুলাই ঃ** ডিব্ৰুগড় জিলা মৰাণৰ খোৱাং দুলীয়া ডিমৌত ডিমৌ নদীত সন্ধানহীন এজন যুৱক। খোৱাং আৰক্ষী থানাৰ অন্তৰ্গত দুলীয়া ডিমৌত ডিমৌ নদীত আইতাকৰ পিণ্ড দিবলৈ আহি সন্ধানহীন হ'ল চাবুৱা মালোপথাৰৰ অনিকেশ সিং (১৭) নামৰ যুৱকজন। ধৰ্মীয় পৰম্পৰাৰে নদীত পিণ্ড দি গা ধুব যাওঁতেই ডিমৌ নদীৰ বাঢ়নী পানীৰ বুকুত সন্ধানহীন হয় যুৱকজন। যুৱকজনক উদ্ধাৰ কৰিবলৈ এছ ডি আৰ এফ বাহিনীয়ে অভিযান অব্যাহত ৰাখে যদিও সন্ধিয়া পৰলৈকে যুৱকজনৰ কোনো সন্ধান উলিয়াবলৈ সক্ষম নহ'ল। কাইলৈ পুনৰ উদ্ধাৰ অভিযান চলাব এছ ডি আৰ এফ বাহিনীয়ে। এই ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

## Information Wanted




Reference Tamulpur, P.S. Case No. 221/2016, U/S 366 (A) IPC Add. Sec. 370/372/373 IPC. Complainant Sri Chandu Soren, S/o Lt. Bhakta Soren of Village- Ekrajuli, PS & Dist- Tamulpur, Assam and reported that minor mission victim namely Miss Susmita Murmu, Age-10 years, D/o Si Nikalash Murmu of Ekrajuli, PS & Dist- Tamulpur, Assam, has been missing since 20/07/2016.

Any information of the above missing/kidnapping victim may be provided to the following telephone numbers of CID Office, Assam.

3. Supdt. of Police, CID, Assam = 0361 2529935
4. CID Office Control Room = 0361-2529782.

/
**Deputy Inspector General of Police, CID, Assam, Guwahati.**

Janasanyog /D/6697/22



লিজা ডেকা, সপ্তম শ্ৰেণী, ছেন্ট যোছেফ পাব্লিক স্কুল

# বন্যজন্তু, হাতী আৰু আমি

■ বন্দনা মহন্ত

মানুহ আৰু বন্যজন্তুৰ সংঘাতৰ বিষয়ে তোমালোকে নিশ্চয় শুনিছা। ইয়াৰ বাবে আমি মানুহবোৰেই দায়ী। পৃথিৱীত জীয়াই থাকিবলৈ সকলো প্ৰাণীৰেই অধিকাৰ আছে। প্ৰতিবিধ জীৱই মানুহক প্ৰত্যক্ষভাৱে নাইবা পৰোক্ষভাৱে সহায় কৰি আহিছে। জীৱশ্ৰেষ্ঠ মানুহে বন্য জীৱ-জন্তু হত্যা কৰি সিহঁতক সিহঁতৰ অধিকাৰৰ পৰা বঞ্চিত কৰি আহিছে।

জীৱ-জন্তু থাকিবলৈ ডাঙৰ হাবি বা অৰণ্যৰ প্ৰয়োজন। কিন্তু মানুহে সেই হাবিৰ গছ-গছনি কাটি তাত নিজে থাকিবলৈ ঘৰ সাজিছে। ফলত জীৱ-জন্তুবিলাকে ঠাইৰ অভাৱ অনুভৱ কৰিছে। সিহঁতে ঠাই বিচাৰি মানুহৰ ওচৰলৈ আহিবলৈ বাধ্য হৈ পৰিছে। এনেকৈয়ে মানুহ আৰু বনৰীয়া জীৱ-জন্তুৰ মাজত সংঘাত আৰম্ভ হয়।


তদুপৰি চোৰাং চিকাৰৰ কথা তোমালোকে হয়তো শুনিছা। চোৰাং চিকাৰ কৰাটো অপৰাধ। চোৰাং চিকাৰীৰ কবলত পৰি বহুতো অমূল্য জীৱ-জন্তুৰ ধ্বংস হৈছে। আনকি কিছুমান বন্যপ্ৰাণী পৃথিৱীৰ পৰাই হেৰাই গৈছে। চোৰাংকৈ হাতীৰ দাঁত আনিবলৈ নিৰপৰাধী হাতীক হত্যা কৰা হয়। গঁড়ৰ খগ্‌ড়ৰ বাবে গঁড় নিধন কৰা হয়। এনেদৰে আমি কিমান বন্যপ্ৰাণী হেৰুৱাইছো তাৰ হিচাব নাই। যিয়েই নেকি মানৱ সমাজক লজ্জানত কৰিছে। চোৰাং চিকাৰ বন্ধ হ'লেহে বহুতো নিৰপৰাধী জীৱ এই পৃথিৱীত জীয়াই থাকিব। মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত ৰোধৰ বহুতো উপায় আছে। যেনে- বনাঞ্চল ধ্বংস ৰোধ কৰি, জীৱ-জন্তুৰ আহাৰ হাবিৰ ভিতৰতে উৎপন্ন কৰি, গছ-গছনি ৰুই, প্ৰদূষণৰ কু-প্ৰভাৱ কমাই আমি মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত কমাব পাৰো। পৃথিৱীখন সেউজীয়া কৰি ৰখাৰ দায়িত্ব আমাৰ সকলোৰে।

তোমালোকে চাগে শুনিছা যে বনৰীয়া হাতী জাক পাতি ওলাই আহি মানুহৰ ঘৰ-দুৱাৰ ভাঙে আৰু পথাৰৰ শস্য খাই কেতিয়াবা ভয়ংকৰ পৰিস্থিতি সৃষ্টি কৰে। তাৰ বাবে প্ৰকৃততে আমিয়েই দায়ী। সিহঁতে খোৱাবস্তুৰ অভাৱ আৰু থকা ঠাইৰ অভাৱতহে তেনে কৰে। এতিয়া হাতীৰ বিষয়ে অলপ জানো আহঁা। বহু দিনৰ আগতে ডাঙৰ ডাঙৰ



হাবিবোৰত বিৰাটকায় ভয় লগা জন্তু ঘূৰি ফুৰিছিল। বহুত ডাঙৰ হোৱাৰ বাবে সিহঁতক ঠায়ো বহুত লাগিছিল আৰু খাদ্যও সৰহ পৰিমাণে লাগিছিল। এটা সময়ত সেই বিৰাটকায় প্ৰাণীবোৰৰ মৃত্যু হৈছিল। কিন্তু দুটা প্ৰজাতি থাকি গ'ল। সেইকেইটা হ'ল আফ্ৰিকান আৰু এছিয়াটিক হাতী। ভয়ানক প্ৰাণী মেমথক হাতীৰ পূৰ্বপুৰুষ বুলি মানি লোৱা হয়। বহুতো বিৱৰ্তনৰ পিছত হাতীৰ দৈহিক গঠনে এক স্থিৰ ৰূপ পায়। মেমথৰ জঁকা এতিয়াও কিছুমান দেশৰ যাদুঘৰত থোৱা হৈছে। সেই জঁকা হাতীৰ জঁকাৰ স'তে মিল আছে । উত্তৰ আমেৰিকা আৰু ইউৰোপৰ কিছুমান পুৰণি গুহাত আৰু নদীৰ পাৰত হাতীৰ জঁকা পোৱা গৈছিল। ছাইবেৰিয়াৰ বৰফৰ মাজতো হাতীৰ জঁকা নিখুঁতভাৱে পোৱা গৈছিল।

যি কি নহওক, হাতী বৰ্তমান আফ্ৰিকা আৰু এছিয়াৰ হাবিত পোৱা বিৰাটকায় জন্তু। হাতী শান্ত আৰু জ্ঞানী। সিহঁতে খুব সহজে



কোনো এটা বিষয় আয়ত্ত কৰিব পাৰে। বনৰীয়া হাতীক প্ৰশিক্ষণ দি ঘৰচীয়া কৰি লোৱা হয়। হাতীৰ বৈজ্ঞানিক নাম ELEPHAS MAXIMUS।

ইহঁত ১০০ বা ১২০ বছৰ পৰ্যন্তলৈকে জীয়াই থাকে । হাতীৰ গোন্ধ ল'ব পৰা শক্তি বেছি। হাতীয়ে শুঁৰডাল খাদ্য খোৱা, পানী খোৱা,স্পৰ্শ কৰা, ধূলি মৰা, শব্দ কৰা, পোৱালিক গা ধুওৱা, অন্য প্ৰাণীৰ স'তে যোগাযোগ কৰা ইত্যাদি বিভিন্ন কামত ব্যৱহাৰ কৰে। দীঘল দাঁত দুটাৰে সিহঁতে নিজকে শত্ৰুৰ পৰা ৰক্ষা কৰে।

বৰ্তমান বহুত দুখৰ বিষয় যে ভাৰতবৰ্ষত হাতী আৰু মানুহৰ সংঘাত দিনে দিনে বাঢ়ি গৈ আছে। আহঁা আমি সকলোৱে বন্যপ্ৰাণী সংৰক্ষণৰ বাবে ভাল চিন্তা কৰো। গঁড়, বাঘ, হৰিণ, বনৰীয়া ম'হ, জহামাল, কেটেলা পহু, অজগৰ, ভালুক, হাড়গিলা, হাতী ইত্যাদিৰ দৰে ধুনীয়া প্ৰাণীবোৰক জীয়াই থকাত সহায় কৰো।

*ফোন ঃ ৯৪৩৫৫-৩০৪৪৭*

## অকণিৰ পদ্য

■ সঞ্জীৱ সাগৰ চৌধুৰী



গাঁৱতে এজন খেতিয়ক আছিল
হলধৰ তেওঁৰ নাম
বাৰটা মাহত তেৰটা তেওঁৰ
খেতি কৰাই কাম

আছিলে মাথোঁ তেওঁৰ এটাই নাঙল
আৰু বলধ এহাল
বিঘাই বিঘাই তাৰেই তেওঁ মাটি
বছৰি বাইছিল হাল

এনেকৈয়ে এদিন হাল বাই থাকোতে
নাঙলটো ভাঙি থাকিল
সোণাৰু গছৰ ডাল এটা কাটি
বাটতে চাঁচিব লাগিল

ঘৰৰ পৰা দেখি কমলা দদায়ে
ক'লেহি ওচৰ চাপি
সেইফালে অলপ বেছিকৈ গৈছে
হলধৰ এইফালে চাবি

অ বুলি কৈ হলধৰ কায়ে
সেইফালে ঘাপ দিলে
জোখতকৈ কাঠ বহু বেছিকৈ
ছটাকৈ এৰুৱাই নিলে

এতিয়া কি কৰো কি কৰো বুলি
থাকোতেই ভাবি-গুণী
বগী বৰপিতাই হঠাতে আহি
ওলালহি সেইখিনি

বৰপিতায়ে বোলে হেৰৌ অঁকৰা
এইখিনি অলপ চাঁচ
তেতিয়াহে ল'বগৈ কাঠডোখৰে
নাঙলৰ লেখীয়া ভাঁজ

হোলা ভাই মোলা হলধৰ কায়ে
চলালে তাতেই দা
এৰি গ'ল ডাঙৰকৈ এচকলা কাঠ
দকৈ লাগিল ঘাঁ

আহি আহি এনেকৈ ইজনে-সিজনে
দিবলৈ লাগিল দিহা
নাঙলৰ সলনি কাঠডোখৰ হ'লগৈ
অদ্ভুত-আভজা কিবা

তাকে দেখি তেওঁৰ মনত পৰিল
দেউতাকে ফঁকৰা মৰা
বোলে সেই বাটত নাচাঁচিবা নাঙল
নুশুনিবা আনৰ কথা

সেয়ে অকণিহঁত তোমালোকেও পৰীক্ষাত
আনৰ চাই নিলিখিবা
লিখি থৈ আহিবা পঢ়ি যোৱাখিনিকে
তেহে ভাল ফল পাবা।

*ফোন ঃ ৭০০২১-০৭৮৮৬*

## 'জিমি আৰু চিমিৰ কাহিনী'

■ গৌৰী মহন্ত

জোনটিয়ে এটা কুকুৰ পুহিছে
নামটো ৰাখিছে জিমি,
সিহঁতৰ ঘৰৰ মেকুৰীজনীৰ
নাম হৈছে চিমি।
ভাত খাই উঠি জিমি থাকে
বাৰাণ্ডাৰ এচুকত শুই,
চিমিয়ে পিছে ঘুমতি মাৰে
কোমল ছ'ফাত শুই।
ঘৰৰ ভিতৰত ঘূৰি ফুৰে চিমি
মেকুৰী হোৱাৰ ভেমত,
জিমিও লাহেকৈ ভিতৰলৈ বুলি
আহে মনৰ হেঁপাহত।
চেই চেই বুলি গিৰিহঁতে যেতিয়া
জিমিক দিয়ে খেদি,
নিশাৰ প্ৰহৰী হৈও অপমান পাই
চিমিলৈ খং যায় বাঢ়ি।
ঘৰৰ ভিতৰত চিমিক দেখিলে
ভুকভুককৈ সি খেদে,
জিমিৰ ভয়ত ধাতু উৰি যায়
প্ৰাণটাকি সি দৌৰে।
এদিন আহিল বলিয়া বান
ঘৰ-দুৱাৰ তল গ'ল,
প্ৰাণ বচাবলৈ নিঠৰুৱা জীৱকুল
ওখ ঠাই বিচাৰি ৰ'ল।
পানীলৈ ভয় একে জাঁপে চিমি
টেবুলৰ ওপৰত উঠিল,
জিমিকো আনি ততালিকে জোনে
চিমিৰ কাষতে ৰাখিল।
পানীৰ সোঁত দেখি সিহঁত দুটা
ঠাইতে থমকি ৰ'ল,
চিমিৰ প্ৰতি থকা জিমিৰ খং
নিমিষতে দূৰ হ'ল।
পানীয়ে উটুৱাই নিয়ে বুলি সিহঁতৰ
হেৰাল মুখৰ মাত,
সন্ধিয়া সময়ত একেখন থালতে
দুয়োটাই খালে ভাত।
সংকটকালত থাকে সকলো জীৱ
হিংসা বিদ্বেষ এৰি,
জীৱকুলৰ পৰাই শিক্ষা লওঁ আমি
সম্প্ৰীতিৰ এনাজৰী।

*ফোন ঃ ৯৪৩৫৭-৪২০৮৪*

## অকণিৰ পদ্য

■ মঞ্জিত হাজৰিকা

ফুলত পৰি পখিলাটিয়ে
ফুলৰ মৌ চোহে
পীড়াত বহি দদাইটিয়ে
গালফুলা গোঁঠে

জিৰাফৰ দীঘল ডিঙি
গছৰ পাত খায়
জিৰণীয়া মাছকেইটি
নধৰিবাচোন দদাই

বগলীৰ দীঘল ঠেং
ঘপং ঘপং যায়
মাছুৰেয়ে নদীত পল'
জপং জপং বায়

কুলি চৰাইৰ কোমল মাত
কুউ কুউ কৈ মাতে
নাচনীয়ে বিহুৰ তলীত
ঘূৰি ঘূৰি নাচে

ৰে'লৰ ছিৰিত ঝক্‌ঝকাই
ৰে'ল গাড়ী চলে
পাঠশালাত চিঞৰি চিঞৰি
মইনাই নেওঁতা মাতে

হলৌ হ'ল জলৌ-জপৌ
বৰষুণত তিতি
ৰে'লৰ ডবাত দপ্‌দপাই
ঘূৰি ফুৰে টি টি

জোনাক ৰাতি জোনাকী পৰুৱা
জাক পাতি উৰে
শিপিনীয়ে চোতালত বহি
তাঁত বাটি কৰে

শুঁৰ দাঙি হাতী জাকে
চিঞৰ এটা মাৰে
হাত দাঙি যাত্ৰীবোৰে
গাড়ী এখন ৰাখে

ম'ৰা চৰায়ে পেখম ধৰি
নাচি আছে বনত
পঢ়িলেহে মনপুতি
পাঠ ৰ'ব মনত

মলুৱাই গছত বগাই
ছিঙে কলৰ থোকা
যত্ন কৰিলে ৰত্ন পায়
কথাটি মনত থ'বা।।

*ফোন ঃ ৬০০০৭-০৯০৯৬*

## এলেহুৱা শিয়াল

গৰমৰ দিনত গছৰ ওপৰত
উঠিছিল এটি শিয়াল
খাবলৈ বুলি পাৰিছিল
এটি পকা কঁঠাল।
কঁঠাল পাৰি এলেহুৱা শিয়ালৰ
লাগিলে ভাগৰ বৰ
কেতিয়ানো টোপনি আহিলে
নাপালে গৈ যে ঘৰ।
কাষৰ হাবিতে মলুৱা আছিল
শিয়ালৰ ৰেহ-ৰূপ চাই
মনে মনে আহি খালে
পকা কঁঠাল উদৰ পূৰাই।
সাৰ পাই দেখিলে শিয়াল বপুৰাই
কঁঠালটো কাষতে নাই
আঁতৰতে আছে মলুৱা বোপা
হাঁহি হাঁহি তাক চাই।
মলুৱাই বোলে কেনে মজা পালা
এলেহুৱা তোমাৰ মন
এনেকুৱা হ'লে নহ'ব ভাল
তোমাৰ ভৱিষ্যত জীৱন।
টোপনিৰ হেঁচাত শিয়াল বপুৰাই
সকলো পাহৰি থাকিলে
এলাহৰ ফল যে কিমান বেয়া
হাতে হাতে প্ৰমাণ পালে।

■ ঝৰ্ণালী শৰ্মা বৰকটকী

*ফোন ঃ ৯১০১৮-৬০৩৫৯*



মই ফটো উঠিব ৰেডী দেই, দীশা কোঁৱৰ, ২ বছৰ, ৰূপহী উঁকহাপাৰ



মই বিহু নাচি ভালপাওঁ, দীক্ষিতা কোঁৱৰ, ৬ বছৰ, ৰূপহী উঁকহাপাৰ

## মৰমৰ অকণিহঁত...

মৰমৰ মইনাহঁত, তোমালোকৰ কুশল কামনা কৰিলোঁ। পঢ়া-শুনা ভালদৰে চলি আছেনে? বন্ধত বাৰু আমাৰ ৰংমনলৈ কিবা লিখিবাচোন। তোমালোকক আজি বাৰু সময়ৰ সদ্ব্যৱহাৰৰ বিষয়ে অলপ কওঁ দেই। সময় বৰ অমূল্য সম্পদ। যিয়ে সময়ৰ সদ্ব্যৱহাৰ কৰিব জানে তেওঁ জীৱনত উন্নতি কৰিব পাৰে। সময় হ'ল পাখি লগা কাঁড়ৰ নিছিনা। সময় কাৰো বাবে ৰৈ নাথাকে। যিজনে সময়ৰ লগত খোজ মিলাই নিজৰ কৰ্তব্যত অগ্ৰসৰ হয় তেৱেঁই জীৱনত উন্নতি কৰে বা সফলতা অৰ্জন কৰিব পাৰে। সময় অমূল্য ধন। বহুক্ষেত্ৰত ধনতকৈ সময় বেছি মূল্যৱান হয়। এবাৰ ধন হেৰুৱালে ওভতাই পোৱাৰ সুযোগ থাকে কিন্তু উপযুক্ত সময়খিনি পাৰ হৈ গ'লে জীৱনত আৰু কেতিয়াও সেই সময়খিনি ঘূৰাই নাপায়। সময়ৰ ব্যৱহাৰ কৰিব জনাজনৰহে জৰনলৈ সুখ আৰু সমৃদ্ধি আহে। সেয়ে কোনো কাম পিছত কৰিম বুলি কেতিয়াও পেলাই থ'ব নালাগে। সেয়ে পিছত পঢ়িম বুলি তেতিয়াও তোমালোক নিয়মীয়াকৈ পঢ়িব লগা বিষয়বোৰ পিছলৈ পেলাই থ'ব নালাগে। বহুতে নিয়মীয়াকৈ পঢ়া-শুনা নকৰি পিছত পঢ়িম বুলি ভাবি থাকে। ফলত পৰীক্ষাৰ সময়ত সকলো পঢ়া একেলগে পঢ়িব বিচাৰে যদিও সেয়া সম্পূৰ্ণ নহয়গৈ আৰু পৰীক্ষাৰ ফলাফল আশানুৰূপ নহয় বা পৰীক্ষা বেয়া হয়। যিবিলাক ছাত্ৰই সময়ৰ মূল্য বুজি সময় মতে মনযোগেৰে পঢ়া-শুনা কৰে তেওঁলোকৰ পৰীক্ষাৰ সময়ত কোনো অসুবিধা নহয় আৰু ফলাফল ভাল হয়। অকল পঢ়া-শুনাই নহয়, খোৱা-শোৱা, খেলা-ধূলা কৰা, জিৰণি লোৱা বা কিবা কৰিবলগীয়া থাকিলে আজৰি সময়ত কৰিলেহে দেহ-মন সকলো সুস্থ হৈ থাকিব। এটা কথা সদায়ে মনত ৰাখিবা, যিসকল লোকে সময়ৰ উচিত ব্যৱহাৰ কৰে তেওঁলোকেহে জীৱনত খ্যাতি অৰ্জন কৰিব পাৰিছে। সেয়ে তোমালোকেও এতিয়াৰে পৰা সময়ৰ মূল্য বুজি তাৰ সদ্ব্যৱহাৰ কৰিবলৈ শিকিবা দেই।

আজিলৈ এৰিছো দেই। পুনৰ মৰম ল'বা।

তোমালোকৰ—
**ভূপেন মামা**

## জোনবাইৰ দেশৰ আইতা

মূল হিন্দী- তাৰা নিগম
অনুবাদ- গায়ত্ৰী দেৱী বৰঠাকুৰ

বহুত দিনৰ আগৰ কথা। একেবাৰে অকলশৰীয়া আইতা এজনী আছিল। আপোন বুলিবলৈ আইতাৰ কোনোৱেই নাছিল। ঘৰৰ কাম- কাজবোৰো আইতাই কৰিবলগীয়া হৈছিল নিজেই। ৰাতিপুৱা শুই উঠি কুঁৱাৰ পৰা পানী তোলা, ভাত ৰন্ধা আদি সকলো কাম। আইতাৰ আকৌ সমস্যা এটাও আছিল। আইতাই সদায়ে ৰাতিপুৱা শুই উঠি যেতিয়া ঘৰ সাৰে তেতিয়ালৈকে সকলো ঠিকেই থাকে। কিন্তু, যেতিয়াই আইতাই চোতাললৈ আহে আৰু চোতাল সাৰিবলৈ চাপৰে, তেতিয়াই আকাশখনে আহি খুন্দিয়াহি আইতাৰ কঁকালত।

আইতাই ঘূৰি চালে আকাশখন অলপ আঁতৰি যায়। আকৌ যেতিয়াই আইতাই চাপৰে, আকাশে আৰম্ভ কৰে নহয় নিজৰ দুষ্টামি। এদিন, দুদিন, তিনিদিন। একেলেথাৰিয়ে এই ঘটনা ঘটিয়েই থাকিল। আইতাই চোতাল সাৰে আৰু আকাশে কৰে আইতাক আমনি।

এদিনাখন কুঁৱাত পানী তোলাক লৈ আইতাৰ কাৰোবাৰ লগত কাজিয়া হ'ল, আইতাৰ অলপ খং উঠি আছিল। তেওঁ বাঢ়নীডাল লৈ যেতিয়াই চোতালত



চাপৰিলে, আকাশে আকৌ জোকালে আইতাক, নিজৰ স্বভাৱবশতঃ।

আইতাই হিতাহিত জ্ঞান হেৰুৱাই পেলালে আৰু জোৰেৰে এচাট আকাশক বাঢ়নী ডালেৰেই দিলে। আকাশ তৎক্ষণাৎ আঁতৰি গ'ল। কিন্তু, কি হ'ব? আকাশো নিৰুপায়। নিজৰ স্বভাৱ এৰিব নোৱাৰে। আইতা আকৌ চাপৰাৰ লগে লগে খুন্দিয়াবলৈ আৰম্ভ কৰিলে। আইতায়ো গাৰ সমস্ত শক্তিৰে আকাশক আক্ৰমণ কৰিলে।


আকাশৰ মনত এটা দুষ্ট বুদ্ধি খেলালে। এইবাৰ আকাশে বাঢ়নীডাল ধৰি ল'লে। ইফালে আইতায়ো ধৰি আছিল বাঢ়নী ডাল। বাঢ়নী ডালৰ ওপৰৰ অংশটো ধৰি আছিল আকাশে আৰু তলৰ অংশটো ধৰি আছিল আইতাই , কোনো এজনে বাঢ়নীডাল এৰিবলৈ প্ৰস্তুত নাছিল। আইতাই চিঞৰিলে, এৰ মোৰ বাঢ়নীডাল। মোৰ এডালেই বাঢ়নী।

আকাশে তেতিয়াও এৰি নিদিলে। বুঢ়ী আইতাইনো কিমান সময় টনাটনি কৰিব...ভাগৰি পৰিল।

আকাশে তথাপি বাঢ়নী ডাল টানিবলৈ নেৰিলে। লাহে লাহে বাঢ়নীডালৰ সৈতে আকাশ ওপৰলৈ উঠিবলৈ ধৰিলে। আকাশৰ লগে লগে ওপৰলৈ উঠিবলৈ ধৰিলে বাঢ়নীডাল ধৰি থকা আইতা। তেওঁ চিঞৰিলে- মোক তললৈ নমাই দে।! আকাশে ক'লে— আইতা, এতিয়া মই তোমাক নেৰিছোঁ। লৈ যাম ওপৰলৈ। তাতেই চোতাল সাৰিবা।

এতিয়া আইতাই বাঢ়নীডাল এৰিব নোৱৰা হ'ল, কাৰণ ইতিমধ্যে তেওঁ বহুত ওপৰ পালেগৈ। তাতেই তেওঁ জোনবাইক দেখিলে। আইতাই তৎক্ষণাৎ ভৰি মেলি পালেগৈ জোনবাইৰ বুকু কিন্তু, বাঢ়নীডাল হ'লে নেৰিলে। আকাশৰ মনত আকৌ দুষ্ট বুদ্ধি এটা খেলালে। ভাবিলে- আইতাচোন জোনবাইৰ বুকু পালেগৈ। যদি জোনবায়ে আইতাক সহায় কৰে তেনে মই হাৰি যাম। আইতা আমাৰ ইয়াতেই থাকক। এইবুলি ভাবি আকাশে বাঢ়নীডাল এৰি দিলে। বাঢ়নীডালৰ স'তে আইতা জোনবাইৰ বুকুতে থাকিল। তেওঁ ইমান ভাগৰুৱা হৈ পৰিছিল যে বাঢ়নীডালৰ সৈতেই বহি পৰিল জোনবাইৰ বুকুত। আকাশ গুচি গ'ল ওপৰলৈ। সেইদিন ধৰি আমাৰ বুঢ়ী আইতা জোনবাইৰ বুকুতেই বহি আছে আৰু।

■ গায়ত্ৰী দেৱী বৰঠাকুৰ



অভিমন্যু মহন্ত, ষ্টাডী চেন্টাৰ-২, ডাউন টাউন গুৰুকুল, মৰাণহাট

## এজাৰফুলীয়া বতৰ

■ অৰুণ গগৈ

দুৰৈৰ বগিয়াত
সৰা ফুলৰ বেঙুনীয়া
এজাৰফুলীয়া বতৰ এয়া

ফেঁহুবৰণীয়া হেঁপাহ এটা
বুকুৰেদি উজাই যায়

উৰি যায় পানীপিয়া চৰাই
সুখৰ সুহুৰি বজাই

সোৱণশিৰিৰ সোণ যেন পানীত
সোঁৱৰণিবোৰ উভতি উজাই

ফুলিলে এজাৰ
লাগে নেকি বেজাৰ
বেঙুনীয়া বেঙুনীয়া ৰঙৰ ৰাগী লগা ৰঙত
বুকুৰে কৰে হাহাকাৰ

এজাৰফুলীয়া দিনবোৰতে
সদ্যোস্নাতা বৰষুণৰ টোপালত
এপাহ এপাহকৈ শ্যামলীমা সপোনে
পোখা মেলে
কেঁচা মাটিৰ ফুৰফুৰীয়া গোন্ধ এটা
নাকলৈ উজাই আহে

এজাৰ ফুলা মানেই যে
সেউজীয়া দিনৰ আৱাহন
বকুত এডৰা শইচৰ অনুৰণন

ফুলিলে এজাৰ
লাগে জানো বেজাৰ
এয়া যে বেঙুনীয়া পাহিত পোখা মেলা
সোণসেৰীয়া সপোনৰ সমাহাৰ

এজাৰ ফুলৰ পাহি সৰি
এজাৰবুলীয়া হৈছে চৌপাশ
বুকুত বাঢ়িছে নিতে
এহেজাৰ এটা বাখৰুৱা হেঁপাহ।

ফোন ঃ ৯৭০৭৩-৯০৫৪০

## 'কুটি কুটি আন্ধাৰবোৰ খালে...

■ স্মৃতিৰেখা সোণোৱাল

ৰাতিৰ চৰাইজনীয়ে কুটি কুটি
আন্ধাৰবোৰ খালে!
এতিয়া পোহৰত তোমাক নেদেখা হ'লোঁ।
(তোমাক চাবলৈ) কিছু আন্ধাৰ থকাই ভাল
ৰাতিৰ পক্ষীজনী বুকুতে থাকক,
প্ৰভাতী পক্ষীয়ে গীত জোৰক।

ফোন ঃ ৯৮৫৪১-২৪০২৩

## এটা দিন মোৰ বাবে দিয়া

■ ঝৰ্ণালী শৰ্মা বৰকটকী

এটা দিন দিয়া মোক,
আয়-ব্যয় হিচাপ নিকাচৰ পৰা
মুক্ত হ'ব বিচাৰোঁ
আয়-ব্যয়ৰ টোকা বহীত
অসংখ্য সমীকৰণ
এক নিমিলা অংক
এটা দিনৰ বাবে যদি জীৱনটো
আধৰুৱা হয় থাকক তেতিয়া হ'লে তেনেকৈয়ে
হাতৰ আঙুলি শীৰ্ণতাই ছানি ধৰিছে
চকুৰ পতাত এতিয়া সন্ধিয়াৰ ৰহণ
চুলিবোৰত আবেলি আবেলি গোন্ধ
ওঁঠৰ ভাজত ভাগৰুৱা সময়ৰ শেঁতা বোল
আজি হেৰাই যাওক আজি ধূলিকণা হৈ
ভাগৰুৱা সময়বোৰ
মোক অলপ নিৰলে থাকিবলৈ দিয়া
এটা দিনৰ বাবে
পুৰাটোৰ আৰম্ভণি হওক
ধীৰে ধীৰে
ধীৰে ধীৰে।

## দুপৰ বেলি

■ মৃণালী শইকীয়া

এইবাৰ শাওণ আহিলেই
মই তোমাৰ সমগ্ৰতাত বুৰ যাম
উজাগৰ ৰাতিয়ে কটা
মোৰ দুচকুৰ পতাই ঢাকি ৰাখিম
এটা বিবৰ্ণ ৰাতি

মইতো অতকাল ৰ'দাই থোৱাতে থাকিল
মোৰ সুখৰ দুপৰ বেলি...

এখনিয়েই মোৰ হৃদয়
আজিকালি সিওঁ বিচাৰি কৰে হাহাকাৰ
স্মৃতিৰ ৰঙা পাপৰিয়ে ওৰণি টনা
মোৰ চিকুণ পদূলি।

## অসম

■ চিন্ময় বৰা

অসমৰ মাটিত
কোনে ৰচে সদা আহি
জীয়াই থকাৰ সপোন!
ইয়াৰ আকাশৰ তলত বাৰু
কোনে উঠে কিৰিলি পাৰি—
'এই দেশ মোৰ আপোন।'

সোণোৱালী ধাননিত ইয়াত
ৰূপোৱালী দাৱনি,
কোনে সাজে ব'হাগত ইয়াত ন-সাজোন?
কুঁৱলীয়ে ছানি ধৰা
শীতৰ সেমেকা পথাৰত
সৌৰা জানো নহয় মোৰ আপোন?

সুখতে দুখ আহে বতাহত হালি জালি
এয়াই জানো নহয় কঙাল কাতি?
অসমীয়াৰ মন-প্ৰাণ দুখেৰে আৱৰা
নিদ্ৰাহীন হয় অজস্ৰ ৰাতি,
ইয়ে জানো নহয় কঙালৰ কঙালী?

অৱসান ঘটে যেতিয়া এই কঙালীৰ
অসমীয়াৰ গাতে উলাহে নধৰে
ভঁৰালত উভৈনদী শস্যৰ,
চাওঁতে চাওঁতে মাঘ আহি পালেহি
আৰম্ভণি যেন ভোগ উৎসৱৰ।

মিচিকিয়া হাঁহি এটি ভাহি আহে বতাহত
যেন এয়া উন্মনা ফাগুন,
পলাশৰ ৰঙে ৰঙে মতলীয়া হৈ কোনে
সৰাপাতত বিচাৰে নৱ সপোন?
এয়াই অসমীয়াৰ অসম আপোন
ইয়াতেই সাজে অসমৰ ডেকাই অক্ষুণ্ণ সপোন।।

ফোন ঃ ৯৬৭৮৯-১৮২৪৬

## গধূলিৰ বালিচৰত

■ পূৰবী চক্ৰৱৰ্তী সূত

নিশাৰ ৰংসনা আকাশৰ ফাঁকেৰে
সপোন হৈ নামিছে এমুঠি জেঠুৰা শেৱালি
উৰুঙা বতাহজাকে
অকণ অকণকৈ নিচুকাই গৈছে
আলসুৱা সপোনবোৰ...।

চেতনাক চুই এনেকৈয়ে
উদাস গধূলিটোৱে মোৰ হৃদয়ত বন্দৰ
বিচাৰে
জিৰাবলৈ' এপলক ৰৈ...।

পদূলিৰ সৰাপাতত উজুটি খাই
নিথৰ হয় জোনাক

এতিয়া গধূলিৰ বালিচৰত
বুৰ গৈছে
সঁজাল ধৰা এজাক সপোন...

আৰু মনৰ আকাশত এখনি
আধা আঁকা ছবি...।

ফোন ঃ ৭০০২৯-৩০২৭১

## মৰীচিকা ছবি

■ অতুল দিহিঙ্গীয়া

কথাবোৰ কোৱাই নহ'ল
সময়ৰ ফাঁকেদি
তল স'ৰা শেৱালি
মাটিতে মৰহিয়েই জঁকাবোৰ
উঁৱলি গ'ল!
তুমি কেনে আছা....
হালধীয়া ৰ'দৰ প্ৰখৰ তাপত
কেঁচা অভিমান...!
আদহীয়া দুপৰীয়া বেলি
তাপতেই ওফন্দে
ভৰ বাৰিষা জীয়া ঢল!
ৰঘুমলা শিপালে
সুখৰ সপোন মৰহি গ'ল...!
শেৱালি সৰি মৰহি শুকালে
মাথোঁ দুচকুত মৰীচিকা ছবি।

ফোন ঃ ৬০০২৪-৯৯১৭১

## বৰ্তমান

■ মোহাইমিনুৰ ৰহমান

মূল্যবৃদ্ধিৰ জুয়ে
ভস্মীভূত কৰিছে সহস্ৰ জনতাৰ
ভোকৰ তাড়নাবোৰ
বানপানীৰ প্ৰবল সোঁতে
অদৃশ্য দেশলৈ উটুৱাই নিছে
ঘামৰ টোপালৰ বিনিময়ত
সজোৱা সপোনৰ ঘৰবোৰ

অধৰ্মীৰ হাতত বিপদগ্ৰস্ত
আজি ধৰ্মীয় আদৰ্শ
মেৰুবিভাজনৰ মেৰপাকত
জীৱশ্ৰেষ্ঠৰ হাততে মানৱতাবোধৰ
তুচ্ছ-তাচ্ছিল্য

টকাৰ জোৰত আজি বঁটা পায়
সমাজৰ সৎ চিন্তা নকৰাজনেও
উচ্চ শিখৰত প্ৰতিষ্ঠা হোৱাৰ সুযোগ পায়
দুৰ্নীতিৰ পাহাৰ দেখিও অন্ধ আজি চকুযুৰি
চক্ৰান্তৰ জালেৰে হাতত হেণ্ডকাফ লগাই
বন্ধ কুঠৰীত আবদ্ধ কৰি ৰাখিব বুলি

আৰু কিমান দিন
বন্ধ হ'বনে
অন্যায় অবিচাৰৰ তেজৰঙী ছবিবোৰ
খোল খাবনে সভ্যতাৰ খিৰিকীবোৰ
য'ত বিচৰণ কৰিব
শান্তিৰ উন্মুক্ত বিশুদ্ধ বতাহ
বাজি উঠিব মহাত্মা গান্ধী, চক্ৰেটিছৰ
সমাজ গঢ়া বাণী।

কেন্দ্ৰ সমন্বয়ক তথা বিশেষ শিক্ষক
আৰোহণ পুনৰসংস্থাপন কেন্দ্ৰ, পাঞ্জাবাৰী,
ফোন ঃ ৮৩৯৯০-৮২৭৮৫

## হেঁপাহ

■ পূৰবী প্ৰিয়দৰ্শনী

তেওঁ নজনাকৈয়ে সপোন ৰচোঁ!
অপূৰ্ণ হেঁপাহবোৰ ক্ৰমান্বয়ে
পোঁখা মেলে।

আৰম্ভ হয় সুৰীয়া সুবাসৰ,
হাস্নাহানা ফুলৰ দৰে!
অযুক্তি কথাৰে জোখা নাই
স্বকীয়তা তুলাচনীত।
জোখা নাই তমসা ৰাতিৰ
বাকৰুদ্ধ গভীৰতাও।

তেওঁ এচেৰেঙা ৰ'দ,
জীপাল কৰিব পৰাকৈ
শেষটো ঋতুৰ যৌৱনমতী গান।

আকাশ মণ্ডল মেঘাচ্ছন্ন কৰি,
বৰ্ষা আগমনত,
হয়তো নূপুৰৰ ৰুণজুনত,
মেঘৰ মাদলত,
সেউজী পাহাৰৰ মাজেৰে
নামি আহে এজাক
বৰ্ষাৰণ্য গান।

পূৰণা হ'ল, সময় হেৰাই গ'ল
সেই কৰণিৰ গোলাপ,
হেঁপাহ আছে বাবে তেওঁ আছে।
তেওঁ ধুমুহাত আছে,
তেওঁ সমুদ্ৰত আছে,
তেওঁ উশাহত আছে।
পি খাব পৰাকৈ,
মাতাল এই ৰাগিণীৰ
স্বপ্নক সাবটি,
এজাক বৰষুণ হৈ।

## সুনন্দাৰ বৃথা

■ ভাৰতী বসুমতাৰী

ওঁঠৰত তাইৰ বিয়া...
বত্ৰিশত বিধৱা...
এতিয়াও তাই পঁইত্ৰিশ নাই চোৱা...
ভৰ যৌৱনতে থান-বান উন্মুক্ত ক্ষুধা...
সেয়াই সুনন্দা...

ভৰসা বুলিবলৈ একেটিয়েই কোঠা...
অতিথিৰ বাবেও নাই ভিন্ন ব্যৱস্থা...
ভিতৰৰ শোক ঢাকিবলৈ তাইৰ সকৰুণ বৃথা...

দুটিকৈ কন্যা...
সিহঁতে অলপ বুজে অলপ নুবুজে...
স্কুলৰ ফিজ, স্কুলৰ ইউনিফৰ্ম, পুৱাৰ ব্ৰেকফাষ্ট ক'ৰ পৰা আহে...!
সুনন্দাৰ দুচকুত বিন্দু বিন্দু নিয়ৰ সৰে...
সকলোৰে লগত তাই মিলাব নোৱাৰে...
মুক্ত মনে তাই কথা কথা ক'ব নোৱাৰে...
অন্য পুৰুষৰ প্ৰচ্ছায়া তাইৰ ছাঁ হ'ব নোৱাৰে... একেখনেই ধৰা...অথচ তাইৰ বাবে কিঞ্চিৎ বেলেগ....
ফৰকাল আকাশো আচম্বিতে কেতিয়াবা ডাৱৰে ঢাকে...
অৱশ্যে ডাৱৰ তাইৰ ভালেই লাগে... ডাৱৰহীন আকাশ তাই সহিব নোৱাৰে...
ডাৱৰহীন আকাশলৈ তাইৰ ভয় লাগি থাকে...
জানোচা গোপন ফল্গুধাৰা তাইৰ জীৱনলৈও বৈ পৰে...!

ফোন ঃ ৭০০২২-১৪২২৬

## এৰি অহা দিনবোৰ

■ বিলেশ্বৰ তালুকদাৰ

ল'ৰালিৰ পৰা বৰ্তমানলৈ,
শৈশৱ কৈশোৰ যৌৱন
ক'ত যে ঘাত-প্ৰতিঘাত অথন্তৰ,
বিপদ-বিঘিনি নেওচি
সমাজত বিদ্বৎ হ'বলৈ
আমাৰ দৰে মানুহৰ
হীনমন্যতা ৰোধ কৰিবলৈ,
জীৱনৰ উৎকৰ্ষ সাধনৰ বাবে
প্ৰগতিৰ জখলা এডাল
বিচাৰি হাইৰান আমিবোৰ।
সময়ো কি যে নিষ্ঠুৰ,
আমি কোনেও এৰি অহা
দিনবোৰলৈ উভতিব নোৱাৰোঁ,
এৰি অহা সেই সময়
আমি মাত্ৰ সোঁৱৰণিৰে
ৰোমন্থন কৰিব পাৰোঁ।
সুপ্ত আৰু জাগ্ৰত কিছু স্মৃতি
ছাঁটোৰ দৰে লৈ ফুৰিব পাৰোঁ,
কি যে মূল্যবান স্মৃতিবোৰ!
দ্ৰুতবেগী মনে অতীতলৈ
উভতি যোৱাৰ দৰে
ভৱিষ্যতলৈ জুমি চাব পৰা হ'লে,
কিজানি লাভ কৰিলোঁহেঁতেন
জীৱনৰ মাধুৰ্যপূৰ্ণ মাদকতা।

ফোন ঃ ৯৯৫৪২-৭৪৫০৭

## জীৱনৰ প্ৰাপ্তি

■ ৰাজু কলিতা

চকুৰ চাৱনি যদি বুজি পোৱা তুমি
থৰ হৈ চোৱা আইৰ চকুলৈ,
আকাশক নুসুধিবা নীলাবোৰ কাৰ বাবে
কাৰ বাবে ৰাখে তৰাবোৰ বুকুত লৈ।

বগাব পাৰা যদি হিমালয় তুমি
বগাই যোৱা দুখৰ পাহাৰ,
কাঞ্চনজংঘাক নক'বা কিমান দুখ আছে
থাকক জীৱনত দুখ আশা-নিৰাশাৰ।

পাৰা যদি ছিঙিব কাঁইটীয়া গোলাপ
ছিঙি দিয়া তেনে দুৰ্বলতাৰ শিকলী,
কুলিক নুসুধিবা কিয় ইমান ক'লা
বসন্তৰ লগত আছে তাৰ সম্বন্ধৰ এনাজৰি।

নিজক যদি ভালপোৱা তুমি
নোবোৱাবা তেনে তেজৰ নৈ,
বিৰহৰ ভাষা বুকুতে ৰাখা
মৰমৰ নিজৰা থাকিব বৈ।

হয় যদি হঠাতে পৰাজয় এদিন
নাযাবা ভাগৰি জীৱনৰ ৰণত,
থাকক থাকিলে সুখ সীমনাৰ শেষত
স্বৰ্গসুখ থাকে মাথোঁ মানুহৰ মনত।

ফোন ঃ ৭০৮৬২-৭৬৮৬০

## তুমি যদি নিব বিচৰা তোমাৰ বুকুতে ঘৰ সাজিম

■ প্ৰবীণ কুমাৰ টায়ে

পানী পানী মাথোঁ পানী
চাৰিওফালে হাহাকাৰ পৰিৱেশ
কিৰিলি পাৰিছে দূৰণিৰ পৰা
পানীৰ মাজৰ পৰা চিঞৰ
কাণত বাজিছে শব্দ
মানুহে মানুহক হাত বাউলি দি মাতিছে
ঘৰৰ ভিতৰলৈকে এবুকু পানী
অসহায় হৈ পৰিছে
সাগৰ যেন পানীৰ মাজতো
এটুপি পানীৰ বাবে হাহাকাৰ কৰিছে
দিওঁতা নাই কোনো
কোনে কাৰ মুখলৈ চাই
সকলো আবদ্ধ হৈ পৰিছে ঘৰৰ ভিতৰত
সোৱণশিৰি, জিয়াঢল, ৰঙানৈ, দিখৌ
জাঁজী, বুঢ়ীদিহিং,পাগলাদিয়া
বৰলুইত নাই শান্ত
ফেনেফোটোকাৰে বাঢ়িছে
মাথোঁ বাঢ়িছে পানী
বহু মথাউৰি ভাঙি উটুৱাইছে
ঘৰ-দুৱাৰ আলি-পদূলি
ঘৰ হ'ল পুখুৰী
পথাৰ হ'ল নদী
খেতিয়ক সপোন
মূৰৰ ঘাম পানী হ'ল
বহু লোকমৃত্যু
নাৱত অথবা
কল গছৰ ভুৰৰ ওপৰত মৃতকৰ দেহ
সৎকাৰ কৰিবলৈ নাই এডোখৰ মাটি
মাটি, মাটি বুলি চিঞৰি চিঞৰি
ডিঙিৰ নলী শুকাই গৈছে
দুচকুৰ চকুলো
চকুতে ৰৈছে
পুৰিলে ছাই
পুতিলে মাটি
মাটিৰ মানুহ
মাটিতে মিলিম
পাওঁতা নাই
অকণমান শুকান ঠাই
শেষ সংকাৰৰ বাবে।

## সকলো গছ টোপনি গৈছে

■ বিকাশ শৰ্মা

সকলো গছ টোপনি গৈছে
নদীৰ বালিচৰত উজাই আহিছে উদাত্ত শীত
প্ৰতিটো খোজ মৰুভূমিত
কেকটাছ হৈ থিয় দি আছো

ৰঙা চিঠিবোৰ মেঘৰ আঁৰত লুকাই
কাঁচিজোনৰ টোপনি সৰিছে
ইমানৰ পিছতো মোৰ ফাটি যোৱা হৃদয়ত গুলীৰ তেজেৰে আকাশ সজাইছা

কঁহুৱা বনত চকু ফুটা শব্দত সামৰি লৈছো মোৰ উশাহ
মৌন হৈ থাকিবলৈ মন গৈছে
তোমাৰ ভালপোৱাৰ উদ্যানত
হাবিয়াস সনা নিলীম দুচকুত পমি যাবলৈ মন গৈছে
তুমি অৰণ্য অভিমুখী প্ৰাৰ্থনা কৰা
মোৰ শেতা পদূলিত
আকৌ জী উঠিম ৰৌদ্ৰোজ্জ্বল হাঁহিৰে

এবাৰৰ কাৰণে হ'লেও আহা
বিজুলী তাঁৰেৰে মেৰোৱা দিকচৌ বাটত
শুই পৰিম পোহৰৰ মাজত
বাঁহীৰ সেউজীয়া মাতেৰে ৰাতিপুৱাটোক দিঠকত ওলমাম

এন্ধাৰৰ বতাহজাকৰ সৈতে ভালপোৱাৰ উৎসৱ উদ্‌যাপন কৰিম
যি তোমাৰ বাবে অপৰাধ হ'ব
বিষাদৰ শিকলিৰে বন্ধা শৰীৰটোক ওপচাই পেলাম
জীয়া মানুহৰ চকুপানীৰ স'তে

এই আচৰিত যেন লগা মোৰ ভালপোৱা
এদিন ময়েই পাহৰি যাম

গোটেই পৃথিৱীখন এদিন শ্মশান হ'ব
য'ত ভালপোৱাবোৰে শিপা বিচাৰি চঞ্চল হৈ ঘূৰি ফুৰিব
কেৱল এন্ধাৰত চৰাইবোৰে
বিচাৰি পাব ডেউকা কোবোৱা অতীত

ফোন ঃ ৭০০২৫-৯২২৯৩

## সুখৰ এজাক বৰষুণ

■ দেৱজিত বৰুৱা

আজি বৰষুণ এজাক আহিল
মোৰ সপোনৰ বৰষুণ
অপেক্ষাৰ যেন অন্ত পৰিল,
সুখৰ এজাক বৰষুণৰ।

ৰুদ্ধ ফাট মেলি থকা বসুমতী আইৰ কোলাত তুমি আহিলা
আশাৰ বতৰা হৈ।
দুচকুত এটা সেউজীয়া সপোন
মই যেন আকৌ
জী উঠিছো।

দুখবোৰক তুচ্ছ কৰি
মই যেন আকৌ
কৈ উঠিছো,
বিষাদৰ জুই নুমুৱাবলৈ
আজি আহিল সুখৰ
এজাক বৰষুণ।

ইমানকৈ বাজিছে মাদল
তালে তালে নাচিছে,
সেউজী দেশৰ গাভৰু
বতাহত ওপঙিছে
হাজাৰ হাজাৰ সপোন।
তোমাৰ আগমনত হৈ পৰিছে
নিজৰা চঞ্চল।

তোমাৰ বুকুত আছে
মমতাৰ সঞ্জীৱনী সুধা
যি সুধা পান কৰিয়েই
বসুমতীয়ে আৰম্ভ কৰে
বৰ্ণিল মাত্ৰা।

তুমি আনা বসুমতীলৈ ৰং, ভোগৰ বতাহ।
তুমি জানা মাথোঁ সেউজীয়া মন্ত্ৰ।
তোমাৰ নৃত্য সুৰে, সদায় ছন্দোময় কৰি তোলে বসুমতীক।

আজি আহিল, সুখৰ এজাক বৰষুণ।
মোৰ স্বপ্নাতুৰ দুচকুত সপোনৰ আগমনী,
বতাহত ভাহিছে সোণাৰুৰ সুগন্ধি।
আজি অপেক্ষাৰ অন্ত পৰিল।
হেপাঁহ পলুৱাই আজি বৰষুণত তিতিম!
বৰষুণৰ পানীৰে ধুই পেলাম
বিষাদৰ ঘাম...

ফোন ঃ ৯৩৯৪১-২৫৫১১

## হাবিয়াস

■ ৰাহুলজ্যোতি বৰা

বানে ধুই নিয়া পথাৰৰ মাজত অকলে বৈ
দুচকুৰে সৈতে বিচাৰি ফুৰিছো এটুকুৰা ওখ ঠাই,
যিটুকুৰা ঠাইৰ মাজত বিচাৰি পোৱা যাব
অবিচলিত খেতিয়কৰ সপোনৰ কঠীয়া সিঁচিবলৈ।

চৌদিশ উদুলি মুদুলি হৈ পৰা ধ্বংসস্তূপৰ মাজত
দেখিবলৈ পাইছো অতীতৰ স্মৃতি, শৈশৱৰ ছবি,
যিখন ছবিত ফুটি উঠিছে চিৰপ্ৰবহমান হৈ বৈ থকা
সেউজীয়া আৰু সেউজীয়াৰ মধুৰ সেই দিন।

তাহানিৰ দৰে আজিও পথাৰৰ মাজত হালোৱা-ৰোৱনীয়ে
পথাৰৰ মাজত মন-প্ৰাণ খুলি খিলখিলাই হাঁহক,
বৰ আম গছ জোপাৰ তলত বহি হৃদয়ত গোপনে সাঁচি ৰখা কথাবোৰ
প্ৰেমিক যুগলে ভাগ-বতৰা কৰি জলপানৰ বাতিটোৰ সৈতে
পথাৰখন শুৱনি কৰক।

বসন্তৰ সমাপ্তিত বৰ্ষা ঋতুত ভৰি দিলেও আজিৰ পথাৰত
দেখিবলৈ পোৱা নাযায় তাহানিৰ পথাৰৰ মাজত দেখা
নাঙল-যুঁৱলিৰে সৈতে লানি নিছিগাকৈ হালোৱা কৃষকে
বোকাৰে লুতুৰি পুতুৰি হৈ মাটি চহোৱাৰ হাবিয়াস।

ফোন ঃ ৯৯৫৪৯-১১৫২৮



## সময়

■ বিভাষ দেৱনাথ

বুকুত হাত থৈ শুই আছোঁ
আৱাহন
হে সপোন, আহ আহ
তোক আজি চাবলৈ উদ্বাউল চকুহাল
অন্ততঃ আজিতো আহ।

চাবি কিন্তু
নাহোঁ নাহোঁ বুলি গপচত এদিন
তোৰ অস্তিত্বই
তোৰেই চহৰত কক্‌বকাব
উজান উঠিব
তোৰ- তোৰ নামত
পানীৰ দৰত নিলাম হ'ব তোৰ।

এনেওতো আজিকালি
মেঘমল্লাৰৰ ৰাগীত মতলীয়া
তোৰ চহৰৰ
প্ৰেমিক চৰাইকেইটাই
জাকে জাকে
বিহ বৰষুণতহে তিতি বুৰি
প্ৰেমৰ কঠীয়া সিঁচে।

সোনকালে আহ
সঁচা আৰু মিছাৰ খেলখন
আজিয়েই সামৰোঁ
আহ সপোন, আহ
তই
তই হৈ আহ
মোৰ দুচকুত।

ফোন ঃ ৮০১১৪-৩০৬৭৬

## নিভৃত

■ হিমাজ্যোতি তালুকদাৰ

ওৰেটো ৰাতি টোপনি নহাৰ পিছত
তুমি নিবিচাৰিলেও
তুমি গৈ থকা বাটেৰেই
অনুসৰণ কৰে মোৰ আৱেগে
তুমি য'ত মোৰ সত্তা তাত কিয়?
কিমান নিসংগতাত ৰাতি
টোপনিয়ে এঙামূৰি হৈ ধৰা দিয়ে?
পিঠাগুৰিয়া বৃষ্টি হৈ চকুৰে
ক্ষোভ বাগৰে ওৰে ৰাতি

ফোন ঃ ৯৭০৬৬-৮২০৩৪

## বকাসুৰ

■ ৰফিক উদ্দিন

আধুনিক বকাসুৰ তই
সঁচাকৈয়ে তই আচল অসুৰ?
তোৰ ভক্তই
পাগুলি খায় কিয়?
ৰাজপথত খোজকাঢ়ে
আৰু...
দীন-দৰিদ্ৰৰ জোলোঙা দেখি
হাড়ৰ মোনা বুলি
চোঁচা লয় কিয়?
সময় সমাগত
জন্ম লভিব ধৰিত্ৰীৰ বুকুত
অলেখ ভীম;
বিনাশ হ'ব তোৰ ঘিট-ঘিটনি।

ফোন ঃ ৯৮৬৪৭-৯২৩৫৫

## প্ৰাৰ্থনা

■ মূল ঃ এলান দুগান
ভাবানুবাদ ঃ যশোৱন্ত নিপুণ

ভগৱান, মোক এটা চাকৰিৰ প্ৰয়োজন কাৰণ মোক টকা লাগে।
ইয়াত এই পৃথিৱীখন সুৰা, সুন্দৰী, অমোঘ অস্ত্ৰ আৰু আভিজাত্যৰে উপভোগ্য।
কিন্তু যদি মোৰ টকা নাই, তেতিয়া মোৰ পত্নী খঙাল হয়
মোৰ ওপৰত, মই ভালকৈ সুৰাপান কৰিব নোৱাৰোঁ,
অস্ত্ৰধাৰীসকলে মোক নিষ্পেষণ কৰে, আৰু কোনো মালিকে
মোক টকা নিদিয়ে। কিন্তু যেতিয়া মই চাকৰি কৰোঁ,
আস্ মই দৰমহা পাওঁ !আৰক্ষীকেইজন বিনয়ী হয়,
আৰু মই এগিলাচ সুৰা পান কৰিব আৰু উশাহটো ল'ব পাৰোঁ।
নিজকে অভিজাত যেন লাগে। মই তাতেই য'ত অস্ত্ৰবোৰ থাকে।
মোৰ পত্নী কামতো মোৰ পত্নী। এই পৃথিৱীখন আনন্দময় মাত্ৰ মই গোটেই দিন ভিতৰত সোমাই থাকিব লাগিব
আৰু বিৰক্তিকৰ কামবোৰ কৰিব লাগিব, আৰু বাহিৰত থকাবোৰক বধিবলৈ অস্ত্ৰ তৈয়াৰ কৰিব লাগিব। মই
মুকলি বতাহ হেৰুৱাওঁ আৰু দৰমহাৰ কামৰ দুৰ্গন্ধটো পাওঁ
যেতিয়া সেয়া বেলেগৰ লাভৰ বাবে কৰা হয়, গতিকে মই কামটো বাদ দিওঁ,
উভৈনদীৰ কেইদিনমান উপভোগ কৰোঁ আকাশত, মাতাল হৈ, তেতিয়া মোক
চাকৰি এটাৰ আকৌ প্ৰয়োজন হয়। মই তীখাৰ চক্ৰ এটাৰ মাজত বন্দী।

ফোন ঃ ৮৭৬২২-২৬৩৪৮

## তৃতীয় পৃষ্ঠাৰ পৰা—

## আম কাণ্ডই নামেই সলাই

ৰাইজলৈ পিঠি দিয়া বুলি অভিযোগ উঠিছে। চলিত বৰ্ষৰ জুন মাহত প্ৰায় এপেষেক ধৰি গুৱাহাটী মহানগৰৰ বিভিন্ন স্থানৰ লগতে দিছপুৰ বিধানসভা সমষ্টিৰ বহু অংশ জলমগ্ন হৈ আছিল। হাতীগাঁও, বেলতলা, ছাৰ্ভে, সোণাপুৰ, ক্ষেত্ৰী, চন্দ্ৰপুৰ, নাৰেংগী, পানীখাইতী আদি দিছপুৰ সমষ্টিৰ লক্ষাধিক বাসিন্দা বানাক্ৰান্ত হৈছিল। এই সময়ছোৱাত এদিনৰ বাবেও বিধায়কজনে ৰাইজৰ মাজলৈ নাহিল। আমাৰ প্ৰতিনিধিয়ে টেলিফোন কৰাত বিধায়কজনে দম্ভালিৰে কয় যে বানপানী নিয়ন্ত্ৰণ কৰাৰ দায়িত্ব তেওঁৰ নহয়। গতিকে বানৰ সময়ত ৰাইজৰ কাষলৈ তেওঁ যোৱাৰ প্ৰয়োজন নাই বুলি দলীয় কৰ্মীসকলে পৰামৰ্শ দিয়া বুলি ব্যক্ত কৰে। অৱশ্যে দুই-এখন ঠাইলৈ যোৱা বুলি উল্লেখ কৰিলেও সেই ঠাইৰ নাম ক'বলৈ কওঁতে পাহৰি যোৱা বুলি ব্যক্ত কৰে। আনহাতে, বানপানীৰ সময়তে দিছপুৰৰ তেওঁৰ চৰকাৰী আৱাসত এজন দোকানীয়ে সংগীসহ কেইটামান আম পাৰি খোৱাৰ বাবে আৰক্ষীৰ জৰিয়তে গ্ৰেপ্তাৰ কৰোৱাইছিল। এই কাৰ্যত ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল আৰু স্বয়ং মুখ্যমন্ত্ৰী, বিধানসভাৰ অধ্যক্ষ আদিও অসন্তুষ্ট হৈছিল। বহুৱালি বন্ধ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে ঘনিষ্ঠৰ জৰিয়তে বিধায়ক অতুল বৰাক নিৰ্দেশ দিয়া বুলি প্ৰকাশ পাইছে। আনহাতে, বিধায়কে আম খাব বিচৰা যুৱককেইজনক কিয় নিজে ৫০০ টকা ব্যয় কৰি কেইটামান পকা আম আনি দিব নোৱাৰিলে বুলি বিধানসভাৰ অধ্যক্ষই ওলোটাই মন্তব্য কৰিছে। বয়োজ্যেষ্ঠ হ'লেও দায়িত্বহীন কাণ্ডৰে বিতৰ্কত থকা অতুল বৰাৰ এই ভূমিকাক লৈ সামাজিক মাধ্যমত তেওঁৰ নামৰ আগে-পিছে আম শব্দটো স্থায়ীভাৱে সংযোজিত হৈ যোৱা দেখা গ'ল। ইফালে নিজৰ চৰকাৰী আৱাসত দিছপুৰ সমষ্টিৰ নাগৰিকক সাক্ষাৎ নকৰে বুলিও একাংশই অভিযোগ কৰিছে। আৱাসত থকা কৰ্মচাৰীয়ে সমষ্টিৰ ৰাইজক দুৰ্ব্যৱহাৰ কৰি ঘূৰাই পঠোৱা বুলি বিধায়ক অতুল বৰাক বহুবাৰ বিভিন্নজনে অভিযোগ দিয়া পৰিলক্ষিত হৈছে। ৰাইজৰ পৰা আঁতৰি গীতানগৰ-হাতীগড় অঞ্চলৰ এক পাহাৰীয়া স্থানত নিৰলে অট্টালিকাত বসবাস কৰা অতুল বৰাক সেয়েহে সমষ্টিবাসীয়ে কৈলাসৰ পৰা নামি কেতিয়া আহিব বুলিও মাজে-সময়ে প্ৰশ্ন কৰা দেখা যায়। মুঠৰ ওপৰত ৰাজ্যৰ ভিতৰতে সৰ্বাধিক ভোটাৰ থকা, প্ৰায় চাৰে চাৰি লাখ ভোটাৰসহ বহু লক্ষাধিক বাসিন্দাৰ বিশাল সমষ্টিটোৰ দায়িত্বশীল বিধায়কৰ পদবীত থাকিও দায়িত্বহীন কাম-কাজেৰে সংবাদ শিৰোনাম দখল কৰি থকা কাৰ্যত গেৰুৱা শিবিৰ অসন্তুষ্ট হৈ পৰিছে। সেয়েহে আগন্তুক সময়ত অতুল বৰাৰ পৰিবৰ্তে নতুন ব্যক্তিৰ জৰিয়তে দিছপুৰ সমষ্টিত ৰাইজৰ সমস্যাৰ সঠিক সমাধানৰ পথ উলিয়াবলৈ বিজেপিয়ে আগতীয়াকৈ তৎপৰ হৈ পৰা বুলিব পাৰি।

## জল জীৱন মিছন-স্বাস্থ্য সেৱা

এখন অন্যতম গাঁও হ'ল সমষ্টিটোৰ অধীনস্থ বেতবাৰী গাঁও পঞ্চায়তৰ অধীনস্থ দিচাংঘাট গাঁওখন। বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত এই গাঁওখনৰ বিষয়ে সংবাদ মাধ্যমতো ভালদৰে স্থান নাপায়। গাঁওখনৰ সমস্যাৰ সন্দৰ্ভত অঞ্চলটোৰ বয়োজ্যেষ্ঠ ব্যক্তি তথা বিশিষ্ট ব্যৱসায়ী ইমুচ খানে কয় যে— গাঁওখনৰ সমস্যা বহু আছে। শিৱসাগৰ সমষ্টিৰ পৰা বিজিজনে বিধায়ক হ'ল যদিও গাঁওখনৰ যি সমস্যা আছে ইয়াক যিদৰে সমাধান কৰিব লাগিছিল তেনেদৰে সমাধানৰ পথ মুকলি কৰা পৰিলক্ষিত নহল। গাঁওখনৰ প্ৰধান এক সমস্যা হ'ল বিশুদ্ধ খোৱা পানী। বহু সংখ্যক লোকে নৈৰ পানী ব্যৱহাৰ কৰিব লগীয়াত পৰে। এই সংক্ৰান্তত স্থানীয় ব্যক্তিয়ে বিধায়কক অৱগত কৰিম বুলি আৱেদন পৰ্যন্ত লিখি মোৰ দৰে ব্যক্তিৰো স্বাক্ষৰ কৰাই পৰৱৰ্তী সময়ত নিজৰ স্বাৰ্থ সিদ্ধি কৰিবলৈ এনে আৱেদন সমূহ ব্যৱহাৰ কৰি আহিছে। আমি সদায় ৰাজহুৱা স্বাৰ্থত বিভিন্ন আৱেদনত স্বাক্ষৰ কৰি আহিছো। কিন্তু কাৰোবাৰ ব্যক্তিগত স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে আমি কোনো আৱেদনত স্বাক্ষৰ কৰা নাই। বৰ্তমান আমাৰ অঞ্চলত বিশুদ্ধ খোৱা পানীৰ লগতে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অভাৱ আছে। প্ৰায় পাঁচ কিলোমিটাৰ দূৰত্বত চ্যাকাপা চিকিৎসালয় আছে যদিও এই ব্যয়বহুল চিকিৎসালয়লৈ যাবৰ বাবে দৰিদ্ৰ লোকৰ সামৰ্থ নাই। বিজিজনে এতিয়াও বিধৱা পেঞ্চন, বৃদ্ধ পেঞ্চন আদি আজিও লাভ কৰা নাই। কিন্তু এনে সমস্যা সমূহৰ পক্ষত মাত মতাৰ বিপৰীতে ব্যক্তিগত স্বাৰ্থত মোৰ স্বাক্ষৰ লৈ বিভিন্ন পক্ষক অভিযোগ হিচাপে দাখিল কৰাটো কেতিয়াও গ্ৰহণ যোগ্য নহয় বুলি ইমুচ খানে প্ৰকাশ কৰে। ইয়াৰ লগতে বিশিষ্ট ব্যৱসায়ী খানে উল্লেখ কৰে যে - জনপ্ৰতিনিধি সকলে যি সকল লোকৰ ভোটত জয়ী হৈ বিধায়ক অথবা মন্ত্ৰীৰ দৰে পদত অধিষ্ঠিত হয় তেওঁলোকে গ্ৰামাঞ্চল সমূহত উদ্ভৱ হোৱা সমস্যা সমূহ সমাধান কৰাত গুৰুত্ব প্ৰদান কৰিব লাগে বুলি উল্লেখ কৰে।

## কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ

পদোন্নতিৰ ক্ষেত্ৰত সংৰক্ষণক মাপকাঠি হিচাপে ধৰা হোৱা নাই। ৫,০৩২টা পদোন্নতি হৈছে অসংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীসকলৰ। ৭২৭জন এছ চি আৰু ২০৭জন এছ টি কৰ্মচাৰীয়ে পদোন্নতিৰ ক্ষেত্ৰত সংৰক্ষণৰ সুবিধা লাভ কৰিছে। ইফালে, ৩৮৯টা পদৰ পদোন্নতিৰ ক্ষেত্ৰত কোনো তথ্য প্ৰদান কৰা নাই কেন্দ্ৰীয় কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগে। উল্লেখ্য, কৰ্মচাৰীৰ পদোন্নতিৰ সংৰক্ষণৰ বিষয়টো সন্দৰ্ভত বহুকেইটা গোচৰ ৰুজু হৈ আছে। উক্ত গোচৰবোৰৰ পৰিপ্ৰেক্ষিতত ২০২০ চনত ছুপ্ৰিম ক'ৰ্টে জনায় যে কৰ্মচাৰীসকলৰ পদোন্নতিৰ ক্ষেত্ৰত সংৰক্ষণ দিয়া বা নিদিয়া বিষয়টো সম্পূৰ্ণৰূপে কেন্দ্ৰ বা সংশ্লিষ্ট ৰাজ্য চৰকাৰবোৰৰ এক্তিয়াৰৰ ভিতৰত পৰে। লগতে ছুপ্ৰিম ক'ৰ্টৰ ৰায়ত এইটোও জনোৱা হৈছিল যে কেন্দ্ৰ বা ৰাজ্যবোৰে সিদ্ধান্তৰ কাৰণ ব্যাখ্যা কৰিবলৈও বাধ্য নহয়। আনহাতে, চৰকাৰী চাকৰিৰ ক্ষেত্ৰত অনুসূচিত জাতি, জনজাতিসকলৰ পদোন্নতিত সংৰক্ষণৰ ক্ষেত্ৰত নতুন মাপকাঠি নিৰ্ধাৰণত কেন্দ্ৰই ছুপ্ৰিম ক'ৰ্টৰ অনুমতি বিচাৰিছিল।

## আশাৰ মাজতে ক্ৰমাগতভাৱে

ঐতিহ্যমণ্ডিত শুৱালকুছিৰ বস্ত্ৰশিল্পক ৰক্ষা কৰাৰ বাবে ছপা আৰু বৈদ্যুতিক মাধ্যমত বহুকেইটা বাতৰি প্ৰকাশ কৰি চৰকাৰৰ দৃষ্টি গোচৰ কৰাত চৰকাৰে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰি আৰ্টফেডৰ জৰিয়তে ক্ষুদ্ৰ তাঁতশালৰ ব্যৱসায়ীসকলৰ পৰা জমা হৈ থকা কিছু পৰিমাণৰ পাট, মুগা আৰু টচৰ কাপোৰ ক্ৰয় কৰি সাময়িক সকাহ দিয়ে যদিও সেয়া পৰ্যাপ্ত পৰিমাণৰ নোহোৱাত পুনৰ ক্ষুদ্ৰ ব্যৱসায়ীসকল ভীষণ অসুবিধাৰ সন্মুখীন হৈ মধ্যভোগীৰ শৰণাপন্ন হ'ব লগা হয়। মধ্যভোগীৰ ওচৰত উৎপাদিত জমা কাপোৰ মূলধনতকৈয়ো বহুত কম দামত বিক্ৰী কৰাৰ ফলত বহুত তাঁতশাল মৃত্যুমুখত পৰে। ইফালে, লকডাউনৰ সময়ত সকলো বজাৰ-দোকান স্তব্ধ হৈ পৰাত বহিঃৰাজ্যৰ পৰা বিশেষকৈ বেংগালুৰু, মহীশূৰ, চীন, কলকাতা আদিৰ পৰা নিয়মিতভাৱে অহা তাঁতশালৰ প্ৰয়োজনী কেঁচামাল অহাটো বন্ধ হৈ পৰাত শুৱালকুছিৰ তাঁতশিল্পত আন এক সমস্যাই দেখা দিয়ে। যাৰ বাবে কিছুদিনলৈকে সকলোবোৰ তাঁতশাল বন্ধ হৈ আছিল। অৱশ্যে তাৎক্ষণিক সহায়ৰ বাবে আৰ্টফেডে শুৱালকুছিত কিছু পৰিমাণৰ পাট আৰু তাত সূতা যোগান ধৰিছিল যদিও সেইটো একেবাৰে নগণ্য হোৱাত সেয়াও তাঁতশাল চলাত বিশেষ সহায়ক নহ'ল। উপাৰ্জিত হৈ তাঁতশালত জড়িত একাংশই দিন হাজিৰা, একাংশই শাক-পাচলিৰ ব্যৱসায় আৰু আন একাংশই পদপথত চাহৰ দোকান দি পৰিয়াল চলাব লগাত পৰে। দীৰ্ঘদিনৰ পিছত লকডাউন উঠাই দিয়া হ'ল যদিও লকডাউনৰ সময়তে কেঁকাল ভাগি পৰা শুৱালকুছিৰ তাতশিল্পই আজিলৈকে মূৰ দাঙি উঠিব পৰা নাই। লকডাউনৰ পিছত তাঁতশালত প্ৰয়োজনীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে শিল্পটোলৈ আন এক ভাবিব নোৱাৰা সমস্যা কঢ়িয়াই আনে। ইতিমধ্যে শুৱালকুছিৰ বহুত শিপিনী আৰু যুৱক-যুৱতী পেটৰ তাড়নাত ইমামীৰ দৰে বহুজাতিক কোম্পানীত কাম কৰিবলৈ বাধ্য হৈছে। আকৌ একাংশই ব্যক্তিগত ব্যৱসায় প্ৰতিষ্ঠানত কৰ্মচাৰী হিচাপে নিয়োজিত হৈছে। আন একাংশই বহিঃৰাজ্যত কৰ্মসংস্থাপন বিচাৰি যাব লগা হৈছে। শেহতীয়াভাৱে অসমৰ বজাৰত শুৱালকুছিৰ পাট-মুগাৰ বস্ত্ৰসদৃশ অতি নিম্নমানৰ সামগ্ৰীৰে প্ৰস্তুত কৰা বেনাৰস চৰকাৰীয়া বেনাৰসী যোৱা আৰু বহিঃৰাজ্যত প্ৰস্তুত কৰা পলিয়েষ্টাৰৰ বিভিন্ন চাদৰ-মেখেলা উভৈনদী হৈ পৰাত শুৱালকুছিৰ পাট-মুগাৰ কাপোৰৰ আদৰ ক্ৰমাগতভাৱে কমি যাব ধৰিছে। অসমৰ ৰাইজেও থলুৱা বস্ত্ৰ ক্ৰয় কৰাৰ পৰিবৰ্তে অন্য ৰাজ্যৰ কাপোৰ ক্ৰয়ত গুৰুত্ব দি অসমৰ শিপিনীসকলৰ মনোবল হ্ৰাস কৰাত ইন্ধন যোগাইছে। গভীৰ নিশালৈকে চলা তাঁতশাল সন্ধিয়াতে সামৰিব লগা হৈছে। আশাৰ মাজতে যেন ক্ৰমাগতভাৱে হেৰাই যাব ওলাইছে শুৱালকুছিৰ তাঁতৰ খট খট শব্দ শুৱালকুছিৰ বস্ত্ৰশিল্প আজি তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। একাংশ ধূৰন্ধৰ ব্যৱসায়ীয়ে গ্ৰাহকক পলিয়েষ্টাৰৰে উৎপাদিত কাপোৰক পলিপাট বুলি ঠগাই বিক্ৰী কৰি যথেষ্ট মুনাফা লুটি আছে। এইবোৰে জনাৰ পিছতো ৰাজ্যৰ হস্ততাঁত বস্ত্ৰ বিভাগে চকু মুদা কুলিৰ ভাৱ ধৰাটোত সকলোৱে আশ্চৰ্য প্ৰকাশ কৰিছে। চৰকাৰে সময় থকাতে যদি শিল্পটি উদ্ধাৰৰ বাবে যত্ন নলয় তেন্তে শিল্পটি কালৰ গতিত হেৰাই যোৱাৰ সম্ভাৱনাই অধিক। শিল্পটি উদ্ধাৰৰ বাবে চৰকাৰে কমেও এহাজাৰ কোটি টকাৰ এক দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰিব লাগিব। চৰকাৰৰ প্ৰতি শুৱালকুছিবাসীৰ এয়া এক আহ্বান। শিল্পটি ৰক্ষাৰ বাবে চৰকাৰৰ হস্তক্ষেপ বিচাৰি স্থানীয় শিপিনী-বোৱনী আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলে একত্ৰিত হৈ এক গণ-আন্দোলনৰ কৰাৰ বাহিৰে বিকল্প নাই বুলি বিভিন্নমহলে মতামত ব্যক্ত কৰিছে। অৱশ্যে বিভিন্ন সংগঠনে সময়ে সময়ে শিল্পটি ৰক্ষাৰ নামত কিছু কিছু কাৰ্যসূচী লৈছে যদিও বিশেষ সফলতা দেখা নাই।

## বাঢ়নী পানীয়ে উটুৱাই নিলে

পানীয়ে যোৱা ১৬ মে'ত ছিঙি নিয়া মথাউৰিটো দ্বিতীয়বাৰৰ বাবে গহপুৰ নগৰত পানী সৃষ্টি হয়। আনহাতে, গহপুৰ জলসম্পদ বিভাগে যোৱা ১৮ মে'ৰ পৰা উক্ত ভগ্ন অংশত জিঅ' বেগেৰে মথাউৰি মেৰামতিৰ কাম আৰম্ভ কৰে। কিন্তু ২১ মে'ত জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকা উক্ত মথাউৰিটো পৰিদৰ্শন কৰিবলৈ অহাৰ সময়লৈকে ঠিকেই কাম চলি আছিল যদিও মন্ত্ৰী যোৱাৰ পিছতে আধৰুৱা হৈ ৰয় মেৰামতিৰ কাম। গহপুৰ জলসম্পদ বিভাগে ছত্ৰঙৰ উক্ত ভগ্ন অংশটো সম্পূৰ্ণৰূপে মেৰামতি নকৰাৰ পৰিণতিত ২৮ জুনত পুৱাৰে পৰা উক্ত ভগ্ন অংশৰে তীব্ৰ গতিৰে বাঢ়নী পানী সোমাই মহাপ্ৰলয়ৰ সৃষ্টি কৰে গহপুৰ নগৰত। ছত্ৰঙৰ ধাৰাবাহিক বানত অতিষ্ঠ হৈ পৰা বান কবলিত ৰাইজে উক্ত ভগ্ন অংশটো সম্পূৰ্ণকৈ মেৰামতি কৰাৰ ক্ষেত্ৰত গহপুৰ জলসম্পদ বিভাগে চূড়ান্ত গাফিলতি কৰাৰ কথা সংবাদ মাধ্যমৰ আগত মুকলিকৈ প্ৰকাশ কৰে। আনহে নালাগে যোৱা এমাহৰ ফৰকাল বতৰতো উক্ত অংশটো সম্পূৰ্ণকৈ মেৰামতি কৰিবলৈ আগবাঢ়ি নাহিল গহপুৰ জলসম্পদ বিভাগ। ইয়াৰ বিপৰীতে লাচিতে গড় বন্ধাৰ দৰে যোৱানিশাৰে পৰা খৰস্ৰোতা পানীৰ মাজত উক্ত অংশটো মেৰামতি কৰিবলৈ তৎপৰতা দেখুৱায় গহপুৰ জলসম্পদ বিভাগে। সেই অনুসৰি সহকাৰী কাৰ্যবাহী অভিযন্তা ৰহমৎ আলী আহমেদ আৰু কনিষ্ঠ অভিযন্তা শুভজিৎ চক্ৰৱৰ্তীৰ তদাৰকত উক্ত অংশটো মেৰামতি কৰিবলৈ ঠিকাদাৰ ৰাজীৱ লোহিয়াই শ্ৰমিক নিয়োগ কৰে। এবুকু পানীৰ মাজত নিজৰ জীৱনকো তুচ্ছ কৰি প্ৰায় কুৰিজন শ্ৰমিকে জিঅ' বেগত বালি ভৰাই উক্ত অংশটো মেৰিমতি কৰিবলৈ যুদ্ধকালীন তৎপৰতা চলোৱাৰ মাজতে বৃহস্পতিবাৰে দিনৰ প্ৰায় ১.৩০ বজাত এক ভয়ানক অঘটন ঘটে উক্ত স্থানত। বোৱঁতী খৰস্ৰোতা পানীৰ মাজত যুঁজ দি বালি ভৰ্তি জিঅ' বেগ জাপি থকাৰ সময়ত জিঅ' বেগৰ হেঁচাত পলসৰ মাজত সোমাই মৃত্যু হয় এগৰাকী কৰ্মৰত শ্ৰমিকৰ। বহু সময় বিচাৰ-খোঁচাৰৰ অন্তত প্ৰায় ডেৰ ঘণ্টাৰ পিছত পলসৰ মাজৰ পৰা মৃত অৱস্থাত উদ্ধাৰ কৰা হয় শ্ৰমিকজনক। মৃত শ্ৰমিকজন ঢকুৱাখনাৰ কোবাং গাঁৱৰ চিৰ কুমাৰ চণ্ডী (৪০) বুলি জানিব পৰা গৈছে। বিভাগীয় মন্ত্ৰীক কামৰ তৎপৰতা দেখুৱাবলৈ সন্তীয়া চমক দেখুওৱা গহপুৰ জলসম্পদ বিভাগে যোৱা এমাহৰ ভিতৰত উক্ত মেৰামতিৰ কাম সম্পন্ন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰাৰ পৰিৱৰ্তে শ্ৰমিকৰ জীৱনক তুচ্ছ জ্ঞান কৰি এবুকু পানীৰ মাজত কাম কৰোৱাৰ এয়া ভয়ংকৰ পৰিণতি বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰিছে। খাটিখোৱা শ্ৰমিকজনৰ বিয়োগত সমগ্ৰ গহপুৰত গভীৰ শোকৰ ছাঁ পৰিছে।

## শিৱসেনাৰ সকলো পদৰ পৰা

নেতা তথা ৰাজ্যখনৰ নৱ-নিৰ্বাচিত মুখ্যমন্ত্ৰী একনাথ সিন্দেক শিৱসেনাৰ সকলো পদৰ পৰা বহিষ্কাৰ কৰিছে উদ্ধৱ থাকৰেই। সিন্দেক শুকুৰবাৰে শিৱসেনাৰ সকলো বিষয়বাবৰ পৰা অপসাৰণ কৰা বুলি উল্লেখ কৰি এখন পত্ৰ প্ৰেৰণ কৰা হৈছে। একনাথ সিন্দেই দলৰ ভিতৰতে বিসম্বাদৰ নেতৃত্ব দিয়া বাবেই তেওঁক দলৰ সকলো পদৰ পৰা বহিষ্কাৰ কৰা বুলি থাকৰেই পত্ৰখনত প্ৰকাশ কৰিছে। বিসম্বাদী ৩৯জন বিধায়কৰ বিৰুদ্ধেও শিৱসেনাই ব্যৱস্থা গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। একনাথ সিন্দেলৈ শিৱসেনাৰ অধ্যক্ষ উদ্ধৱ ঠাকৰেয়ে মুখ্যমন্ত্ৰী একনাথ সিন্দেলৈ লিখা এখন পত্ৰত তেওঁক 'দলবিৰোধী কাৰ্যকলাপত লিপ্ত' বুলি অভিযুক্ত কৰে। তেওঁ পত্ৰখনত উল্লেখ কৰে— 'আপুনি স্ব-ইচ্ছাই দলৰ সদস্য পদ ত্যাগ কৰিছে। সেয়েহে শিৱসেনা দলৰ অধ্যক্ষ হিচাপে মোৰ হাতত ন্যস্ত ক্ষমতা প্ৰয়োগ কৰি মই আপোনাক দলীয় সকলো বিষয়বাবৰ পৰা আঁতৰাই দিছো। উদ্ধৱ ঠাকৰেয়ে একনাথ সিন্দেলৈ প্ৰেৰণ কৰা পত্ৰখনত ৩০ জুন তাৰিখ উল্লেখ কৰা আছে। উক্ত দিনাই সিন্দেয়ে বিজেপি আৰু বিসম্বাদী বিধায়কসকলৰ সমৰ্থনত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছিল। ইয়াৰ এদিন পূৰ্বে অৰ্থাৎ ২৯ জুনত মুখ্যমন্ত্ৰী পদ ত্যাগ কৰিছিল উদ্ধৱ থাকৰেই।

## প্ৰসাদ খাই অসুস্থ অৰ্ধশতাধিক

হৈ অসুস্থ হৈ পৰে। কালি স্থানীয় বাগানপাৰা চিকিৎসালয়ত অসুস্থ লোকসকলক চিকিৎসা প্ৰদান কৰা হয় যদিও তেওঁলোক সুস্থ হৈ নুঠাত আজি গুৰুতৰভাৱে অসুস্থ ১৩গৰাকী লোকক মুছলপুৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয়। অৱশ্যে কি কাৰণত প্ৰসাদত বিষক্ৰিয়া হ'বলৈ পালে সেই বিষয়ে বাতৰি লিখা পৰলৈকে জানিব পৰা হোৱা নাই।

## ডিফু-লামডিং পথৰ চাৰি

ৰংপাংথিৰ গাঁৱত প্ৰায় ২৫ বিঘা মাটিৰ ৩৫টা জনজাতি পৰিয়ালৰ লোকৰ বিৰুদ্ধে এই উচ্ছেদ অভিযান কৰা হয়। উচ্ছেদ অভিযানৰ সময়ছোৱাত উচ্ছেদস্থলীত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। কণ কণ শিশুৰ পৰা আবাল-বৃদ্ধ-বনিতালৈকে সকলোৱে এই অভিযানৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মানৱতাৰ খাতিৰত উচ্ছেদ নকৰিব, বিজেপি গ' বেক আদি শ্ল'গানেৰে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰি গাঁওবাসীয়ে উচ্ছেদ কাৰ্যত বাধা প্ৰদান কৰাৰ লগতে আৰক্ষীৰ সৈতে তৰ্ক যুদ্ধত লিপ্ত হয়। জানিব পৰা মতে ডিফু ন্যায়িক আদালতৰ বাবে আবণ্টিত আছিল উচ্ছেদিত এই ভূমি। ফলত শেহতীয়াকৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে উক্ত গাঁৱত উচ্ছেদ চলাইছে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে। দণ্ডাধীশ গুঞ্জন শৰ্মাৰ নেতৃত্বত চলিছিল এই উচ্ছেদ অভিযান।

## ৰোগীৰ বাবে মুকলি

পৰিৱেশৰ সৃষ্টি হয়। ইয়াৰ পূৰ্বে চিকিৎসালয় ভৱনৰ দেৱালৰ ফাঁট সাংবাদিকৰ কেমেৰাত বন্দী হোৱাৰ পাছতে প্ৰলেপ সানি ঠিকাদাৰী প্ৰতিষ্ঠানে দেৱালৰ ফাঁট লুকুওৱাৰ চেষ্টা কৰিছিল। ঠিকাদাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে নিম্নমানৰ কামৰ অভিযোগৰ পাছতেই চিকিৎসা মন্ত্ৰীৰ সমষ্টিতে ঠিকাদাৰী প্ৰতিষ্ঠানৰ মইমতালিৰ বিৰুদ্ধে আছুয়ে প্ৰতিবাদ সাব্যস্ত কৰে। অসমৰ ভিতৰতে অতি গুৰুত্বপূৰ্ণ আৰু সদাব্যস্ত এখন চিকিৎসালয় জখলাবন্ধা গ্ৰাম্য চিকিৎসালয়। ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে অৱস্থিত চিকিৎসালয়খন নগাঁও আৰু বোকাখাতৰ মাজত থকা একমাত্ৰ চিকিৎসালয়, যি এই বৃহৎ অঞ্চলটোৰ ৰোগীৰ একমাত্ৰ ভৰসা। চামগুৰিৰ পৰা কাজিৰঙা কঁহৰা অঞ্চলৰ ভিতৰত দুৰ্ঘটনাত পতিত হোৱা লোকসকলক তাৎক্ষণিক চিকিৎসা প্ৰদানৰ বাবে প্ৰথমে এই চিকিৎসালয়লৈ অনা হয়। এই চিকিৎসালয়খনক এশখন বিছনাযুক্ত কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়লৈ উন্নীতকৰণৰ বাবে চৰকাৰে এটা তিনিমহলীয়া গৃহ নিৰ্মাণৰ বাবে ২৪ কোটি ৪৭ লাখ টকা মোকলাই দিছিল। উক্ত কামৰ ঠিকা লাভ কৰিছিল মেছাৰ্ছ কে কে এণ্টাৰপ্ৰাইজ নামৰ গুৱাহাটীস্থিত এটা ঠিকাদাৰ প্ৰতিষ্ঠানে। ইতিমধ্যে চিকিৎসালয়খনৰ কাম এশ শতাংশই সম্পন্ন কৰিছে যদিও অতি আশ্চৰ্যৰ বিষয় যে চিকিৎসালয়খনৰ দ্বাৰ মুকলি নৌহওঁতেই নৱ-নিৰ্মিত ভৱনটোৰ দেৱালসমূহত ফাঁট মেলিছে। তদুপৰি চিলিঙেদিও পানী পৰাৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। আনহাতে, নৱ-নিৰ্মিত ভৱনৰ দেৱালৰ ফাঁটৰ বিষয়ে চিকিৎসালয়খনৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়াগৰাকীয়ে বিভাগীয় অভিযন্তাক জনাইছিল। সেই মৰ্মে, প্ৰলেপ সানি ফাঁটবোৰ মেৰামতি কৰিছিল। কিন্তু দেৱালত পুনৰ ফাঁট দেখা দিয়াত বিভাগীয় অভিযন্তাক অৱগত কৰিছে বুলি জনায়। এই লৈ অঞ্চলটোৰ সচেতন ৰাইজে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। স্থানীয় ৰাইজে অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ বাবে এনে হোৱা বুলি অভিযোগ উত্থাপন কৰিছে। আনহাতে, স্বাস্থ্যমন্ত্ৰীৰ গৃহ সমষ্টিতে মন্ত্ৰী কেশৱ মহন্তক অংগুষ্ঠ প্ৰদৰ্শন কৰি ঠিকাদাৰ প্ৰতিষ্ঠানটোৱে অতি নিম্নমানৰ কাম কৰি ধনৰ শ্ৰাধ কৰাৰ অভিযোগ আনিছে স্থানীয় ৰাইজে। ইফালে, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত নিৰ্মাণ কাৰ্য চলা চিকিৎসালয়খনৰ নিৰ্মাণৰ কাম কিমান সঠিকভাৱে চলিছিল ইয়াক লৈ যথেষ্ট সন্দেহৰ অৱকাশ ৰৈ যোৱা বুলি সচেতন মহলৰ মাজত চৰ্চা হৈছে। এনে বিসংগতিৰে নিৰ্মাণ হোৱা কলিয়াবৰ মহকুমা চিকিৎসালয়ত উপস্থিত হয় কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ সঁজাতী দল। কলিয়াবৰ মহকুমা চিকিৎসালয়ত ঠিকাদাৰক উপস্থিত হ'বলৈ সকীয়নি দিয়ে কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাই। লগতে স্থানীয় বিধায়ক তথা ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ প্ৰত্যক্ষ হস্তক্ষেপ বিচৰাৰ লগতে ঠিকদাৰ প্ৰতিষ্ঠানটোক ব্লেক লিষ্টেড্ কৰিবলৈ দাবী জনায়। ঠিকাদাৰ আহি উপস্থিত নোহোৱা পৰ্যন্ত কাম বন্ধ কৰিবলৈ দাবী জনায় কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাই। কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ বিষয়ববীয়া উপস্থিত হৈ চিকিৎসালয়খন পৰিদৰ্শন কৰি নিৰ্মাণৰ বিসংগতি হোৱাটো প্ৰত্যক্ষ কৰে। নিজ খলাবন্ধা গ্ৰাম্য চিকিৎসালয়খনৰ দায়িত্ববাহী চিকিৎসকগৰাকীকো ছাত্ৰ সন্থাই বিষয়টো অৱগত কৰে। মুকলিৰ পূৰ্বেই কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয় ভৱনৰ দেৱালত ফাঁট মেলাৰ লগতে ফুটা টিনপাত টাপলি মাৰি লগোৱাৰ লগতে শৌচাগাৰত ব্যৱহাৰৰ অনুপযোগী সামগ্ৰী প্ৰত্যক্ষ কৰাৰ পাছত নিম্নমানৰ নিৰ্মাণ কাৰ্যক সহজভাৱে ল'ব পৰা নাই আছু তথা কলিয়াবৰীয়া ৰাইজে। তদুপৰি, চিকিৎসালয়খনৰ নিৰ্মাণৰ কাম প্ৰায় পাঁচ মাহেই সম্পূৰ্ণ হ'ল যদিও আজি পৰ্যন্ত ৰাইজৰ সেৱাৰ বাবে মোকলাই নিদিয়াক লৈয়ো ৰাইজৰ মাজত চলিছে সৰব চৰ্চা। এতিয়া কথা হ'ল স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে বিসংগতিপূৰ্ণ নিৰ্মাণ কাৰ্যৰে কোটি কোটি টকা আত্মসাৎ কৰা ঠিকাদাৰ গোষ্ঠীটোৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়াহে লক্ষণীয় হ'ব। ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছতে দুৰ্নীতি পুলিয়ে-পোখাই উৎখাত কৰাৰ কথা ঘোষণা কৰিছিল। পিছে সময় বাগৰাৰ লগে লগে এই সকলো কথা ফুটুকাৰ ফেনত পৰিণত হৈছে। ইয়াৰ জ্বলন্ত উদাহৰণ কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়খন।

### মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়

# নতুন পাঠ্যক্ৰম সম্পৰ্কীয় চৰ্চা, উপাচাৰ্যৰ মত-বিনিময়

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ জুলাই ঃ** ১ জুলাইত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত এখন সংবাদ মেলৰ আয়োজন কৰা হয়। বিশ্ববিদ্যালয়খনৰ সভাকক্ষত আয়োজিত এই সংবাদ মেল সম্বোধন কৰে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক তথা বিশ্ববিদ্যালয়খনৰ সঞ্চালক (বিত্ত আৰু পৰিকল্পনা) বাবুল বৰা, পঞ্জীয়ক ড° মৃণাল কুমাৰ বৰা, উপ-পঞ্জীয়ক (শৈক্ষিক) ড° নয়নমণি শইকীয়া, কম্পিউটাৰ বিজ্ঞানৰ মুৰব্বী ড° শান্তনু কলিতা, সহকাৰী জনসংযোগ বিষয়া গৌৰীপ্ৰসাদ শৰ্মাই। এই সংবাদ মেলতেই বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য হিচাপে নতুনকৈ দায়িত্ব লৈ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই সংবাদ মাধ্যমৰ ব্যক্তিসকলৰ সৈতে মত-বিনিময় কৰে। সংবাদ মেল সম্বোধন কৰি উপাচাৰ্যগৰাকীয়ে বিশ্ববিদ্যালয়খনে শিক্ষাৰ্থীৰ প্ৰয়োজনসমূহ পূৰণ কৰিব পৰাকৈ নতুন শৈক্ষিক বৰ্ষৰে পৰা সংযোজন কৰিবলগীয়া নতুন বিষয়সমূহৰ বিষয়ে অৱগত কৰে, য'ত বিশ্ববিদ্যালয়খনে নতুনকৈ স্নাতক মহলাৰ বাবে সংযোজন কৰিছে ডিজিটেল ফৰেনছিক এণ্ড চাইবাৰ ছিকিউৰিটী আৰু পাব্লিক এডমিনিষ্ট্ৰেচন এণ্ড গভৰ্ণেন্স। এই দুয়োটা বিষয়েই ক্ৰমে উত্তৰ-পূব ভাৰত তথা অসমৰ শৈক্ষিক অনুষ্ঠানসমূহৰ ভিতৰতে প্ৰথম। শিক্ষাৰ্থীৰ ভৱিষ্যতৰ লগতে প্ৰশাসনিক ক্ষেত্ৰত অসমৰ মান উন্নত কৰাৰ স্বাৰ্থতে এই পাব্লিক এডমিনিষ্ট্ৰেচন এণ্ড গভৰ্ণেন্স বিষয়টি শুভাৰম্ভ কৰা হৈছে বুলি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যগৰাকীয়ে জনায়। তেওঁ আৰু কয়, এই বিষয়টি অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাজীৱ বৰাৰ তত্বাৱধানত অনুষ্ঠিত হ'ব। আনহাতে, বৰ্তমান সময়ত বিভিন্ন প্ৰকাৰে সংঘটিত হোৱা ছাইবাৰ ক্ৰাইম ৰোধ তথা এইবোৰৰ প্ৰতি মানুহক সজাগ কৰাৰ লগতে চাকৰিৰ ক্ষেত্ৰত নিশ্চিত সুবিধা প্ৰদানৰ অৰ্থে ডিজিটেল ফৰেনছিক এণ্ড চাইবাৰ ছিকিউৰিটী বিষয়টিও অন্তৰ্ভুক্ত কৰা হৈছে বুলি সংবাদ মেল সম্বোধি উপাচাৰ্যগৰাকীয়ে মন্তব্য কৰে। প্ৰসংগতে উপাচাৰ্যগৰাকীয়ে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিক্ষাৰ্থীৰ উপকাৰ হোৱা তথা ন-উদ্ভাৱনৰ বাবে নতুন পাঠ্যক্ৰম প্ৰণয়নত গুৰুত্ব দিয়াৰ কথাও অৱগত কৰে । স্নাতক পৰ্যায়ৰ এই দুটা বিষয়ৰ সমান্তৰালভাৱে বিশ্ববিদ্যালয়খনত নতুনকৈ গণিত, জিঅ'গ্ৰাফী, গণসংযোগ আৰু সাংবাদিকতা, এমএছচি আই টি-মেচিন লাৰ্ণিং এণ্ড বিগ ডাটা এনালাইটিক আদি বিষয়তো স্নাতকোত্তৰ পাঠ্যক্ৰমৰো ব্যৱস্থা কৰা হৈছে। উল্লেখ্য, বিশ্ববিদ্যালয়খনৰ নগাঁও তথা গুৱাহাটী চৌহদৰ লগতে চলিত বৰ্ষৰে পৰা যোৰহাট আৰু ধুবুৰী চৌহদটো মুকলি কৰিব। সংবাদ মেলত উপস্থিত থাকি বাবুল বৰাই বিশ্ববিদ্যালয়খনে মূল্যবোধ তথা গুণগত শিক্ষা প্ৰদানৰ বাবে দায়বদ্ধ বুলি কোৱাৰ লগতে নতুন প্ৰজন্মৰ শিক্ষাৰ্থীক সৰ্বগুণসম্পন্ন কৰি তুলিব বুলি মতপোষণ কৰে। লগতে বিশ্ববিদ্যালয়খনৰ সামগ্ৰিক উন্নতিৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক বিশেষভাৱে শলাগ লয়। বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° মৃণাল কুমাৰ বৰাই বিশ্ববিদ্যালয়খনে অনাগত দিনত গ্ৰহণ কৰিব লগা কৌশলসমূহৰ বিষয়ে অৱগত কৰে। সংবাদ মেলত অংশ লোৱা সকলোৱে বিশ্ববিদ্যালয়খনৰ বাতৰিসমূহ প্ৰায় দৈনিক প্ৰচাৰ কৰি বিশ্ববিদ্যালয়খনক জনমুখী এখন বিশ্ববিদ্যালয়লৈ পৰিণত কৰাত সহায় কৰা নগাঁৱৰ প্ৰতিজন সংবাদকৰ্মীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

## বৰমপুৰ মাজপোটনিৰ বিজুমণি বৰা হত্যাকাণ্ডৰ অভিযুক্তক ৰঙাঘৰলৈ প্ৰেৰণ

### আৰক্ষীৰ আগত স্বীকাৰোক্তি হত্যাকাৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰমপুৰ, ২ জুলাই ঃ** নগাঁৱৰ বৰমপুৰ সমষ্টিৰ অন্তৰ্গত মাজপোটনিত যোৱা ২৯ জুনৰ দিনা সংঘটিত হোৱা বিজুমণি বৰা নামৰ বিশেষভাৱে সক্ষম মহিলাগৰাকীৰ হত্যাকাণ্ডটোৰ সম্পৰ্কত আজি সবিশেষ পোহৰলৈ আহে। সেই অনুসৰি মৃত বিজুমণি বৰাৰ জ্যেষ্ঠ ভগ্নী তথা আদৰ্শ গাঁৱৰ অঞ্জলি বৰা আৰু তেওঁৰ স্বামী দ্বিপেন বৰাক তেওঁলোকৰ স্বীকাৰোক্তিৰ ভিত্তিত দোষী সাব্যস্ত কৰি আজি কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, কালি নিশা আৰক্ষীৰ আগত দুয়োয়ে হত্যা কৰা বুলি স্বীকাৰ কৰে আৰু আজি অঞ্জলি বৰাক আৰক্ষীয়ে মৃতকৰ ঘৰলৈ লৈ অহাত হত্যাকাণ্ডটোত ব্যৱহৃত আন এডাল বাঁহৰ কামী বিচাৰি উলিয়াই দিয়ে। ইতিমধ্যে এই সম্পৰ্কত নগাঁও সদৰ থানাত ৭৭৩/২২ নম্বৰত এটা গোচৰ ৰুজু কৰি ৩০২ ধাৰাৰ অধীনত তেওঁলোকক দোষী সাব্যস্ত কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছে। উল্লেখ্য যে, হত্যাকাণ্ডটোৰ লগত এইহাল দম্পতী জড়িত থকাৰ সন্দেহত কালি স্থানীয় ৰাইজে সন্দেহ কৰি আৰক্ষীৰ হাতত গতাই দিছিল।

## মণিপুৰৰ ননে জিলাৰ ভূমিস্খলনত নিখোঁজ শ্ৰমিকৰ ভিতৰত কুশতলীৰ আৰু এজনৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২ জুলাই ঃ** মৰিগাঁৱৰ আন এগৰাকী নিখোঁজ শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ। শেহতীয়াভাৱে উদ্ধাৰ হোৱা মৃতদেহটো কুশতলী খৰা গোসাঁইবড়ী গাঁৱৰ বুগেন্দ্ৰ ফুকনৰ। এতিয়ালৈকে মৃতদেহৰ সংখ্যা ৬জনলৈ বৃদ্ধি।

## মুছলপুৰত যৌতুকৰ বলি হৈ

বোৱাৰীগৰাকীৰ পৰিয়ালৰ লোকে। উল্লেখ্য, বৃহস্পতিবাৰে নিশা আঠিয়াবাৰীৰ স্বামী পৰিয়ালৰ নিজ গৃহত চিপ লোৱা অৱস্থাত উদ্ধাৰ হৈছিল দুৰ্ভগীয়া সুমিতা বৰ্মন নামৰ মহিলাগৰাকীৰ মৃতদেহ। মহিলাগৰাকীৰ কপালত আঘাতৰ স্পষ্ট চিন প্ৰত্যক্ষ কৰি এয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি মহিলাগৰাকীৰ পৰিয়ালে অভিযোগ কৰে। মৃত মহিলাগৰাকীৰ পৰিয়ালে জানিবলৈ দিয়া মতে দীৰ্ঘদিনে যৌতুক বিচাৰী স্বামী সঞ্জয় দাসৰ পৰিয়ালে মানসিক আৰু শাৰীৰিকভাৱে অকথ্য নিৰ্যাতন চলাই আহিছিল সুমিতাক। ইপিনে মৃত মহিলাগৰাকীৰ পৰিয়ালৰ লোকৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ইতিমধ্যে স্বামী সঞ্জয় বৰ্মনক গ্ৰেপ্তাৰ কৰিছে যদিও শাহুসহ দুজন সম্প্ৰতি পলাতক অৱস্থাত আছে বুলি জানিব পৰা গৈছে।

## উদয়পুৰৰ হত্যাকাণ্ডৰ

পৰিল উত্তেজিত জনতা। ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাৰ (এনআইএ) আদালত চৌহদৰ বাহিৰত উত্তেজিত জনতাই আক্ৰমণৰ লক্ষ্য কৰি লয় অভিযুক্তকেইগৰাকীক। অভিযুক্তক আৰক্ষীয়ে আগবঢ়াই নিয়াৰ সময়ত আদালত চৌহদৰ বাহিৰত উকীল আৰু উত্তেজিত জনতাৰ দ্বাৰা প্ৰহাৰ কৰা হৈছিল। অধিবক্তাসকলে আনকি অভিযুক্তৰ মৃত্যুদণ্ডৰ দাবীৰে আদালত কক্ষৰ চৌহদৰ ভিতৰতো প্ৰৱেশ কৰিছিল। যেতিয়া মুখ্য অভিযুক্তজনক আৰক্ষীয়ে আদালতৰ বাহিৰত লৈ গৈছিল, ক্ষুব্ধ জনতাই তেওঁলোকক বটল আৰু চটিৰে আক্ৰমণ কৰিছিল। তেওঁলোকে আনকি আৰক্ষীৰ সৈতে সংঘৰ্ষ কৰিছিল আৰু অভিযুক্তজনক প্ৰহাৰ কৰিছিল। অৱশ্যে, আৰক্ষীয়ে সোনকালেই পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয়। ইতিমধ্যে, চাৰিজন অভিযুক্তক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে। উদয়পুৰ হত্যাকাণ্ডৰ গোচৰৰ চাৰিজন অভিযুক্ত- মুখ্য অভিযুক্ত মহম্মদ ৰিয়াজ আৰু ঘৌচ মহম্মদকে ধৰি ১২ জুলাইলৈকে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাৰ (এনআইএ) জিম্মালৈ প্ৰেৰণ কৰা হৈছে। ২৮ জুনত ৰিয়াজ আৰু ঘোচে কানহাইয়া লাল নামৰ এজন হিন্দু ব্যক্তিৰ শিৰশ্চেদ কৰিছিল। উদয়পুৰ হত্যাকাণ্ডটো কেমেৰাত ৰেকৰ্ড কৰা হৈছিল আৰু ইয়াৰ ভিডিঅ' ইতিমধ্যে সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। নূপুৰ শৰ্মাক সমৰ্থন কৰা এটা সামাজিক মাধ্যমৰ পোষ্টৰ বাবে লালক হত্যা কৰা হৈছিল। হত্যাৰ সন্দৰ্ভত কালি আৰু দুজন লোকক গ্ৰেপ্তাৰ কৰা হয়। মহছিন আৰু আচিফ নামৰ অভিযুক্ত দুজন সমগ্ৰ অপৰাধটোৰ আঁৰৰ ষড়যন্ত্ৰ আৰু প্ৰস্তুতিত জড়িত আছিল। চাৰিওজন অভিযুক্তক এতিয়া এনআইএৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। গোচৰটোত কঠোৰ বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ (ইউএপিএ) অধীনত পঞ্জীয়ন কৰা হৈছে।

## দিচাংমুখত দিচাঙৰ বাঢ়নী

ওচৰলৈ গৈছিল। চাপৰিলৈ যাওঁতেই দিচাঙৰ বাঢ়নী পানীত পৰি মৃত্যুমুখত পৰে। মিঠু সৰকাৰে পিতৃ, মাতৃ, জ্যেষ্ঠ ভাতৃ, পত্নীসহ এজন পুত্ৰ আৰু এগৰাকী কন্যাক এৰি থৈ গৈছে। সৰবৰহী যুৱকজনৰ মৃত্যুত আলিছিগা গাঁও উন্নয়ন সমিতি, গাঁওৰক্ষী বাহিনী, দিচাংমুখ সংগীত কলা কেন্দ্ৰ আদি অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তি আদিয়ে শোক প্ৰকাশ কৰিছে।

## 'অমৰ মৃতক' ঘোষণা আলফা

স্বাধীনৰ সদস্য জ্ঞান অসমক 'অমৰ মৃতক' ঘোষণা কৰি সংযুক্ত মুক্তি বাহিনী অসম স্বাধীনৰ উচ্চতম পৰিষদৰ সভাপতি জেনেৰেল পৰেশ অসম আৰু নিম্ন পৰিষদৰ সাধাৰণ সম্পাদক ব্ৰিগেডিয়াৰ অৰুণোদয় অসম স্বাক্ষৰিত এক বিবৃতিত উল্লেখ কৰিছে। বিবৃতিটোত উল্লেখ কৰা মতে প্ৰকৃত বিপ্লৱীৰ বাবে আত্মসমৰ্পণতকৈ ডাঙৰ গ্লানি একো থাকিব নোৱাৰে। তেনে গ্লানিৰ ওচৰত শিৰ নত নকৰি ১ জুলাইত দিনৰ প্ৰায় ১.৩০ বজাত 'সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)'ৰ বিৰুদ্ধে ঔপনিৱেশিক ভাৰতীয় দখলদাৰী বাহিনী আৰু অসম আৰক্ষীয়ে চলোৱা সামৰিক অভিযানত প্ৰকৃত বিপ্লৱীৰ চূড়ান্ত নিদৰ্শন দাঙি গুলীবিদ্ধ হৈ মৃত্যুবৰণ কৰা লেফটেনেণ্ট (মৰণোত্তৰ) জ্ঞান অসম ওৰফে সন্তোষ গগৈ (জন্ম-২৩-০৪-১৯৯৩, পিতৃ- শ্ৰীযুত ঘন্য গগৈ, মাতৃ- শ্ৰীযুতা ফুলমতী গগৈ, গাঁও- বছাগাঁও, ডাকঘৰ- ন-শদিয়া, থানা- ন-শদিয়া, জিলা- তিনিচুকীয়া), সৈনিক নং-২০৫৬৮-২০১৪ 'সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)' সংগঠনৰ তৰফৰ পৰা 'অমৰ মৃতক' ঘোষণা কৰা হয়। অসমৰ সন্মিলিত স্বাধীনতাৰ জাতীয় মুক্তি বিপ্লৱখনৰ তেজে ধোৱা পথত তেওঁৰ অৱদান আৰু আত্মত্যাগে নতুন প্ৰজন্মৰ সংগ্ৰামী সতীৰ্থক যুগে যুগে অনুপ্ৰাণিত কৰিব। 'সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)' সংগঠনে অমৰ মৃতক '২য় লেফটেনেণঅট (মৰণোত্তৰ) জ্ঞান অসম'ৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি তেওঁৰ সৰ্বোচ্চ ত্যাগ অথলে যাবলৈ নিদিয়াৰ দৃঢ় সংকল্পৰে এক বিবৃতি প্ৰেৰণ কৰে।

### বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ নৱ নিৰ্বাচিত জিলা সমিতিৰ শপত গ্ৰহণ আৰু কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগ

## এখন সুন্দৰ সমাজ গঠনত জাতীয় সংগঠনৰ ভূমিকা যথেষ্ট থাকে



**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২ জুলাই ঃ** আজি শনিবাৰে অসমৰ অন্যতম জাতীয় সংগঠন বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ নৱ নিৰ্বাচিত শিৱসাগৰ জিলা সমিতিখনৰ শপত গ্ৰহণৰ লগতে কীৰ্তি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ আজি এক আড়ম্বপূৰ্ণ অনুষ্ঠানৰ দ্বাৰা সম্পন্ন কৰা হয়। সংগঠনটোৰ শিৱসাগৰ নগৰ সমিতি আৰু মহিলা মঞ্চৰ আতিথ্যত নৱ নিৰ্বাচিত সমিতিখনৰ শপত গ্ৰহণ আৰুঃ কীৰ্তি ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্ধনা জনোৱা অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা ৰাজহুৱা সভাখনৰ পৌৰহিত্য কৰে হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভৰত চেতিয়াই। মহিলা মঞ্চৰ সম্পাদিকা পাপৰি বৰুৱা ফুকনে উদ্দেশ্য ব্যাখ্যা কৰা এই শপত গ্ৰহণ অনুষ্ঠানটিৰ আঁত ধৰে নাজিৰা মহকুমা শিক্ষা বিষয়াৰ কাৰ্যাসয়ৰ কৰ্মচাৰী তথা সু-বক্তা অনুৰাগ শৰ্মাই। সভাখনত বিশিষ্ট ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত বিতুপন নেওগে সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত যি সকল ছাত্ৰ ছাত্ৰীৰে সু-খ্যাতিৰে উৰ্ত্তীণ হৈছে তেওঁলোকৰ লগতে অভিভাৱক সকলকো শুভেচ্ছা জ্ঞাপন কৰি কয় যে - এই সকল ছাত্ৰ-ছাত্ৰীয়ে যাতে অনাগত সময়ত শৈক্ষিক দিশত আৰু আগুৱাই গৈ ঐতিহাসিক শিৱসাগৰ জিলাখনৰ নাম উজ্বলাই তুলিবলৈ সক্ষম হয়। ইয়াতেই সকলো অন্ত নপৰে। শিক্ষাৰ পথাৰখনত এই সকল কীৰ্তিমানৰ কৰিব লগীয়া আৰু বহতো আছে বুলি তেওঁ উল্লেখ কৰে। জাতীয় সংগঠনৰ প্ৰসংগত অতিৰিক্ত উপায়ুক্ত গৰাকীয়ে কয় যে- আমি ৰাইজে এখন চৰকাৰ নিৰ্বাচিত কৰোঁ। এই নিৰ্বাচিত চৰকাৰখনে আগন্তুক সময়ত জনকল্যাণমূলক কৰিব লগীয়া কাম সমূহৰ আঁচনি প্ৰস্তুত কৰে আৰু এই আঁচনি সমূহক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত প্ৰশাসনে দায়িত্ব আদায় কৰে। চৰকাৰে কৰিব লগীয়া কাম বাদ পৰি গলে ৰাইজে ইয়াক সময়ে সময়ে আঙুলিয়াই আহিছে। এই ৰাইজৰ লগতে সাঙুৰ খাই আছে জাতীয় সংগঠন সমূহ। ইতিহাসৰ পাট লুটিয়াই চালে দেখা পোৱা যাব যে সামাজিক ক্ষেত্ৰখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত, সমাজখনক গঢ় দিয়াৰ ক্ষেত্ৰত এটা জাতীয় সংগঠনৰ যতেষ্ট পৰিমানৰ অৰিহণা থাকে। আজি বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ যিখন শিৱসাগৰ জিলা সমিতিখনে শপত গ্ৰহণ সম্পন্ন কৰিলে তেওঁলোকেও সমাজখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত এক গুৰু দায়িত্ব পালন কৰিব লাগিব। ইয়াৰ সমান্তৰালভাৱে চৰকাৰী আঁচনি সমূহক ৰূপায়ণ কৰাৰ ক্ষেত্ৰত প্ৰশাসনক সহযোগিতা আগবঢ়াব লাগে বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে। নৃত্য শিল্পী অশ্ৰিতা তামুলীৰ সত্ৰীয়া নৃত্য পৰিৱেশনেৰে শুভাৰম্ভ হোৱা শপত গ্ৰহণ অনুষ্ঠানৰ মুকলি সভাত অংশগ্ৰহণ কৰি শিৱসাগৰ ছোৱালী কলেজৰ বুৰঞ্জী বিভাগৰ অধ্যাপক প্ৰবীন শৰ্মা, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দেৱজিৎ দত্ত, আহোম জাতীয় গণ মঞ্চৰ কেন্দ্ৰীয় সভাপতি মহেন্দ্ৰ দিহিঙিয়া, আটাছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বসন্ত গগৈ, সাংস্কৃতিক কৰ্মী ত্ৰৈলোক্য দত্ত, সংগীত শিল্পী ৰাজেন্দ্ৰ যোশী, বিশিষ্ট ব্যৱসায়ী ৰাধেশ্যাম গাট্টানী, সংগ্ৰামী সেনা অসমৰ পংকজ খাউণ্ড, উজনি অসম মুছলিম কল্যাণ পৰিষদৰ ৱালিফুৰ ৰহমান, শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্ত, জ্যেষ্ঠ সাংবাদিক ফিৰোজ খান, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ প্ৰাক্তন কেন্দ্ৰীয় সভাপতি তথা ৰাইজৰ দলৰ নেতা পদ্মকান্ত দাস, সংগঠনটোৰ বৰ্তমানৰ কেন্দ্ৰীয় কাৰ্যকাৰী সভাপতি যাদৱ গগৈৰ লগতে মনিমালা দত্ত, ব্ৰজেন ফুকন, ৰবীন কলিতা, জয়ন্ত গগৈ, পাৰ্থ গগৈ আদিকে ধৰি বহু দল-সংগঠনৰ নেতা, বিশিষ্ট ব্যক্তি আদিয়ে ভাষণ প্ৰদান কৰি নৱ নিৰ্বাচিত বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ শিৱসাগৰ জিলা সমিতিখনক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আগন্তুক সময়ত জাতীয় স্বাৰ্তক আগস্থান দি কাম কৰি যাবলৈ আহ্বান জনাই। মুকলি সভাখনত অংশগ্ৰহণ কৰা বিশিষ্ট ব্যক্তি সকলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ পিছতেই সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অসমৰ শীৰ্ষ দহ স্থানৰ ভিতৰত তিনিটা স্থান অধিকাৰ কৰি শিৱসাগৰলৈ গৌৰৱ কঢ়িয়াই অনা তিনিগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে প্ৰথম আগৰৱালা, দেৱীস্তুতি হাজৰিকা আৰু বন্দনা বলদোৱাক প্ৰশংসা পত্ৰ, ফোলাম গামোছা, ফুলৰ থোপা আদিৰে উষ্ম আদৰণি জনোৱা হয়। উল্লেখ্য যে বিগত ১৯ জুনত নাজিৰা এম চি ক্লাৱত আগন্তুক তিনি বছৰৰ বাবে নিৰ্বাচিত হোৱা সমিতিখনৰ দায়িত্বভাৰ লাভ কৰে ক্ৰমে উপদেষ্টা হিচাপে নিৰ্বাচিত হয় ক্ৰমে যাদৱ গগৈ, আকাশ শইকীয়া, অনুপ কুমাৰ বৰা আৰু পাৰ্থ গগৈয়ে। সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হয় যদুমনি কলিতাক। কাৰ্যকাৰী সভাপতি বিকাশ কোঁচ, শৈলেন বৰা। সচিৱ প্ৰধান বিষ্ণুজ্যোতি শইকীয়া। সহ-সচিৱ প্ৰধান ক্ৰমে মলয়জ শইকীয়া, অঞ্জন গগৈ, বিকাশ দুৱৰা আৰু দিব্যজ্যোতি দাসক নিযুক্তি দিয়া হয়। সাংগঠনিক সচিৱ হিচাপে ৰাজীৱ ফুকন, প্ৰাঞ্জল বৰুৱা, মুন বাইলুং আৰু প্ৰণৱ বৰগোঁহাইক নিৰ্বাচিত কৰা হয়। শিক্ষা সচিৱৰ দায়িত্ব উত্তম দে' আৰু অৰিন্দম মহন্তক । ক্ৰীড়া সচিৱৰ দায়িত্ব পৰাগ বুঢ়াগোঁহাইক। বিত্ত সচিৱ দেৱজিৎ বৰগোঁহাইক। প্ৰচাৰ সচিৱৰ দায়িত্ব ৰাতুল দুৱৰা আৰু বিকাশ দাসক। কাৰ্যালয় সচিৱৰ দায়িত্ব অৰ্পণ কৰা হয় সঞ্জীৱ শৰ্মাক। আজি এইনৱ নিৰ্বাচিত সমিতিখনে সংগঠনৰ পতাকাৰ তলত সংগঠনটোৰ নীতি আদৰ্শক সৰোগত কৰি এই ৰাজহুৱা সভাতে শপত গ্ৰহণ কৰে। এই শপত গ্ৰহণ অনুষ্ঠানৰ পূৰ্বে নৱ নিৰ্বাচিত সমিতিখনৰ সভাপতি সম্পাদকক বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ আঞ্চলিক-মহকুমা সমিতি সমূহৰ লগতে মহিলা মঞ্চৰ তৰফৰ পৰা মানপত্ৰ গামোছা আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

### ইউক্ৰেইনত আন এক ভয়ংকৰ মিছাইল আক্ৰমণ ৰাছিয়াৰ

# ওডেছাত নিহত ২০জনতকৈ অধিক



**ওডেছা, ২ জুলাই ঃ** ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াৰ আক্ৰমণ অব্যাহত আছে। যোৱা কিছুদিন ধৰি আন্তঃৰাষ্ট্ৰীয় মহলৰ হেচাত আক্ৰমণ থমকি ৰৈছিল যদিও শুকুৰবাৰে ৰাছিয়াই পুনৰ সাগৰীয় বন্দৰ চহৰ ওডেছাত ভয়ংকৰ মিছাইল আক্ৰমণ সংঘটিত কৰে। উল্লেখ্য যে যোৱা ২৪ ফেব্ৰুৱাৰীৰ পৰা এই আক্ৰমণ অব্যাহত আছে। বিপৰীতে ইউক্ৰেইনে মাজে সময়ে প্ৰত্যাক্ৰমণ চলাই আহিছে। প্ৰণিধানযোগ্য এয়ে যে ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধ বন্ধ কৰিবলৈ বিশ্বৰ বিভিন্ন মহলে বিভিন্ন ধৰণে প্ৰচেষ্টা চলাই আছে। কিন্তু ৰাছিয়াই ইউক্ৰেইনৰ ওপৰত ইয়াৰ আক্ৰমণৰ সিদ্ধান্তত অটল হৈ আছে। শুকুৰবাৰে ইউক্ৰেইনৰ বন্দৰ চহৰ ওডেছাত ৰাছিয়াৰ মিছাইল আক্ৰমণত কমেও ১৯ জন লোক নিহত হৈছে।কৃষ্ণ সাগৰৰ পৰা ৰাছিয়াৰ কৌশলগত পশ্চাদপসৰণৰ ঠিক এদিন পিছতে এই আক্ৰমণটো সংঘটিত হয়।এই সংক্ৰান্তত এটা ভিডিঅ' দেখা গৈছে। ভিডিঅ'টোত ওডেছাৰ পৰা ৫০ কিলোমিটাৰ দক্ষিণ-পশ্চিমত থকা অঞ্চলটোৰ ঘৰসমূহৰ ওপৰত মিছাইল আক্ৰমণৰ জীৱন্ত ছবি দেখা গৈছে।ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ে কয় যে ৰাছিয়াৰ দ্বাৰা নিক্ষেপ কৰা তিনিটা এ'-২২ মিছাইলে অঞ্চলটোৰ ঘৰ আৰু শিবিৰসমূহ ধ্বংস কৰি দিছে।"এখন উগ্ৰবাদী দেশে আমাৰ লোকসকলক হত্যা কৰিছে। যুদ্ধক্ষেত্ৰত পৰাজিত হৈ তেওঁলোকে আমাৰ সাধাৰণ নিৰীহ দেশবাসীক আক্ৰমণ কৰি আছে," ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলোডিমিৰ জেলেনস্কিৰ কাৰ্যালয়ৰ মুৰব্বী আন্দ্ৰে য়েৰমাকে এইদৰে কয়।

### উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হ'ব নেকি কেপ্টেইন অমৰিন্দৰ সিং

#### পঞ্জাবৰ প্ৰাক্তন মুখ্যমন্ত্ৰীজনে অচিৰেই বিজেপিত যোগদানৰ সম্ভাৱনা



**নতুন দিল্লী, ২ জুলাই ঃ** পঞ্জাবৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, কংগ্ৰেছ দলৰ পদত্যাগী নেতা কেপ্টেইন অমৰিন্দৰ সিঙে আগন্তুক উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত এন ডি এ মৰ্চাৰ প্ৰাৰ্থী হ'ব বুলি চৰ্চা চলিছে। উল্লেখ্য যে ৰাজ্যখনৰ বিধানসভাৰ নিৰ্বাচনৰ প্ৰায় এবছৰৰ পূৰ্বে অমৰিন্দৰ সিঙক অপসাৰণ কৰা হৈছিল। তেতিয়াই কংগ্ৰেছ দল ত্যাগ কৰি নিজাকৈ এটা দল গঠন কৰিছিল। পিছৰ পৰ্যায়ত নতুন দলটোৰ বেনাৰত বিধানসভাৰ নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। বিজেপিৰ সৈতে আসনৰ ভাগ বটোৱাৰা কৰি নিৰ্বাচন খেলিলেও জয়ৰ মুখ দেখিবলৈ সক্ষম নহ'ল। ৰাজ্যখনত আম আদমী পাৰ্টীয়ে বৃহৎ বিজয় সাব্যস্ত কৰাৰ লগতে চৰকাৰ গঠন কৰিছে। কিন্তু তেতিয়াৰ পৰাই বিজেপিৰ সৈতে সু-সম্পৰ্ক বজাই ৰাখিছে। আগন্তু উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত অমৰিন্দৰ সিঙে প্ৰতিদ্বন্দ্বিতাৰ বাবে আগ্ৰহ প্ৰকাশ কৰা বুলি চৰ্চিত হৈছে। কিন্তু বিজেপিয়ে তেওঁক নিজৰ দলত যোগদানৰ পৰামৰ্শ দিয়া বুলি কোৱা হৈছে। সেয়েহে বিজেপিত যোগদান কৰি প্ৰাক্তন মুখ্যমন্ত্ৰীজনে উপ-ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ হাবিয়াস কৰা বিষয়টো এতিয়া সংবাদ মাধ্যমত আলোকিত হৈছে। ইফালে পঞ্জাৱ লোক কংগ্ৰেছ দল গঠন কৰা অমৰিন্দৰে কেৱল নিজে বিজেপিলৈ আহিব নে গোটেই দলটোকে বিজেপিত চামিল কৰোৱাব সেই বিষয়টো আলোচনা পৰ্যায়তে আছে। অহা ৬ আগষ্টত উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ দিন ঘোষণা কৰা হৈছে। ইতিমধ্যে নিৰ্বাচন আয়োগে অহা পাঁচ জুলাই তাৰিখে এই সম্পৰ্কীয় নিৰ্দেশনা জাৰি কৰিব। অহা ১৯ জুলাই তাৰিখে উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ২২ জুলাই তাৰিখে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। অহা দহ আগষ্ট তাৰিখে বৰ্তমানৰ উপ-ৰাষ্ট্ৰপতি ভেংকয়া নাইডুৰ কাৰ্যকাল সমাপ্ত হ'ব। গতিকে ইয়াৰ পূৰ্বেই পৰৱৰ্তী উপ-ৰাষ্ট্ৰপতি এগৰাকী নিৰ্বাচিত কৰিবৰ বাবে ইতিমধ্যে পদক্ষেপ লোৱা দেখা গৈছে। উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ প্ৰাকক্ষণত দেশত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰক্ৰিয়া অব্যাহত আছে। অহা ১৮ জুলাই তাৰিখে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগ্ৰহণ আৰু ২১ জুলাই তাৰিখে ভোট গণনা আছে। দেশৰ সাংবিধানিক মুৰব্বী হিচাপে ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতি দুয়োগৰাকীৰ নিৰ্বাচন সমসাময়িকভাৱে অনুষ্ঠিত কৰা হৈছে আৰু এই প্ৰক্ৰিয়া আগন্তুক স্বাধীনতা দিৱসৰ পূৰ্বে সমাপ্ত হ'ব।

### কলকাতা আৰক্ষীৰ 'লুক-আউট' জাননী নূপুৰ শৰ্মাৰ বিৰুদ্ধে

**কলকাতা, ২ জুলাই ঃ** মহম্মদ প্ৰফেটৰ বিৰুদ্ধে বিতৰ্কিত মন্তব্য প্ৰকাশ কৰা বিজেপিৰ নিলম্বিত মুখপাত্ৰ নূপুৰ শৰ্মাৰ বিৰুদ্ধে কলকাতা আৰক্ষীয়ে দুটাকৈ গোচৰ ৰুজু কৰিছে। সম্প্ৰতি আৰক্ষীয়ে লুক-আউট জাননী অৰ্থাৎ পলাতক হিচাপে ঘোষণা কৰিছে। উল্লেখ্য যে পশ্চিমবংগৰ নাৰকেলডাংগা আৰক্ষী থানাত যোৱা ২০ জুন তাৰিখে এটা গোচৰ পঞ্জীয়ন হৈছিল। আনহাতে ২৫ জুন তাৰিখে আমহাৰ্ষ্ট আৰক্ষী থানাত অন্য এটা গোচৰ পঞ্জীয়ন হৈছিল। তেওঁক কায়িকভাৱে উপস্থিত থকাৰ নিৰ্দেশনা জাৰি কৰা হৈছিল। দুয়োটা গোচৰৰ বাবে আৰক্ষীয়ে তেওঁক সোধাপোছাৰ বাবে একাধিকবাৰ চমন জাৰি কৰিছে। কিন্তু তেওঁৰ কাৰণে কলকাতাত উপস্থিত হোৱা কাৰ্য নিৰাপত্তাজনিত কাৰণত সূচল নহয় বুলি ই-মেইলৰ জৰিয়তে কলকাতা আৰক্ষী আয়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰিছিল। আনহাতে, পশ্চিমবংগ বিধানসভাত নূপুৰ শৰ্মাৰ বিৰুদ্ধে গৰিহণা দি প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে তেওঁৰ বিৰুদ্ধে আইনী পদক্ষেপ ল'বলৈ সিদ্ধান্ত লৈছিল। উল্লেখ্য যে মে' মাহৰ শেষৰফালে নূপুৰ শৰ্মাই টিভিৰ এটা কাৰ্যসূচীত অংশ লৈ মহম্মদ প্ৰফেটৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য প্ৰকাশ কৰিছিল।



বিজেপিৰ মুখপাত্ৰগৰাকীয়ে পিছৰ পৰ্যায়ত তেওঁৰ মন্তব্য প্ৰত্যাহাৰ কৰিছিল। তেওঁৰ এই মন্তব্যৰ বিৰুদ্ধে ১৪ খন দেশত প্ৰতিবাদ হৈছিল। কাটাৰ, পাকিস্তান, আফগানিস্তান আদিত ভাৰতৰ এইগৰাকী নেত্ৰীৰ বিৰুদ্ধে কঠোৰ শাস্তি প্ৰদানৰ দাবী উঠিছিল। আনকি ঠায়ে ঠায়ে ভাৰতীয় সামগ্ৰী বৰ্জন কৰিবলৈ মুছলমান বিশ্বৰ নাগৰিকসকলৰ প্ৰতি একাংশ মৌলবীয়ে আহবান জনোৱাও পৰিলক্ষিত হৈছিল। নিজৰ দেশৰ ভিতৰতো কলকাতা, হায়দৰাবাদ, মুম্বাই আদিত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল। হিংসাত্মক প্ৰতিবাদৰ ফলত উত্তৰাখণ্ডত দুজন লোকৰ মৃত্যু হৈছিল আৰু পশ্চিমবংগতো এজনৰ মৃত্যু হৈছিল। শেহতীয়াকৈ ৰাজস্থানৰ উদয়পুৰত হোৱা শিৰশ্চেদৰ ঘটনাত নূপুৰ শৰ্মাৰ সমৰ্থক এগৰাকী দৰ্জীক হত্যা কৰা হৈছিল। দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে এদিনৰ পূৰ্বে নূপুৰ শৰ্মাক কঠোৰ ভাষাৰে সমালোচনা কৰিছিল আৰু দেশবাসীৰ ওচৰত ক্ষমা খুজিবলৈ আহ্বান জনাইছিল। এনেকৈয়ে বিভিন্ন পক্ষৰ সমালোচনাৰ সন্মুখীন হোৱা বিজেপিৰ নিলম্বিত মুখপাত্ৰ নূপুৰ শৰ্মা সম্প্ৰতি পলাতক বুলি পশ্চিমবংগ আৰক্ষীয়ে ৰাজহুৱাভাৱে জাননী জাৰি কৰা কাৰ্যই বিশেষ তাৎপৰ্য বহন কৰিছে।

### শিৱসেনাৰ মজিয়াত চলিছে আচল-নকলৰ সন্ধান

# মুখ্যমন্ত্ৰী একনাথ সিন্দেক অপসাৰণ কৰি প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ পত্ৰ



**মুম্বাই, ২ জুলাই ঃ** একনাথ সিন্দেই সোমবাৰে মহাৰাষ্ট্ৰ বিধানসভাত সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব। তাৰ পূৰ্বে প্ৰকৃত শিৱসেনা কোন তাকলৈ যুঁজ অব্যাহত আছে। উদ্ধৱ ঠাকৰেই এই যুঁজৰ মাজতে নিক্ষেপ কৰিলে এডাল নতুন শৰ! তেওঁ সিন্দেক দলৰ নেতাৰ পদৰ পৰা অপ সাৰিত কৰি দিলে।উদ্ধৱ ঠাকৰে দিয়া পত্ৰখনত কয় যে তেওঁক "দল বিৰোধী কাৰ্যকলাপৰ" বাবে অপসাৰণ কৰা হৈছে। পত্ৰখনত মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে সিন্দেও স্বেচ্ছাই দলৰ সদস্য পদ ত্যাগ কৰিছে।কিন্তু এই পত্ৰখন কিমান কাৰ্যকৰী হ'ব। ইয়াৰ আগতে সিন্দে নিজেই দাবী কৰিছিল যে তেওঁ শিৱসেনাৰ নেতা। উদ্ধৱৰ পক্ষ দলৰ ভিতৰত সংখ্যালঘু। অৱশ্যে সিন্দে কেতিয়াও দলৰ মুৰব্বী বুলি দাবী কৰা নাছিল। প্ৰণালীগত ভাৱে উদ্ধৱেই এতিয়া দলৰ মুৰব্বী।সিন্দে পন্থী শিৱসেনাৰ এগৰাকী নেতাৰ মতে উদ্ধৱ ঠাকৰেই এই কথাটোৰ আধাৰতে পত্ৰখন দিছে। পত্ৰখনত তেওঁ লিখিছে, "মই এতিয়াও শিৱসেনাৰ মুৰব্বী। সেই ক্ষমতাৰেই মই একনাথ সিন্দেক দলৰ নেতাৰ পদৰ পৰা অপসাৰিত কৰিছো।উক্ত নেতাগৰাকীৰ মতে সিন্দেই সোমবাৰেই বিধানসভাত সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব লাগিব। উদ্ধৱৰ পত্ৰখন তাৰ পূৰ্বে তেওঁৰ ওপৰত এক চাপ সৃষ্টিক কৌশল।ইয়াৰ পূৰ্বে শিৱসেনাৰ মুখ্য সচেতক (চীফ হুইপ) সুনীল প্ৰভুৱে সিন্দেকে ধৰি ১৬ গৰাকী বিদ্ৰোহী বিধায়কৰ তেওঁলোকৰ বিধায়ক পদ খাৰিজৰ আবেদন নিষ্পত্তি নোহোৱালৈকে বিধানসভাত নিলম্বনৰ দাবী জনাই আদালতৰ কাষ চাপিছে। অহা ১১ জুলাইত আদালতত এই আবেদনৰ শুনানি হ'ব।



*প্ৰাক্তন মুখ্যমন্ত্ৰী হ'লগৈ নতুন উপ-মুখ্যমন্ত্ৰী, কেবিনেট মন্ত্ৰী হ'লগৈ মুখ্যমন্ত্ৰী— দেশত মহাৰাষ্ট্ৰৰ নতুন চৰকাৰৰ সমীকৰণ চৰ্চিত হৈ থকাৰ মাজতে দেৱেন্দ্ৰ ফাৰনৱিচক সৈমান কৰাবলৈ স্বয়ং প্ৰধানমন্ত্ৰীয়ে হেঁচা দিয়া বুলি প্ৰকাশ পাইছে*

### ধনৰ অবৈধ লেনদেনৰ গোচৰ

# সঞ্জয় ৰাউটক ১০ ঘণ্টা এনফ'ৰ্চমেণ্টৰ মাৰাথন জেৰা



**নতুন দিল্লী, ২ জুলাই ঃ** প্ৰৱৰ্তন সঞ্চালকালয়ে (ইডি) অবৈধ বিত্তীয় লেনদেনৰ গোচৰৰ সন্দৰ্ভত শিৱসেনাৰ নেতা তথা সাংসদ সঞ্জয় ৰাউটক ১০ ঘণ্টা ধৰি জেৰা কৰে। সঞ্জয়ে শুকুৰবাৰে পুৱা প্ৰায় ১১.৩০ বজাত দক্ষিণ মুম্বাইৰ বেলাৰ্ড ইষ্টেটৰ ইডি কাৰ্যালয়ত প্ৰৱেশ কৰিছিল। জেৰাৰ পিছত তেওঁ নিশা প্ৰায় ৯.৩০ বজাত তাৰ পৰা ওলাই আহে।ইডিৰ কাৰ্যালয়ৰ পৰা ওলাই আহি ৰাউটে কয় যে তেওঁ তদন্তত সকলো সহায় আগবঢ়াব। তেওঁ কয়, "সংস্থাটোৰ কাম হৈছে তদন্ত কৰা। আমাৰ কাম হৈছে তদন্তত সকলো ধৰণে সহায় কৰা। ইডিয়ে মোক মাতিছিল। সেইকাৰণে মই আহিছিলো। কাইলৈ মাতিলে আকৌ আহিম।"সঞ্জয় ৰাউট ইডি কাৰ্যালয়ত প্ৰৱেশ কৰাৰ আগতে অঞ্চলটোত বৃহৎ সংখ্যক আৰক্ষী মোতায়েন কৰা হৈছিল। ইয়াৰ কাৰণ হ'ল শিৱসেনাৰ বহুতো কৰ্মী ইতিমধ্যে তাত গোট খাইছিল। ৰাস্তাৰ দুয়োফালে বেৰিকেডো স্থাপন কৰা হৈছিল।উল্লেখ্য যে যোৱা ২৮ জুনত ইডিয়ে সঞ্জয় ৰাউটক কাৰ্যালয়ত হাজিৰ হ'বলৈ মাতি পঠিয়াইছিল। শিৱসেনাৰ সাংসদজনে ইডিৰ চমনখনক "ৰাজনৈতিক উদ্দেশ্যে প্ৰণোদিত" বুলি অভিহিত কৰিছিল। শুকুৰবাৰে তেওঁ ইডিৰ কাৰ্যালয়ত প্ৰৱেশ কৰাৰ আগ মুহূৰ্ততো তেওঁৰ কণ্ঠত এই একেই সুৰেই শুনা গৈছিল।তেওঁ সংবাদ মাধ্যমৰ আগত কৈছিল, "মই ইডিৰ কাৰ্যালয়লৈ যাওঁ। সকলোৱে জানে যে এইটো সম্পূৰ্ণ ৰাজনৈতিক। তেওঁলোকে মাতি পঠিয়াইছে। মই এজন নাগৰিক হোৱাৰ লগতে এগৰাকী সাংসদো। "অৱশ্যে, জেৰাৰ পৰা ওলাই অহাৰ পিছত সঞ্জয় ৰাউটৰ মুখত সেই অভিযোগ আৰু শুনা নগ'ল। ১০ ঘণ্টাজোৰা জেৰাৰ পিছত তেওঁ তদন্তত সকলোধৰণ সহায়ৰ আশ্বাস দিয়েই ঘৰলৈ খোজ লয়।

### মহাৰাষ্ট্ৰত নূপুৰ শৰ্মাৰ সমৰ্থকৰ অন্য এক হত্যাকাণ্ড উন্মোচিত

# অমৰাৱতীৰ ৰসায়ন বিজ্ঞানীৰ হত্যাৰ তদন্ত আৰম্ভ

**অমৰাৱতী, ২ জুলাই ঃ** মহাৰাষ্ট্ৰ প্ৰদেশৰ অমৰাৱতী জিলাত যোৱা ২১ জুন তাৰিখে ৫৪ বয়সীয়া এজন ৰসায়ণ বিজ্ঞানীক হত্যা কৰা হৈছিল। এই হত্যাকাণ্ডৰ তদন্ত কৰাত মহাৰাষ্ট্ৰৰ তদানীন্তন চৰকাৰ ব্যৰ্থ হ'ল। মূলতঃ তদন্তকাৰ্য খৰতকীয়া কৰা নহ'ল। সংবাদ মাধ্যমত প্ৰকাশিত তথ্য অনুসৰি বিজেপিৰ মুখপাত্ৰ নূপুৰ শৰ্মাক সমৰ্থন কৰি সংশ্লিষ্ট লোকজনে নিজৰ ফেচবুকৰ জৰিয়তে অভিমত প্ৰকাশ কৰিছিল। ইয়াৰ বাবেই হত্যাৰ বলি হৈছিল ব্যক্তিজন। ইফালে এই ঘটনা শেহতীয়াকৈ পুনৰ চৰ্চিত হৈ পৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উমেশ কুলহী নামৰ উক্ত ব্যক্তিজনৰ হত্যাৰ তদন্ত নিয়াৰ হাতত অৰ্পণ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে অমৰাৱতী হত্যাকাণ্ডৰ তদন্তৰ দায়িত্ব



আনুষ্ঠানিকভাৱে নিয়াক অৰ্পণ কৰাৰ পিছৰে পৰা বিষয়টো অধিক চৰ্চিত হৈ পৰিছে। এই হত্যাকাণ্ডত এক গভীৰ ষড়যন্ত্ৰ লুকাই থকা বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে আশংকা কৰিছে। লগতে ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কোনোবা দল বা সংগঠন জড়িত হৈ আছে নেকি সেই বিষয়টো উন্মোচিত হৈ পৰিব তদন্তৰ জৰিয়তেহে। প্ৰণিধানযোগ্য এয়ে যে ইতিপূৰ্বে এই হত্যাকাণ্ডত জড়িত থকাৰ সন্দেহত ছজন লোক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীয়ে আটাইকেইজনকে নিজৰ জিম্মাত লৈ সোধাপোছা অব্যাহত ৰাখিছে। ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২, ১২০(খ) আৰু ৩৪ আৰোপ কৰি গোচৰ পঞ্জীয়ন কৰা হৈছে। অমৰাৱতীৰ উপ-আৰক্ষী আয়ুক্ত বিক্ৰম ছালিয়ে সংবাদ মাধ্যমৰ আগত কয় যে প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি এই হত্যাকাণ্ডৰ সৈতে বিভিন্ন পক্ষ জড়িত থকাৰ সন্দেহ ঘনীভূত হৈছে। গতিকে তদন্তৰ জৰিয়তে সকলো অপৰাধী চিনাক্ত হ'ব বুলি আৰক্ষী বিষয়াজনে ব্যক্ত কৰিছে। মৃত উমেশৰ পুত্ৰ সংকেতে আৰক্ষীৰ ওচৰত এক গোচৰ ৰুজু কৰিছিল। সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে ২১ জুনৰ নিশা নিজৰ কৰ্তব্যস্থলীৰ পৰা দুচকীয়া বাহনেৰে তেওঁৰ পিতৃয়ে ঘৰলৈ আহি আছিল। সংকট আৰু তেওঁৰ পত্নী আছিল অন্য এখন দুচকীয়া বাহনত। কিন্তু মাজপথত উমেশৰ বাহনখন আগুৰি ধৰে দুজন ব্যক্তিয়ে। উমেশক চোকা অস্ত্ৰৰে আক্ৰমণ কৰে আৰু গুৰুতৰভাৱে জখম কৰি ব্যক্তি দুজন আঁতৰি যায়। লৰালৰিকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। ইফালে স্থানীয় আৰক্ষীয়ে এই ঘটনা সঠিকভাৱে তদন্ত নকৰাৰ অভিযোগ উঠিছে। সেয়েহে বিগত দহ দিনতকৈ অধিক সময় পাৰ হ'ল যদিও দোষী চিনাক্ত নহ'ল। কিন্তু ৰাজস্থানৰ উদয়পুৰত কানহায়ালাল নামৰ এজন দৰ্জী হত্যা কাণ্ডৰ বলি হ'ল নূপুৰ শৰ্মাক সমৰ্থন কৰাৰ বাবে। মহাৰাষ্ট্ৰৰ অমৰাৱতীৰ বাসিন্দাজনেও নূপুৰ শৰ্মাক সমৰ্থন কৰি মুছলমান মৌলবাদীৰ আক্ৰমণৰ বলি হ'ল বুলি স্থানীয় সংবাদ মাধ্যমত শেহতীয়াকৈ চৰ্চিত হৈছে। গতিকে ৰাজস্থানৰ উদয়পুৰৰ ঘটনাৰ পিছতে অমৰাৱতীৰ হত্যাকাণ্ডৰ বিষয়টোৱে নতুন মাত্ৰা লাভ কৰিবলৈ সক্ষম হোৱা দেখা গৈছে।

# উদয়পুৰ হত্যাকাণ্ডৰ এজন অভিযুক্ত বিজেপি দলৰ সদস্য

### কংগ্ৰেছ নেতা পৱন খেৰাৰ অভিযোগ

**নতুন দিল্লী, ২ জুলাই ঃ** ৰাজস্থানৰ উদয়পুৰত কানহায়ালাল টেলিৰ শিৰশ্চেদ কাৰ্যৰ সৈতে জড়িত দুই মূল অপৰাধী এজন বিজেপি দলৰ সদস্য বুলি অভিযোগ আনিছে কংগ্ৰেছ নেতা পৱন খেৰাই। নতুন দিল্লীত এক সংবাদ মেলৰ জৰিয়তে কংগ্ৰেছৰ মিডিয়া আৰু প্ৰচাৰ গোটৰ অধ্যক্ষ পৱন খেৰাই কয় যে ৰিয়াজ আখতাৰী নামৰ যিজন ব্যক্তি হত্যাৰ অপৰাধত আৰক্ষীৰ জিম্মাত আছে, তেওঁ প্ৰকৃততে বিজেপি দলৰ এজন সদস্য। গতিকে এই সদস্যজনক সুৰক্ষিত কৰিবলৈহে কেন্দ্ৰই তদন্তৰ দায়িত্ব নিয়াক অৰ্পণ কৰিছেনেকি বুলি সংবাদ মাধ্যমত প্ৰশ্নৰ উত্থাপন কৰিছে। কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত আয়োজন কৰা এক সংবাদ মেলত পৱন খেৰাই কয় যে উদয়পুৰৰ ঘটনা অতিশয় স্পৰ্শকাতৰ আৰু এই বিষয়ত প্ৰকৃত অনুসন্ধানৰ আৱশ্যকতা আছে। দেশৰ সংবাদ মাধ্যমে বিষয়টো ৰাইজৰ মাজলৈ টানি আনিছে। গতিকে প্ৰকাশ পাইছে যে ৰিয়াৰ আট্টাৰী নামৰ হত্যাকাৰীজন আচলতে বিজেপি দলৰ পোনপটীয়া সদস্য। তেওঁ ৰাজ্যিক বিজেপিৰ বহু কৰ্মকৰ্তাৰ সৈতে সু-সম্পৰ্ক বজাই ৰখাৰ লগতে বিজেপিৰ কাৰ্যসূচী সমূহতো উপস্থিত আছিল। আনকি প্ৰাক্তন গৃহমন্ত্ৰী, ৰাজস্থানৰ বিজেপি নেতা গোলাপ চান্দ খাটাৰিয়াৰ সৈতে হত্যাকাৰী ৰিয়াজৰ ঘনিষ্ঠতাৰ ফটো সংবাদ মাধ্যমত প্ৰচাৰিত হৈছে। কংগ্ৰেছ নেতাজনে দাবী কৰে যে বিজেপিৰ নেতা ইৰছাদ ছাইৱালা, মহম্মদ তাহিৰ আৰু অন্য একাংশৰ ফেচবুকত হত্যাকাৰী ৰিয়াজৰ ফটো আৰু তেওঁলোকৰ সৈতে থকা ঘনিষ্ঠ সম্পৰ্কৰ ফটো আপলোড কৰা হৈছিল। গতিকে ভাৰতীয় জনতা পাৰ্টীৰ সক্ৰিয় সদস্য হিচাপে, বিশেষকৈ সংখ্যালঘু কোষৰ বিভিন্ন কামকাজত এইজন হত্যাকাৰী ৰিয়াজ জৰিত থকা বিষয়টো স্পষ্ট হৈছে। কংগ্ৰেছ নেতাজনে লগতে কয় যে উদয়পুৰৰ হত্যাকাণ্ড সম্পৰ্কত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহ মৌন হৈ আছে। আনহাতে বিজেপিৰ কৰ্মকৰ্তাসকলে এই ঘটনাৰ মাজেৰে কেৱল সাম্প্ৰদায়িক ৰহণ সানি ৰাজনৈতিক মুনাফা ল'বলৈ তৎপৰ হৈ পৰিছে বুলিও সংবাদ মেলত অভিযোগ কৰা হৈছে। প্ৰণিধানযোগ এয়ে যে যোৱা মঙলবাৰে কানহায়ালাল দৰ্জীক দুই মুছলমান মৌলবাদীয়ে শিৰশ্চেদ কৰি হত্যা কৰিছিল। ইয়াৰে এজন আছিল ঘোছ মহম্মদ আৰু অন্যজন ৰিয়াজ মহম্মদ ওৰফে ৰিয়াজ আট্টাৰি বুলি চিনাক্ত হৈছে।



বিজেপিৰ ৰাজস্থানৰ সংখ্যালঘু কোষৰ বিভিন্ন সভাত হত্যাকাৰী ৰিয়াজ নিয়মীয়াকৈ উপস্থিত আছিল।





*হাৰিয়ানাৰ যাতব সম্প্ৰদায়ৰ দুই হাজাৰোধিক পৰিয়ালৰ এখন গাঁৱত ঘৰে ঘৰে এজেনকৈ চিপাহী নিযুক্ত হৈ আছে। অগ্নিপথ আঁচনিয়ে গাঁওবাসীক শংকিত কৰিছে আগন্তুক সময়ত নিজৰ সন্তানক সেনাবাহিনীৰ চাকৰিৰ নামত অনিশ্চিত ভৱিষ্যতলৈ আগবঢ়াই দিয়া হ'ব বুলি*

### হায়দৰাবাদত বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক

# প্ৰধানমন্ত্ৰী মোদীসহ বিজেপিশাসিত সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰী থাকিব উপস্থিত



**হায়দৰাবাদ, ২ জুলাই ঃ** দুদিনীয়া কাৰ্যসূচীৰে তেলেংগানাৰ ৰাজধানী হায়দৰাবাদত বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সভাৰ আহবান কৰা হৈছে। শনিবাৰে বিয়লিৰ পৰা আৰম্ভ হোৱা এই সভা দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। এই সভাত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আদিৰ উপৰিও কাৰ্যনিৰ্বাহক সমিতিৰ সকলোবোৰ সদস্য, বিজেপি শাসিত ৰাজ্যসমূহৰ সকলোবোৰ মুখ্যমন্ত্ৰী, বিজেপিৰ সকলোবোৰ সাংসদ, বিধায়ক, ৰাজ্যিক সভাপতি আৰু ৰাষ্ট্ৰীয় নেতৃত্ব উপস্থিত থাকিব। এই সভাত পাঁচ হাজাৰোধিক লোক তথা বিজেপিৰ কাৰ্যকৰ্তা উপস্থিত থাকিব বুলি প্ৰকাশ পাইছে। এই সভাৰ মূল উদ্দেশ্য হ'ল ২০২৪ চনৰ লোকসভাৰ নিৰ্বাচনৰ প্ৰস্তুতি। উল্লেখ্য যে আগন্তুক লোকসভাৰ নিৰ্বাচনৰ বাবে মাজত ২০ মাহতকৈ অধিক সময় আছে। বিগত তিনি বছৰে ক'ভিড সংক্ৰমণ, লকডাউন, অৰ্থনৈতিক মণ্ডাৱস্থা আদিৰ বিৰুদ্ধে যুঁজ দি সময় পাৰ হোৱা দেখা গৈছে। দেশত নিৱনুৱা সমস্যাই ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ বাবে আগন্তুক ডেৰ বছৰত কমেও দহ লাখ লোকক নিযুক্তি দিবলৈ ৰাজ্যসমূহৰ প্ৰতি প্ৰধানমন্ত্ৰী মোদীয়ে আহবান জনাইছে। মূলতঃ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠানসমূহৰ উপৰিও বিজেপি শাসিত ৰাজ্যসমূহত এই নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰি নিৰ্বাচনৰ সময়ত ইতিবাচক পৰিৱেশ সৃষ্টিৰ কৌশল ৰচনা কৰা হৈছে। আনহাতে চলিত বৰ্ষৰ শেষৰ ফালে আৰু আগন্তুক বৰ্ষৰ প্ৰথম ভাগতে গুজৰাট, হিমাচল প্ৰদেশ আৰু কৰ্ণাটকত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই তিনিওখন ৰাজ্যত বিজেপিৰ শাসন আছে। আগন্তুক বৰ্ষত হাৰিয়ানা আৰু ত্ৰিপুৰাতো আছে বিধানসভাৰ নিৰ্বাচন। আনহাতে তেলেংগানাৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাওৰ বিৰুদ্ধে বিজেপিয়ে কৌশলগত বিৰোধিতা অব্যাহত ৰাখিছে। তেলেংগানাত আগন্তুক নিৰ্বাচনত বিজেপিয়ে ক্ষমতা দখলৰ বাবে সুবিধা হোৱাকৈ আৰু প্ৰয়োজনীয় প্ৰচাৰ লাভ কৰাৰ উদ্দেশ্যৰে এই ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক আয়োজন কৰা হৈছে। বিগত ১৮ বছৰৰ পিছত হায়দৰাবাদত বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক আয়োজন কৰি প্ৰকৃততে দলটোৱে নিজৰ প্ৰতিপত্তি প্ৰদৰ্শন কৰিব খুজিছে। আনহাতে ৰাষ্ট্ৰীয় নেতা, বিভিন্ন প্ৰদেশৰ মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সদস্য আদিয়ে দেওবাৰে তেলেংগানাৰ ১১৯টা বিধানসভা সমষ্টিত উপস্থিত থাকি বিভিন্ন জনসভা আৰু শোভাযাত্ৰা আদিত ভাগ ল'ব বুলি প্ৰকাশ পাইছে। তেলেংগানা বিজেপিৰ মুখপাত্ৰ এন ভি সুভাষে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰিছে। ইফালে কাৰ্যনিৰ্বাহক সভাৰ পূৰ্বেই শুকুৰবাৰে হায়দৰাবাদত উপস্থিত হৈ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই বিশাল শোভাযাত্ৰাৰ শুভাৰম্ভ কৰিছিল। দলৰ কাৰ্যকৰ্তা আৰু অনুৰাগীসকলৰ লগতে স্থানীয় ৰাইজৰ অংশগ্ৰহণ উল্লেখনীয় বুলি সংবাদ মাধ্যমৰ জৰিয়তে চৰ্চিত হৈছে। আনহাতে শনিবাৰে স্বয়ং প্ৰধানমন্ত্ৰী মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী আদিয়ে হায়দৰাবাদত উপস্থিত হোৱা বুলি প্ৰকাশ পাইছে। আগন্তুক ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত বিৰোধী দলসমূহৰ প্ৰক্ষেপিত প্ৰাৰ্থী যশৱন্ত সিনহাক সমৰ্থন কৰিব বুলি ইতিমধ্যে তেলেংগানাৰ ৰাষ্ট্ৰীয় সমাজৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাৱে ঘোষণা কৰিছে। ইফালে চলিত বৰ্ষত নিজৰ ৰাজ্যত দুবাৰকৈ প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনোৱাৰ পৰা বিৰত আছিল মুখ্যমন্ত্ৰীজন। বিজেপিৰ বিৰুদ্ধে শেহতীয়াকৈ অতিশয় সৰৱ হৈ পৰা সময়তে তেলেংগানাত গেৰুৱা দলটোৰ এই কাৰ্যসূচী লক্ষ্যণীয় হৈ পৰিছে।

# চেলেক মৰি দিচৈৰ ভগা কালভাৰ্টৰ ওপৰত থকা জৰাজীৰ্ণ দলঙে জলা-কলা খুৱাইছে ১০খনৰো অধিক গাঁৱৰ ৰাইজক

## স্থায়ী দলং নিৰ্মাণৰ বাবে ৰাইজৰ আহ্বান কৃষিমন্ত্ৰী অতুল বৰাক

**দৈনন্দিন বাৰ্তা সেৱা, মহুৰামুখ, ২ জুলাই ঃ** কৃষিমন্ত্ৰী অতুল বৰাৰ গৃহ সমষ্টি বোকাখাতৰ মহুৰা আৰু ৰঙামাটি মৌজাৰ ব্ৰহ্মপুত্ৰ নৈপৰীয়া বানাক্ৰান্ত অঞ্চল সমূহৰ বাট-পথ আৰু দলং সমূহৰ ছবিয়ে তুলি ধৰে উন্নয়নৰ ঢাক-ঢোল বজোৱা চৰকাৰখনৰ ফোঁপোলা স্বৰূপ। বিজ্ঞানৰ জয় যাত্ৰাই শীৰ্ষত অৱস্থান কৰা বিশ্ববাসীৰ মাজতে অসম মুলুকত আদিম মানৱৰ দৰে বসবাস কৰি লগা হৈছে আজিও দুসুঁতি মুখ, উত্তৰ মহুৰা আৰু দিচৈ পঞ্চায়ত বাসী ৰাইজ। উন্নয়ন শীল চৰকাৰৰ পোন্ধৰ বছৰীয়া দিনত একো উন্নয়নেই স্পৰ্শ কৰিব নোৱাৰাৰ পিছত পৰিৱৰ্তনকামী চৰকাৰৰ সাত বছৰীয়া কাৰ্যকালেও পৰিৱৰ্তন আনিব পৰা নাই অঞ্চলৰসমূহলৈ। মাত্ৰ ৰাজনৈতিক লাভালাভ আৰু ব্যক্তিগত মুনাফা লাভৰ বাবেই তথা কথিত ৰাজনৈতিক পালিনেতাক পোহপাল দি চৰকাৰী শিতানৰ ধন শৰাধ কৰি অহা কথা বিভিন্ন সময়ত আমাৰ প্ৰতিবেদনৰ জৰিয়তে প্ৰকাশ কৰি আহিছোঁ। সমান্তৰালভাৱে কাষৰীয়া খুমটাই সমষ্টিৰ অন্তৰ্গত গাওঁ সমূহৰ বাট-পথ আৰু দলং সমূহেৰ উন্নয়নলৈ চাই ভাবিবলৈ বাধ্য কৰাইছে সচেতন



মহলক। প্ৰকৃত ৰহস্য কি? কেইদিনমান আগতে বোকাখাতৰ এই অঞ্চলতোৰ বাট-পথ আৰু দলংৰ অৱস্থাৰ বাবে উক্ত পথসমূহতে স্থানীয় ৰাইজে প্ৰতিবাদ কৰি কৃষিমন্ত্ৰীগৰাকীক কঠোৰ সমালোচনা কৰাও আমাৰ কাকতৰ জড়িতে প্ৰকাশৰ চেষ্টা কৰি আহিছোঁ। সেই বৃহত্তৰ অঞ্চলটোৰ দুসুঁতিমুখ পঞ্চায়তৰ অন্তৰ্গত ভলুকাগুৰি ফেৰীঘাট চেলক হৈ পাঠৰি বৃহস্পতি বৰীয়া বজাৰ সংযোগী পথত থকা মৰি দিচৈৰ ভগা কালভাৰ্টৰ ওপৰত থকা এখন দলঙে জলা-কলা খুৱাইছে স্থানীয় ৰাইজক। অঞ্চলটোৰ কৃষক ৰাইজৰ একমাত্ৰ অৰ্থনৈতিক ভেটি স্বৰূপ পাঠৰিৰ বৃহস্পতিবৰীয়া বজাৰ সংযোগী এক মাত্ৰ পথটোৰেদি দৈনিক অহা যোৱা কৰে ছাত্ৰ-ছাত্ৰী, ৰোগী, কৰ্মচাৰী, বেপৰীৰ লগতে বহু গওঞা। উক্ত পথৰ বাঁহৰ দলংখন স্হায়ীভাবে নিৰ্মাণৰ বাবে ৰাইজে বহুবাৰ আবেদন নিবেদন কৰিছে যদিওঁ দিম দিম কৈ আজি পৰ্যন্ত নিদিয়াৰ কথা ব্যক্ত কৰিছে স্হানীয় ৰাইজে। বাৰিষাৰ দিনবোৰত বাঁহৰ দলংখনৰ দুটা মূৰ পানীত ডুবি যোৱাৰ উপৰিও বাৰিষাৰ পানীয়ে উটুৱাই লৈ যায়। দলংখনৰ পৰা সৃষ্টি হোৱা এনে অসুবিধাসমূহ আঁতৰাই স্থায়ী এখন দলং নিৰ্মাণ কৰি সমগ্ৰ অঞ্চলটোৰ ৰাইজক সকাহ দিবলৈ ৰাইজে কৃষিমন্ত্ৰী অতুল বৰাক শেষবাৰৰ বাবে অনুৰোধ জনাইছে।



# গৌৰীপুৰ আৰক্ষীৰ জালত কুখ্যাত গো-মাফিয়া ছামছুল হক ওৰফে গব্বাৰ সিং

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২ জুলাই ঃ** ধুবুৰীৰ গৌৰীপুৰ আৰক্ষীৰ জালত কুখ্যাত গো-মাফিয়া ছামছুল হক ওৰফে গব্বাৰ সিং। নিশা গৌৰীপুৰৰ বালাজানৰ পৰা গ্ৰেপ্তাৰ গব্বৰ সিঙক। মষ্ট ৱাণ্টেড গব্বৰ সিঙে কুৰিয়াৰযোগে সৰবৰাহ কৰিছিল গো ধন। ছামছুল হক ওৰফে গব্বৰক গ্ৰেপ্তাৰৰ পিছত গো-মাফিয়াৰ বিৰুদ্ধে ধুবুৰী আৰক্ষীয়ে বিভিন্ন ঠাইত চলাইছে তীব্ৰ অভিযান। গো-ব্যৱসায় কৰি ঘটা সম্পত্তি বাজেয়াপ্ত হ'ব কুখ্যাত গো-মাফিয়া ছামছুলৰ। ধুবুৰীৰ আৰক্ষী অধীক্ষক অভিজীত গৌৰৱ দিলীপে কয় যে গো সৰবৰাহৰ সমান্তৰালভাৱে আন আন ক'লা ব্যৱসায়ত জড়িত ছামছুল। লগতে গো সৰবৰাহ কৰা প্ৰতিজন গো- ব্যৱসায়ী মষ্ট ৱাণ্টেড।

# নলবাৰীৰ সন্ধেলীত গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২ জুলাই ঃ** নলবাৰী জিলাৰ অগ্ৰণী সাংস্কৃতিক গ্ৰুপ, নূপুৰ সাংস্কৃতিক গ্ৰুপ আৰু সন্ধেলী এনাজৰী ক্লাবৰ সহযোগত অহা ৮ জুলাইৰ পৰা ১৭ জুলাইলৈ এটি নাট কৰ্মশালাৰ আয়োজন কৰা হৈছে। উক্ত কৰ্মশালাত অভিনয়ৰ দিশত প্ৰশিক্ষক হিচাপে থাকিব নাট্যকাৰ তথা পৰিচালক তিলক বৈশ্য, ভ্ৰাম্যমাণ থিয়েটাৰৰ সুদক্ষ অভিনেতা দ্বিৰূপ আৰ্য আৰু শিশুৰ অভিনয় প্ৰশিক্ষক তথা শিশু নাটক ৰচনা তথা পৰিচালক নয়নমণি বৰ্মন। চিত্ৰকলাৰ প্ৰশিক্ষণ নলবাৰী জিলাৰ জনপ্ৰিয় চিত্ৰশিল্পী খচনুৰ আহমেদ, নৃত্যৰ প্ৰশিক্ষণ ছুইটী সৰকাৰ আৰু যোগাসনৰ প্ৰশিক্ষণ দিব বসন্ত মজুমদাৰে। অতিথি হিচাপে উপস্থিত থাকিব মঞ্চৰ লগতে ছবিজগতৰ কে'বাখনো চিনাকি মুখ। লগতে থাকিব সু-লেখক জিতেন্দ্ৰ কুমাৰ জৈন। উদ্যোক্তাসকলে জনোৱা মতে কৰ্মশালাত প্ৰশিক্ষাৰ্থীৰ বয়স ৬ বছৰৰ পৰা ১৫ বছৰলৈ নিৰ্ধাৰণ কৰা হৈছে আৰু এই কৰ্মশালাটি নলবাৰী জিলাৰ সন্ধেলীৰ সন্ধেলী প্ৰাথমিক বিদ্যালয়ত আয়োজন কৰিছে। উদ্যোক্তাই জনোৱা মতে সময় ৰাতিপুৱা ১০ বজাৰ পৰা দুপৰীয়া ১ বজালৈ চলিব।

# নতুন বলাইত আলোকসন্ধানীৰ গ্ৰীষ্মকালীন কৰ্মশালা আৰম্ভ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২ জুলাই ঃ** ডিব্ৰুগড় চহৰৰ পৰা প্ৰায় বিশ কিলোমিটাৰ নিলগস্থ নতুন বলাই গাঁৱস্থিত বলাই জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ত যোৱা এক জুলাই তাৰিখে বৌদ্ধিক স্বেচ্ছাসেৱী সংগঠন আলোকসন্ধানী অধ্যয়ন চক্ৰৰ উদ্যোগত আয়োজিত পঞ্চদশ বাৰ্ষিক গ্ৰীষ্মকালীন বিদ্যায়তনিক কৰ্মশালাৰ শুভাৰম্ভ কোৰ্য্যসূচী সম্পন্ন হয়। উল্লেখ্য যে, আলোকসন্ধানী অধ্যয়ন চক্ৰৰ বাৰ্ষিক কৰ্মপঞ্জীৰ অন্যতম অংগ গ্ৰীষ্মকালীন বিদ্যায়তনিক কৰ্মশালাত স্থানীয় শিক্ষিত যুৱক যুৱতীবৃন্দই অঞ্চলটোৰ ভিন্ন শিক্ষানুষ্ঠানৰ পঞ্চমৰ পৰা দশম শ্ৰেণী পৰ্য্যন্ত অধ্যয়নৰত আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিগত ১৪ বছৰ এই কৰ্মশালা অনুষ্ঠিত কৰি আহিছে যদিও যোৱা ২০২০ আৰু ২০২১ বৰ্যত ক'ভিডকালীন পৰিস্থিতিৰ বাবে স্থগিত ৰখাৰ পাছত এইবাৰ পুনৰ কৰ্মশালাখনি অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰা হৈছে। এইবাৰৰ কৰ্মশালাত অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থীসকলৰ বাবে সম্পূৰ্ণ ক'ভিড বিধি মানি চলাটো বাধ্যতামূলক কৰা হৈছে। প্ৰশিক্ষাৰ্থীসকলৰ বাবে পাঠ্যক্ৰমভিত্তিক পাঠদান কৰাৰ লগতে চিত্ৰকলা আৰু যোগাসনৰ প্ৰশিক্ষণৰ দিহা কৰা হৈছে। আলোকসন্ধানীৰ এই কাৰ্যসূচীত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'গৌৰৱ সন্মিলিত সমাজ'ৰ হৈ কেইবাগৰাকীও গৱেষক ছাত্ৰ-ছাত্ৰীয়ে সমল ব্যক্তিৰূপে সেৱা আগবঢ়াব। এক জুলাইত বলাই জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত পুৱা ৯.৩০ বজাত অনুষ্ঠিত হোৱা আলোকসন্ধানীৰ সভাপতি গকুল চন্দ্ৰ খাউন্দে আঁত ধৰা শুভাৰম্ভ অনুষ্ঠানত ষষ্ঠ শ্ৰেণীৰ প্ৰশিক্ষাৰ্থী ভাস্কৰজ্যোতি সোণোৱালে বন্তি প্ৰজ্বলন কৰাৰ লগতে সমল ব্যক্তিত্ৰয় দীপশিখা,সুকন্যা, জ্যোৎস্নাই প্ৰাৰ্থনা পৰিৱেশন কৰি মাংগলিক কাৰ্যৰ আনুষ্ঠানিকতা সম্পন্ন কৰে। আলোকসন্ধানীৰ উপদেষ্টা যদুনাথ শইকীয়া, সম্পাদক গৌৰৱ শইকীয়া, জ্যেষ্ঠ সদস্য লম্বোদৰ সোণোৱাল আৰু সমল ব্যক্তিবৃন্দৰ হৈ দীপশিখা সোণোৱালে প্ৰশিক্ষাৰ্থীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। ১৪০গৰাকী প্ৰশিক্ষাৰ্থীৰ সমাৱেশত অনুষ্ঠিত শুভাৰম্ভ অনুষ্ঠানটি সভাপতি গকুল চন্দ্ৰ খাউন্দে সদস্যদ্বয় ৰাহুল সোণোৱাল আৰু ভূষণ সোণোৱালৰ সহযোগত পৰিচালনা কৰে। শুভাৰম্ভ অনুষ্ঠানৰ পাছত প্ৰথম দিনৰ পাঠদান কৰা হয়। অহা ২৫ জুলাই তাৰিখে সমাপন সমাৰোহ অনুষ্ঠিত হ'বলগীয়া এই কৰ্মশালাৰ মাজতে অহা চাৰি জুলাইত হীৰেন ভট্টাচাৰ্য স্মৃতি দিৱস উদ্‌যাপনৰ আয়োজন কৰা হৈছে। কৰ্মশালাখনৰ প্ৰথম দিনটোতে আলোকসন্ধানীৰ অন্যতম হিতাকাংক্ষী,খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা বিষয়া ডাঃ ৰমেন কাকতি উপস্থিত হৈ সমল ব্যক্তি তথা উদ্যোক্তাবৃন্দৰ লগত ভাব বিনিময় কৰাৰ উপৰিও প্ৰশিক্ষাৰ্থীসকলকো স্বাস্থ্যৰ যতন লোৱাৰ সম্পৰ্কে দিহা-পৰামৰ্শ আগবঢ়ায়। ডাঃ কাকতিয়ে কৰ্মশালাৰ প্ৰয়োজনীয় সামগ্ৰী ক্ৰয়ৰ উদ্দেশ্যে এটি আৰ্থিক বৰঙনিও আগবঢ়ায়।

# হাতীগাঁৱত পুনৰ্নিৰ্মিত শ্ৰীশ্ৰী কৃষ্ণ মন্দিৰ ৰাইজৰ বাবে মুকলি

**গুৱাহাটী, ২ জুলাই ঃ** মহানগৰীৰ হাতীগাঁৱৰ লক্ষ্মীনাথ বেজবৰুৱা পথস্থিত শ্ৰীশ্ৰী কৃষ্ণ মন্দিৰটো যোৱা ৩০ জুনত ৰাইজৰ বাবে পুনৰ মুকলি কৰি দিয়া হয়। পুনৰ্নিৰ্মাণৰ কামৰ বাবে মন্দিৰটো বিগত কিছুদিন ধৰি বন্ধ ৰখা হৈছিল। মন্দিৰ উন্নয়ন সমিতিৰ সভাপতি গিৰীশ পাঠক, সাধাৰণ সম্পাদক দেৱ কুমাৰ দাস আৰু সহকাৰী সম্পাদকদ্বয় ধীৰাজ দাস আৰু সঞ্জীৱ কুমাৰ মেধিৰ তত্ত্বাৱধানত ৰাইজৰ বিপুল সহযোগিতাত শ্ৰীশ্ৰী কৃষ্ণ মন্দিৰটোৰ পুনৰ্নিৰ্মাণ আৰু উন্নয়নৰ কাম সম্পন্ন কৰা হয়। ১৯৯২ চনতে স্থাপন হোৱা শ্ৰীশ্ৰী কৃষ্ণ মন্দিৰটোৰ ৩০ জুনত শোধনকাৰ্য সম্পন্ন কৰি স্থানীয় ৰাইজৰ উপস্থিতিত হোম যজ্ঞৰ আয়োজন কৰি আনুষ্ঠানিকভাৱে মন্দিৰটো পুনৰ ৰাইজৰ দৰ্শনৰ বাবে মুকলি কৰি দিয়া হয়।

# নাজিৰাত কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২ জুলাই ঃ** শিৱসাগৰ জিলাৰ প্ৰতিটো চুকে-কোণে প্ৰতিটো শৈক্ষিক অনুষ্ঠান তথা চৰকাৰী-বেচৰকাৰী অনুষ্ঠানে উলহ-মালহেৰে উদ্‌যাপন কৰিছে শিৱসাগৰ দিৱস। এই শিৱসাগৰ দিৱসৰ লগত সংগতি ৰাখি শুকুৰবাৰে নাজিৰাৰ শিমলুগুৰি গাঁও পঞ্চায়তত এখন বিশেষ গাঁও সভাৰ আয়োজন কৰাৰ লগতে এইবাৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উৰ্ত্তীণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনায়। পঞ্চায়তখনৰ সভানেত্ৰী প্ৰমীলাৰাণী বৰাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা অভিনন্দন অনুষ্ঠানত নাজিৰা মহকুমাৰ কৃষি বিষয়া, জনস্বাস্থ্য কাৰিকৰী বিষয়া, সমাজ কল্যাণ বিষয়া, পঞ্চায়তৰ সচিবপ্ৰধান মলয় কাকতি, পঞ্চায়তৰ কৰ্মচাৰী সঞ্জীৱ বৰগোঁহাই, প্ৰণৱ গগৈ, পঞ্চায়তৰ সদস্য-সদস্যাসকল উপস্থিত থাকে। এই বিশেষ গাঁও সভাতে প্ৰতিটো চৰকাৰী আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰে লোৱা পদক্ষেপসমূহ হিতাধিকাৰীসকলৰ আগত অৱগত কৰে।

# ইটাখোলাত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা বিধায়ক পদ্ম হাজৰিকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২ জুলাই ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলফলৰ অন্তত ৰাজ্যজুৰি ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মাজত এক আনন্দ-উল্লাসৰ পৰিৱেশ বিৰাজ কৰাৰ সমান্তৰালকৈ বিভিন্ন দল-সংগঠনে তৎপৰতাৰে কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনাই আহাৰ দৰে অলপতে বিশ্বনাথ জিলাৰ ইটাখোলাত চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ দ্বাৰা এটি সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হৈ যায়। অৱশ্যে এই বেলি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ নিজ নিজ বিদ্যালয়তে সম্বৰ্ধনা জনায় অহাৰ দৰে বিধায়কগৰাকীৰ হৈ স্থানীয় বোজেপি নেতা যুৱ সমাজকৰ্মী তথা চতিয়া আঞ্চলিক পঞ্চায়ত সভাপতি লক্ষীকান্ত বৰাৰ নেতৃত্বত অহা যুৱ প্ৰতিনিধি দলে ইটাখোলা কনিষ্ঠ মহাবিদ্যালয় প্ৰাংগণত উপস্থিত হৈ বিদ্যালয়খনৰ পৰা সদ্যঘোষিত উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা আঠগৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰশংসা-পত্ৰ, গামোচা আৰু একোটাকৈ কলমেৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানৰ আৰম্ভণিতে চতিয়া আঞ্চলিক পঞ্চায়তৰ



সভাপতিগৰাকীয়ে কয়- সদ্যঘোষিত উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষাত হাইস্কুল শিক্ষান্ত পৰীক্ষাতকৈ অধিক ভাল ফলাফল দেখিবলৈ পোৱা গৈছে।ইয়াৰ বাবে তেওঁ মহাবিদ্যালয়খনৰ অধ্যক্ষসহ সকলো শিক্ষক-শিক্ষয়িত্ৰীক ধন্যবাদ জনায়। এক সুন্দৰ বিদ্যায়তনিক পৰিৱেশ বিৰাজমান এই ইটাখোলা কনিষ্ঠ মহাবিদ্যালয়ে ভৱিষ্যতে অধিক ফলপ্ৰসূ ফলাফল দেখুৱাবলৈ সক্ষম হব বুলি মন্তব্য প্ৰকাশ কৰাৰ লগতে মহাবিদ্যালয়খনৰ অধ্যক্ষ সমন্বিতে সমূহ শিক্ষক শিক্ষয়িত্ৰীক প্ৰশংসা কৰে। সমষ্টিটোৰ বিধায়কগৰাকীৰ প্ৰচেষ্টাত গ্ৰহণ কৰা উক্ত সম্বৰ্ধনা কাৰ্যসূচীয়ে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বেচ উৎফুল্ল পৰিৱেশ দেখিবলৈ পোৱা যায়।

# পাথৰিঘাটৰ ঘোপেলীত বানত ক্ষতিগ্ৰস্ত গৃহ পৰ্যৱেক্ষণ লাটমণ্ডল, পঞ্চায়ত উপ-সভাপতি, গাঁও প্ৰধানৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২ জুলাই ঃ** ১৬ জুনত হোৱা প্ৰলয়ংকৰী বানত বিশেষভাৱে ক্ষতিগ্ৰস্ত হয় পাথৰিঘাট ৰাজহ চক্ৰৰ অধীনস্থ ৰাজহ গাঁওসমূহ। য'ত পথাৰৰ শস্য, পুখুৰীৰ মাছ উটুৱাই নিয়াৰ লগতে বাৰীৰ পাণ, শাক-পাচলি মাৰি কৃষক ৰাইজৰ কঁকাল বেঁকা কৰি পেলায়। মানুহৰ ঘৰ-দুৱাৰ আদিৰো বিস্তৰ ক্ষতি হয়। চৰকাৰে এনে লোকসকলৰ বাবে উপযুক্ত ক্ষতিপূৰণ দিয়াৰ বাবে কাৰ্যব্যৱস্থা গ্ৰহণ কৰাত দৰঙৰ পাথৰিঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া-কৰ্মচাৰীসকল তৎপৰ হৈ পৰিছে। আজি উল্লিখিত ৰাজহ চক্ৰৰ ঘোপেলী গাঁওখনত বানত ক্ষতিগ্ৰস্ত হোৱা গৃহসমূহ পৰ্যৱেক্ষণ কৰে লাটমণ্ডল ৰফিকুল হুছেইনে। কৰ্মচাৰীগৰাকীৰ লগত চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ উপ-সভাপতি আবুবক্কৰ ছিদ্দিক, পঞ্চায়ত সদস্য জয়ন্ত ডেকা, গাঁও প্ৰধান বিশ্বজিৎ শৰ্মাই সহযোগিতা আগবঢ়ায়। পৰ্যৱেক্ষণৰ সময়ত লাটমণ্ডল ৰফিকুল হুছেইনে বানপানীত ক্ষতিগ্ৰস্ত হোৱা ব্যক্তিসকলৰ গৃহসমূহৰ ক্ষতি অনুপাতে বিভাগীয়ভাৱে সাহায্য লাভ কৰিব বুলি জানিব দি সকলোবোৰ ক্ষতিগ্ৰস্ত গৃহ পৰ্যৱেক্ষণ কৰি প্ৰতিবেদন যুগুত কৰিব আৰু চৰকাৰৰ বিভাগীয় নীতি নিয়ম অনুসৰি সাহায্য লাভ কৰিব বুলি প্ৰকাশ কৰে। পঞ্চায়ত উপ-সভাপতি আবুবক্কৰ ছিদ্দিকেও তেওঁৰ পঞ্চায়তখনত বানত ক্ষতিগ্ৰস্ত লোকসকলৰ সহায়-সাহায্যত ৰাইজৰ প্ৰতিনিধি হিচাপে সকলোখিনি সহায়-সহযোগিতা আগবঢ়াব বুলি উল্লেখ কৰে। একেদৰে গাঁওপ্ৰধান বিশ্বজিৎ শৰ্মায়ো গাঁও প্ৰধানৰ যি দায়িত্ব আৰু কৰ্তব্য আছে তাক সদায়ে সেৱা হিচাপে কৰি উপকৃত কৰিবলৈ প্ৰস্তুত বুলি প্ৰকাশ কৰে। ইফালে পাথৰিঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দৰদী দেৱৰয়ক ৰাইজে কৰ্ম তৎপৰতাৰ বাবে ধন্যবাদ জনাইছে।

# ধুবুৰীত শ্ৰীশ্ৰী মা সাৰদা সংঘৰ নতুন ভৱনৰ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২ জুলাই ঃ** ধুবুৰীত শ্ৰী শ্ৰী মা সাৰদা দেৱীৰ নতুন বাড়ীৰ মন্দিৰৰ উদ্বোধন হয়, ধুবুৰী ৬ নং ৱাৰ্ডত। তাৰ পিছত পদযাত্ৰা আৰম্ভ কৰে। ১৯৬৯ চনৰ ২৫ ডিচেম্বৰৰ পৰা এই ধৰ্মীয় নীতি-নিয়ম মানি পৰম্পৰাগতভাৱে মা সাৰদা পূজা কৰা হয়। উপস্থিত থাকে সভানেত্ৰী শিৱানী কৰ, সম্পাদিকা প্ৰতিভা দেৱ, সদানন্দ মাতাজী আৰু ডাঃ বন্দিতা ভট্টাচাৰ্যৰ লগতে বহুতো ভক্তগণ উপস্থিত থাকি পূজা-অৰ্চনা কৰি আনন্দ উপভোগ কৰে।

# নিজ কঠীয়াতলী আঞ্চলিক ঈদগাহ কমিটীৰ ঈদ-উজ-জোহাৰ প্ৰস্তুতি সভা

## হিন্দু-ইছলামৰ একতা ৰক্ষাৰ স্বাৰ্থত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২ জুলাই ঃ** নগাঁও জিলাৰ নিজ কঠীয়াতলী আঞ্চলিক ঈদগাহ কমিটীৰ ব্যৱস্থাপনাত প্ৰতিটো ঈদৰ কাৰ্যসূচী সফলতাৰে উদ্‌যাপন কৰি আহিছে। হিন্দু-মুছলমানৰ সমন্বয়স্হলী হিচাপে পৰিগণিত নিজ কঠীয়াতলীৰ ঈদগাহ কমিটীত হিন্দু লোকেও প্ৰতিনিধিত্ব কৰি ঐক্য-সম্প্ৰীতিৰ এনাজৰীডাল সুদৃঢ় কৰি তোলা পৰিলক্ষিত হৈছে। আগন্তুক ঈদ উপলক্ষে আজি ৰাঙলু গাঁও জ্ঞানদীপ উচ্চ মাধ্যমিক বিদ্যালয়ত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে আঞ্চলিক ঈদগাহ কমিটীৰ সভাপতি বাছেদ আলীয়ে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু প্ৰতিবেদন পাঠ কৰে সম্পাদক নূৰ হোছেইনে। অহা ১০ জুলাইৰ পুৱা ৮ বজাত ঈদ-উল-জোহাৰ নামাজ পাঠ কৰিবৰ বাবে মৌলানা উবেদুল্লাক অস্থায়ীভাৱে মনোনীত কৰাৰ লগতে নামাজৰ শেষত ব্যাখ্যা আগবঢ়োৱাৰ দায়িত্ব আব্দুল কায়েম চাহাবক প্ৰদান কৰা হয়। সভাপতি বাছেদ আলীয়ে নিজ কঠীয়াতলী আঞ্চলিক ঈদগাহ মৈদামত অনুষ্ঠিত হোৱা নামাজ আৰু ইয়াৰ হিন্দু-মুছলমানৰ সমন্বয়ৰ বাৰ্তা ইতিপূৰ্বে সমগ্ৰ ৰাজ্যলৈকে বিয়পি পৰিছে আৰু সেয়ে সকলোৱে শান্তি সম্প্ৰীতিৰ এনাজৰীডাল অটুট ৰাখিবলৈ যত্নপৰ হ'ব লাগে বুলি সভাত মন্তব্য কৰে। সভাত এইবাৰ কোৰবানী সম্পৰ্কত বিশদভাৱে আলোচনা কৰা হয়। বক্তাসকলে নিজ নিজ ভাষণ প্ৰসংগত কয় যে ধৰ্ম ৰক্ষা কৰিব লগা হ'লেও ভাৰতীয় সংবিধানক কোনেও উলংঘা কৰা উচিত নহয়, সেয়ে গো সুৰক্ষা আইনৰ প্ৰতি লক্ষ্য ৰাখি গো-ৰ পৰিবৰ্তে অন্য জন্তু ব্যৱহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। জাহেদ আলী, আব্দুল কায়েম, আব্দুল হান্নান, পিয়াৰ হোছেইন, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মদন বৰা, কঠীয়াতলী প্ৰেছ ক্লাবৰ সভাপতি ঘনকান্ত বৰা, চাহ জনগোষ্ঠীয় নেতা বীৰেন মিৰ্ধাই ভাষণ প্ৰদান কৰা এই সভাত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ আঞ্চলিক সদস্য ধনেশ্বৰ দলৈ, ৰাঙলু গাঁও জ্ঞানদীপ উচ্চ মাধ্যমিকৰ প্ৰধান শিক্ষক আজিজুৰ ৰহমান, মধ্য ইংৰাজী বিদ্যালয় প্ৰধান শিক্ষক খোকন দত্ত, সমাজ সেৱক আকবৰ আলী প্ৰমুখ্যে শতাধিক লোক উপস্থিত থাকে।

নলবাৰী গোপালবজাৰত অমৰনাথ বাৰফানী সেৱা দল

# নলবাৰীৰ উদ্যোগত অমৰনাথ যাত্ৰীসকলক শুভাশিস আৰু পাৰপত্ৰ প্ৰদান কাৰ্যসূচী



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২ জুলাই ঃ** অমৰনাথ বাৰফানী সেৱা দল নলবাৰীৰ পৰা অহা ৬ জুলাইত নলবাৰী ৰে'ল ষ্টেচনৰ পৰা ৪৫জনীয়া এটি পুৰুষ-মহিলাৰ দলে কাশ্মীৰৰ হিমালয় পৰ্বতত থকা অমৰনাথ বাবা বাৰফানী দৰ্শনৰ বাবে ৰাওনা হ'ব। উক্ত ধৰ্মীয় দলৰ ভক্তসকলে অমৰনাথ দৰ্শন কৰি মা বৈষ্ণ দেৱীৰ মন্দিৰ দৰ্শন কৰিব। ৬ জুলাইত যাব লগীয়া যাত্ৰীসকলক শুভাশিস আৰু পাৰপত্ৰ দিয়াৰ্থে নলবাৰী গোপালবজাৰত এখন সভাৰ আয়োজন কৰা হয়। উক্ত সভাত যুৱ সমাজ কৰ্মী বলেন পাঠক, ৰাধেশ্যাম ভক্তি, ফণী ভোলেসহ প্ৰমুখ্য কৰি বিশিষ্ট লোকসকল আৰু অমৰনাথ যাত্ৰাৰ্থে যাবলগীয়া যাত্ৰীসকল উপস্থিত থাকে।

# টংলা প্ৰেছ ক্লাবৰ উদ্যোগত বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস উদ্‌যাপন

## ৰাষ্ট্ৰীয় প্ৰবীণ খেলুৱৈক সম্বৰ্ধনা আৰু অন্তৰংগ আলাপ অনুষ্ঠান ঃ ৰবাব টেঙাৰে খেলা ফুটবল খেলেই মোৰ ক্ৰীড়া জীৱন আৰম্ভণি ঃ কামেশ্বৰ বসুমতাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও-টংলা, ২ জুলাই ঃ** বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস আৰু অসমৰ ক্ৰীড়া সাংবাদিকতাৰ শতবাৰ্ষিকী উদ্‌যাপন উপলক্ষে আজি টংলা প্ৰেছ ক্লাবত সম্বৰ্ধনা আৰু অন্তৰংগ অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত হৰিশিঙা থানাৰ অন্তৰ্গত হুগুমা গাঁৱৰ নিবাসী ৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ কামেশ্বৰ বসুমতাৰীক জাপি, ফুলাম গামোচা, বেষ্ট আৰু স্মাৰকেৰে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানতে ক্ৰীড়া সংগঠক খৰ্গেশ্বৰ বৰা, আন্তঃৰাষ্ট্ৰীয় কাবাডী ৰেফাৰী নমল ৰাভা আৰু ক্ৰীড়া সংগঠক ৰমেশ ডেকাকো সম্বৰ্ধনা জনায়।টংলা প্ৰেছ ক্লাবৰ সদস্য ফটিক ৰাভাই আঁত ধৰা অনুষ্ঠানত অন্তৰংগ আলাপ কাৰ্যসূচী পৰিচালনা কৰে সাংবাদিক প্ৰফুল্ল বড়োই। সম্বৰ্ধনা গ্ৰহণ কৰি অন্তৰংগ আলাপ অনুষ্ঠানত ৰাষ্ট্ৰীয় প্ৰবীণ খেলুৱৈ কামেশ্বৰী বসুমতাৰীয়ে নিজৰ মনৰ ভাব প্ৰকাশ কৰি কয় যে মই ঘৰৰ বাৰীত থকা ৰবাব টেঙা গছ জোপাৰ ৰবাব টেঙাৰে ফুটবল খেলা আৰম্ভ কৰিছিলো।মই বহু কষ্টৰে খেল অনুশীলন কৰি সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছোঁ, ১৯৯৯ চনৰ পৰা ফুটবলৰ পৰা বিদায় লৈছিলোঁ যদিও বৰ্তমান নৱ প্ৰজন্মক উৎসাহিত কৰিবলৈ অনুপ্ৰেৰণা যোগাবলৈ আৰু খেলৰ প্ৰতি আকৰ্ষিত কৰিবলৈ মই খেল বাদ দিয়া নাই। বৰ্তমান পৰ্যন্ত মই হৰিশিঙা ক্ৰীড়া সংগঠনৰ লগত জড়িত হৈ খেল প্ৰশিক্ষক হিচাপে কাম কৰি




আছোঁ। উল্লেখযোগ্য যে কামেশ্বৰ বসুমতাৰী ওৰফে কামেইয়ে ১৯৯৭-৭৮ চনত মঙলদৈ ভেবাৰখাট কৃষ্টি সংঘৰ হৈ স্থানীয় লীগত ভুমুকি মাৰি মঙলদৈ জিলা দলত প্ৰথম বাৰৰ বাবে নিৰ্বাচিত হৈ জুনিয়ৰ আন্ত:জিলা প্ৰতিযোগিতাৰে বৰ্ণাঢ্য খেলুৱৈ জীৱনৰ পাতনি মেলে, তেনেকৈ ত্ৰিপুৰাত ৰাষ্ট্ৰীয় জুনিয়ৰ প্ৰতিযোগিতাত অসম দলৰ পোছাক পৰিধান কৰি ক্ৰীড়া প্ৰতিভাৰ চানেকি সৰ্ব ভাৰতীয় পৰ্য্যায়লৈ আগবঢ়াই নিয়ে।দিল্লীত অনুষ্ঠিত সুব্ৰত কাপ ফুটবল প্ৰতিযোগিতাত অসম দলক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰা সুদক্ষ খেলুৱৈগৰাকীয়ে ১৯৭৭ চনৰ পৰা ১৯৮৬ চনলৈ সুদীৰ্ঘ ন বছৰে গুৱাহাটীৰ মহাৰাণা ফুটবল দলত খেলি সমগ্ৰ ৰাজ্যত ভৰিৰ যাদু দেখুৱাবলৈ সক্ষম হয়। ১৯৮২ চনত কেৰেলাত অনুষ্ঠিত সন্তোষ ট্ৰফী প্ৰতিযোগিতাত অসম দলক প্ৰতিনিধিত্ব কৰে আৰু সেই একেই বৰ্ষতে ধেমাজিত অনুষ্ঠিত ষষ্ঠদশ আন্তঃজিলা জুনিয়ৰ ফুটবল প্ৰতিযোগিতা আৰু ছিনিয়ৰ আন্তঃ জিলা প্ৰতিযোগিতাত হেটট্ৰিক অৰ্জন কৰে। উল্লেখযোগ্য যে কামেশ্বৰে গুৱাহাটীৰ ইউনাইটেড ক্লাব, ছানৰাইজ ক্লাব আৰু শান্তিপূৰ ক্লাবৰ হৈও খেলিছিল বুলি আজি ব্যক্ত কৰে। মঙলদৈ ক্ৰীড়া সন্থাক শলাগ লোৱা বিশিষ্ট ক্ৰীড়াবিদ বসুমতাৰীয়ে কয় মোক খেলিবলৈ উৎসাহ যোগোৱা অনুষ্ঠান হ'ল মঙলদৈ ক্ৰীড়া সন্থা। অসম কাবাডী সন্থাৰ উপ সভাপতি খৰ্গেশ্বৰ বৰাই খেল খেলিলে শৰীৰ, মন, আত্মা শুদ্ধ আৰু শান্তি হ'ব লাগিব বুলি কোৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় কাবাডী ৰেফাৰী নমল ৰাভাই খেলুৱৈ সৃষ্টি কৰাই তেওঁৰ লক্ষ্য বুলি জনায়। ক্ৰীড়া সংগঠক ৰমেশ ডেকাই মনৰ ভাব প্ৰকাশ কৰি কয় যে খেল এখনত জাতি, ধৰ্ম আৰু ৰাজনীতি থাকিব নালাগে। আনহাতে ক্ৰীড়া সাংবাদিক হ'ল ক্ৰীড়া সম্পৰ্কীয় বা বাতৰি কাকতৰ এটি ৰোমাঞ্চকৰ আৰু গুৰুত্বপূৰ্ণ দিশ। প্ৰতিখন বাতৰি কাকতৰ এটা বা দুটা পৃষ্ঠা ক্ৰীড়া বাতৰিৰ বাবে সংৰক্ষিত থাকে। ক্ৰীড়া বাতৰি অবিহনে এখন কাকতে পূৰ্ণতা লাভ নকৰে। অসমে নহয়, ভাৰত কি সমগ্ৰ বিশ্বতে বহু সাংবাদিকে ক্ৰীড়া সাংবাদিক হিচাবে পেছা বা সেৱা আগবঢ়াই জীৱন নিৰ্বাহ কৰি আহিছে। অসমৰ বাতৰি কাকতত ১৯২৩ চনত প্ৰথমটো ক্ৰীড়া সম্পৰ্কীয় বাতৰি প্ৰকাশ পাইছিল। অসমৰ ক্ৰীড়া বাতৰিয়ে গৌৰৱোজ্জ্বল ১০০ বছৰত খোজ পেলাইছে বুলি টংলা প্ৰেছ ক্লাবৰ উপ-সভাপতি দিগন্ত কুমাৰ শৰ্মাই শলাগৰ শৰাই আগবঢ়াই কয়।লগতে অসমৰ জনপ্ৰিয় অভিনেতা কিশোৰ দাস আৰু বিশিষ্ট লোকশিল্পী ,ঢোলৰ ওজা তুলসী ওজাৰ আত্মাৰ সদগতিৰ কামনাৰ্থে এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। টংলা প্ৰেছ ক্লাবৰ সভাপতি উজ্জ্বল কুমাৰ দাস, সম্পাদক কৌস্তুভিমণি শৰ্মা,সহ সম্পাদক অৰূপ বড়ো, সদস্য বিকাশ ৰাভা, চিন্ময় ডেকা, কাৰ্যালয় সম্পাদক হৃদয়ানন্দ ৰাভা, টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক চিন্তুমণি চক্ৰৱৰ্তী, সাংবাদিক দ্বীপেন ডেকা, ধীৰেন মহলীয়া, জ্যেষ্ঠ সাংবাদিক গৌৰীশংকাৰ দাসে উপস্থিত থাকে।

No.FFG.76/2000/Pt-I/177/1386

**EXPRESSION OF INTEREST**

"FISHFED", Assam is a State level Cooperative Federation of Primary Fishery Cooperatives of Assam under administrative control of Deptt of Fisheries, Govt. of Assam. FISHFED has a Beel i.e Morikolong Beel at Vill.Kotaoni/Hatipara/Bengena ati/Silekhowa,Mouza-Pakhimoria/Nizchahar, Nagaon, measuring 204 bigha 2 katha 6 lecha bighas of land .The area is suitable for fisheries, ecotourism and allied projects. In order to utilize the above infrastructure FISHFED invites proposal from interested reputed empanelled cooperatives of FISHFED, other institutions/agencies, NGO, Enterprise and private parties having adequate experiences in the line for development of projects relating to pisciculture, fisheries, ecotourism etc. and other innovative proposals relating to the above subject for seven years period.The proposals are to be submitted in plain paper in affixing court fees stamp of Rs.8.25 to the undersigned within 14 days (Fourteen) from the date of publication of this advertisement along with detailed proposal and profile of the party. The last day of submission of proposal is on 17th July, 2022 upto 1 PM and evaluation will be carried out on the same day at 2PM at the office of the undersigned in presence of intending parties or authorised representaive. Necessary Terms & conditions may be obtained from office of the FISHFED during ofice hours on payment Rs.500/- through DD in favour of Managing Director, FISHFED. The participant must submit their proposals alongwith all supporting documents and signed on the Terms & Conditions with a declaration that they will be abide by Terms & Conditions if awarded.

**Sd/-**
**Managing Director**
**FISHFED, Assam**
**Harabala Path, Rupnagar**
**Ghy-781032**

**Janasanyog /C/5789/22**




*বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস উপলক্ষে বিভিন্ন স্থানত ক্ৰীড়া সংগঠক, ক্ৰীড়া সাংবাদিকক সম্বৰ্ধনা জনোৱাৰ ছবি*

## টীয়কত ফুটবল প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, কাকজান, ২ জুলাই ঃ** টীয়ক ফুটবল ক'চিং চেন্টাৰৰ উদ্যোগত তথা টীয়ক ক্ৰীড়া সন্থাৰ সহযোগত শুকুবাৰৰ পৰা টীয়ক হাইস্কুলৰ খেলপথাৰত এক ফুটবল প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰা হৈছে। টীয়ক ক্ৰীড়া সন্থাৰ জ্যেষ্ঠ কৰ্মকৰ্তা মতিলাল টায়ে আঁত ধৰা উক্ত আৰম্ভণি অনুষ্ঠানত উজনি অসম চাহ গৱেষণা কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত মুৰব্বী বিজ্ঞানী ড° ৰমেশ বৰুৱা, প্ৰাক্তন খেলুৱৈ মুকুল লাহন, মধ্য টীয়ক গাঁও পঞ্চায়তৰ সভাপতি তথা প্ৰাক্তন ৰাজ্যিক ভলীবল খেলুৱৈ কৰুণা বৰা, প্ৰাক্তন ৰাজ্যিক ফুটবল খেলুৱৈ মোহিনী ডেকা বৰুৱা, নিত্যা ফুকন, গোলোক ৰাজোৱাৰ, বলীন বৰুৱা, টীয়ক হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী দীপিকা বৰুৱা, প্ৰদীপ ভূঞা, সাংবাদিক বিজু তনুৱালকে প্ৰমুখ্য কৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সকলোৰে উপস্থিতিত ড° ৰমেশ কুমাৰ বৰুৱাই উক্ত প্ৰশিক্ষণ শিবিৰটো আনুষ্ঠানিকভাৱে মুকলি কৰি অনাগত দিনবোৰত শিবিৰটোৰ সফলতা কামনা কৰে। উল্লেখ্য যে মাহজোৰা কাৰ্যসূচীৰে কৰিবলগীয়া এই শিবিৰটো প্ৰতিকুল বতৰৰ বাবে অহা সোমবাৰৰ পৰা আৰম্ভ কৰা হ'ব বুলি জানিবলৈ দিছে উদ্যোক্তাসকলে।

### ব্ৰডৰ অভাৰত বিশ্ব অভিলেখ বুমৰাহৰ ঃ জাডেজাৰ শতক

# ইংলেণ্ডৰ বিৰুদ্ধে প্ৰথম ইনিংছত ভাৰতৰ ৪১৬



**লণ্ডন, ২ জুলাই ঃ** ঋষভ পণ্ট (১৪৬) আৰু ৰবীন্দ্ৰ জাডেজাৰ (১০৪)ৰ চমকপ্ৰদ শতকীয় ইনিংছৰ লগতে বেটাৰৰূপে যশপ্ৰীত বুমৰাহৰ বিশ্ব অভিলেখৰ জড়িয়তে ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে খেলা পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্টৰ প্ৰথম ইনিংছত ৪১৬ ৰাণ কৰি দৃঢ় স্থিতিত উপনীত হৈছে। উল্লেখ্য যে প্ৰথমদিনা ভাৰতে সাত উইকেটত ৩৩৮ ৰাণৰ পৰা খেলিবলৈ লৈ আজি উইকেটত থকা জাডেজাৰ শতক তথা বুমৰাহৰ বিস্ফোৰক বেটিঙৰ বাবে চাৰিশ ৰাণ পাৰ কৰিবলৈ সক্ষম হয়। বুমৰাহে ইংলণ্ডৰ ষ্টুৱাৰ্ট ব্ৰডৰ এটা অভাৰত ৩৫ ৰাণ কৰে। টেষ্টত এটা অভাৰত এয়াই হ'ল সৰ্বাধিক ৰাণ। অনাকাংক্ষিত অভিলেখ গঢ়ে ব্ৰডে। উল্লেখ্য যে টি-২০ ক্ৰিকেটতো ব্ৰডৰ ছটা বল ছটা ছিক্সাৰ মাৰি ২০০৭ ত অভিলেখ গঢ়িছিল ভাৰতৰ যুৱৰাজ সিঙে। আজি ইনিংছৰ ৮৪ অভাৰত ব্ৰডৰ বলিঙত ভাৰতীয় অধিনায়ক বুমৰাহে বেটেৰে ২৯ ৰাণ কৰাৰ বিপৰীতে পাঁচ ৰাণ ৱাইড আৰু এক ৰাণ ন'বলত পায়। বুমৰাহে দুটা ছিক্সাৰ, চাৰিটা বাউণ্ডেৰী আৰু এক ৰাণ কৰে। ৩১ ৰাণত অপৰাজিত থাকে ভাৰতীয় অধিনায়ক। ইফালে, ইংলণ্ডে বেটিং আৰম্ভ কৰি তিনি উইকেটত ৬০ ৰাণ কৰাৰ সময়তে বৰষুণৰ বাবে মেচ বন্ধ হৈ আছে। তিনিওটা উইকেট লাভ কৰে বুমৰাহে। উল্লেখ্য যে এই টেষ্ট খন পূৰ্বে বাতিল হৈছিল কৰ'নাৰ বাবে। পাঁচখনীয়া টেষ্ট শৃংখলাটো ভাৰতে হেৰুওৱাৰ কোনো কথা নাই। কাৰণ ইয়াৰপূৰ্বে হোৱা পাঁচখনীয়া টেষ্ট শৃংখলাটোৰ চাৰিখন মেচৰ দুখনত টীম ইণ্ডিয়া জয় হৈছে আৰু এখন ড্ৰৰূপে সমাপ্ত হৈছে। ইংলণ্ডে এখন টেষ্টত জয়লাভ কৰিছে। এইসময়ত ভাৰতীয় দলে পাঁচখনীয়া টেষ্ট শৃংখলাটোত ২-১ ত আগবাঢ়ি আছে। এতিয়া অন্তিম টেষ্ট ড্ৰ হ'লেও ভাৰতে লাভ কৰি শৃংখলা।

### মঙলদৈত বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস উদ্‌যাপন

## প্ৰাক্তন সাংবাদিক প্ৰতাপ বৰদলৈ-বসন্ত ডেকাক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, মঙলদৈ, ২ জুলাই ঃ** দৰং জিলা ক্ৰীড়া সাংবাদিক সংস্থাৰ উদ্যোগত আজি মঙলদৈ ক্ৰীড়া সন্থাৰ প্ৰেক্ষাগৃহত বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস আৰু অসমৰ ক্ৰীড়া সাংবাদিকতাৰ শতবৰ্ষৰ শুভাৰম্ভণি বৰ্ষ উদ্‌যাপন কৰা হয়। এই উপলক্ষে সভাপতি আব্দুল খালেকৰ সভাপতিত্বত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক গণেশ দত্তই। সভাত দ্য আসাম ট্ৰিবিউন কাকতৰ সাংবাদিক ময়ূখ গোস্বামীয়ে কয় যে অইন ক্ষেত্ৰৰ সাংবাদিকতকৈ ক্ৰীড়া সাংবাদিকসকল অধিক সচেতন হৈ বাতৰি পৰিৱেশন কৰিবলগীয়া হয়। কিয়নো সংখ্যাৰ অলপ খেলিমেলি হ'লেই বাতৰিটোৰ মূল্য নোহোৱা হৈ পৰে। আনহাতে, দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ শাৰীৰিক নিৰ্দেশক মোবাৰক হুছেইনে বিশ্ব আৰু অসমৰ ক্ৰীড়া ইতিহাস সাৱলীলভাৱে ব্যাখ্যা কৰে। প্ৰবীণ ক্ৰীড়াবিদ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা সঞ্জীৱ কুমাৰ শৰ্মা, মঙলদৈ ক্ৰীড়া সন্থাৰ কোযাধ্যক্ষ শম্ভুনাথ দে', গ্লৰিয়াছ পাব্লিক স্কুলৰ সঞ্চালক মিজানুৰ ৰহমানে ভাষণ প্ৰদান কৰা এই সভাত প্ৰাক্তন ক্ৰীড়া সাংবাদিক প্ৰতাপ বৰদলৈ, প্ৰাক্তন সাংবাদিক বসন্ত কুমাৰ ডেকাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি দুয়োজন সাংবাদিকে অতীত স্মৃতি ৰোমন্থন কৰি কিছু আৱেগিক হৈ পৰে।

### অসমীয়া ক্ৰীড়া সাংবাদিকতাৰ শতবৰ্ষৰ আৰম্ভণি

## তেজপুৰত শোণিতপুৰ জাৰ্নেলিষ্ট ইউনিয়নৰ উদ্যোগত সভা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, তেজপুৰ, ২ জুলাই ঃ** ৰাজ্যৰ ক্ৰীড়া সাংবাদিকতাৰ শতবৰ্ষ আৰম্ভণি অনুষ্ঠানৰ স'তে সংগতি ৰাখি আজি তেজপুৰতো শোণিতপুৰ জাৰ্নেলিষ্ট ইউনিয়নৰ কাৰ্যালয়ত এই বিশেষ কাৰ্যসূচী উদ্‌যাপন কৰে জিলাখনৰ সাংবাদিক সংগঠনটোৱে। ইউনিয়নৰ কাৰ্যালয়ৰ সন্মিলন কক্ষত আজি দিনৰ ১১বজাৰ পৰা আৰম্ভ হোৱা আৰু সাংবাদিক অৰ্ণৱ নাথে আঁত ধৰা এই অনুষ্ঠানতে আজি পালন কৰা বিশ্ব ক্ৰীড়া সাংবাদিক দিৱসৰো শুভেচ্ছা জনোৱা হয়। প্ৰবীণ ক্ৰীড়াবিদ তথা চিকিৎসক বিশ্বৰঞ্জন কলিতা আৰু তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি জিতেন বৰঠাকুৰ এই অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। প্ৰবীন ক্ৰীড়াবিদ কলিতাই অসমীয়া ক্ৰীড়া সাংবাদিকতাৰ দীঘলীয়া যাত্ৰাত প্ৰতিগৰাকী সাংবাদিকৰ ভূমিকাৰ বিষয়ে প্ৰকাশ কৰি কয় যে ১৯০৩ত তেজপুৰত অনুষ্ঠিত এখন ফুটবল খেলৰ বিষয়ে তেওঁ কিছু বছৰ পূৰ্বেহে কাকততে পঢ়িবলৈ পাইছিল। এনে ক্ষেত্ৰত সেই সময়ত তথ্য আছিল যদিও প্ৰকাশ পাবলৈ তেনে ক্ৰীড়া সাংবাদিকতা নথকাৰ বিপৰীতে বৰ্তমান ৰাজ্যৰ প্ৰতিখন কাকত-আলোচনীত এটা ক্ৰীড়া পৃষ্ঠা থকাটো অতি গুৰুত্বপূৰ্ণ কথা বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে ইয়াৰ বাবেই বৰ্তমান ক্ৰীড়াৰ ক্ষেত্ৰত গুৰুত্ব দিয়া লোকৰ সংখ্যা বৃদ্ধি পাইছে। বৰ্তমান ক্ৰীড়া সাংবাদিকতাৰ গুৰুত্বৰ বাবেই ৰাজ্যৰ বহু পিছপৰা অঞ্চলৰ ক্ৰীড়া প্ৰতিভাৰ লগতে ক্ৰীড়া সম্পৰ্কীয় খবৰসমূহো লাভ কৰা সহজ হৈ পৰা বুলি তেওঁ কয়। আনহাতে, তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি জিতেন বৰঠাকুৰে অসমীয়া ক্ৰীড়া সাংবাদিকতাৰ আৰম্ভণিৰ ক্ষেত্ৰত চন্দ্ৰ কুমাৰ আগৰৱালাৰ অসমীয়া নামৰ কাকতখনৰ পৰা অভিৰুচি তথা প্ৰান্তিক, বিস্ময় আদি আলোচনী আৰু অসমীয়া কাকতৰ এই ৯৯বছৰীয়া যাত্ৰাই এক বিশেষ তাৎপৰ্য বহন কৰা বুলি কয়। তেওঁ বৰ্তমান বহু লোকে কেৱল ক্ৰীড়া পৃষ্ঠাটোৰ বাবেই বাতৰি কাকত পঢ়াৰ কথা উল্লেখ কৰি এইক্ষেত্ৰত বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাৰ দৰেই ক্ৰীড়া পৃষ্ঠাৰো বিশেষ গুৰুত্ব থকা বুলি মন্তব্য কৰে। তেওঁ এখন খেলৰ বাতৰি এটা পঢ়াৰ সময়ত পঢ়ুৱৈয়ে খেলখন চাই থকাৰ দৰেই অনুভৱ কৰাটোৱেই ক্ৰীড়া সাংবাদিকতাৰ সাফল্য বুলিও তেওঁ কয়। ৰাধাগোবিন্দ বৰুৱাৰ অৱদানৰ লগতে বলেন চক্ৰৱৰ্তী, পুলিন দাস, পুলক লাহিড়ী, জিতেন গগৈ, সুবোধ মল্ল বৰুৱা, পূৰ্বজ্যোতি চুতীয়া তথা অগ্ৰজ আৰু অনুজ ৰাজ্যখনৰ প্ৰতিগৰাকী সাংবাদিক এই শতবৰ্ষীয় ক্ৰীড়া সাংবাদিকতাৰ যাত্ৰাৰ সফলতাৰ অংশীদাৰ বুলি মন্তব্য কৰি বৰঠাকুৰে তেজপুৰৰ প্ৰয়াত বিবুধ ডেকা, নৰেন্দ্ৰ দেৱশাস্ত্ৰীৰ পৰা প্ৰশান্ত কুমাৰ নাথ আৰু বৰ্তমানৰ প্ৰতিজন সংবাদিকৰ ভূমিকাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। আজিৰ এই অনুষ্ঠানত ইউনিয়নৰ সভাপতি সঞ্জীৱ হাজৰিকা, সাধাৰণ সম্পাদক মনোজ কুমাৰ শইকীয়াকে ধৰি বহুকেইজন সাংবাদিক উপস্থিত থাকে।

## নগাঁৱত বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস পালন

**গুৱাহাটী, ২ জুলাই ঃ**অসমত ক্ৰীড়া সাংবাদিকতাই শতবৰ্ষত খোজ দিয়া উপলক্ষে তথা বিশ্ব ক্ৰীড়া সাংবাদিক দিৱসৰ সৈতে ৰজিতা খুৱাই আজি নগাঁও জিলাতো ইয়াৰ এক কাৰ্যসূচী ৰূপায়ন কৰা হয়। নগাঁও জিলা ক্ৰীড়া সাংবাদিক আৰু লেখক সংস্থাই স্থানীয় ত্ৰিনয়ন গোষ্ঠী, শ্বাইন'ছ প্লেয়াৰ্ছ আদিৰ সহযোগত এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰে। নগাঁও জিলাৰ প্ৰাক্তন ক্ৰীড়া সাংবাদিক তথা সংগঠক প্ৰদীপ কুমাৰ হাজৰিকা আৰু প্ৰাক্তন ক্ৰীড়া সাংবাদিক তথা প্ৰাক্তন ৰাষ্ট্ৰীয় বাস্কেটবল খেলুৱৈ পুতু দাসক গামোচা, চেলেং আৰু জাপি আদিৰে সম্বৰ্ধনা জনোৱা হয়। সমীৰ হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোত নগাঁও জিলা ক্ৰীড়া সাংবাদিক আৰু লেখক সংস্থাৰ সভাপতি যাদৱ শইকীয়া, ত্ৰিনয়ন গোষ্ঠীৰ সম্পাদক অসীম ভাৰালে সম্বৰ্ধিত ব্যক্তি দুগৰাকীৰ সম্পৰ্কত বিস্তাৰিত আলোকপাতৰে বক্তব্য ৰাখে। অনুষ্ঠানটিত ৰেডিয়েণ্ট স্পৰ্ক্টছ ক্লাবৰ সভাপতি দেৱজিৎ দাস আৰু ষ্টাৰ স্পৰ্ক্টিং ক্লাবৰ যুটীয়া সম্পাদক মৃণাল কুমাৰ হাজৰিকাকে ধৰি কেইবাগৰাকী লোক উপস্থিত থাকে।

## মিৰ্জাত বিশ্ব ক্ৰীড়া সাংবাদিকতা দিৱস উদ্‌যাপন

**গুৱাহাটী, ২ জুলাই ঃ** অসমৰ সংবাদ জগতৰ বাবে আজি এক গৌৰৱৰ দিন। উল্লেখ্য যে শতবৰ্ষত পদাৰ্পন কৰিলে অসমৰ ক্ৰীড়া সাংবাদিকতাই। বিশ্ব ক্ৰীড়া সাংবাদিকতা দিৱস উপলক্ষে আজি দক্ষিণ কামৰূপৰ মিৰ্জাত এখন সভা অনুষ্ঠিত হয়। সাংবাদিক হিতেন মালীৰ পৌৰহিত্যত অনুষ্ঠিত সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে সাংবাদিক নীৰেন মালীয়ে। সভাত সাংবাদিক হিতেশ কলিতা, দোলন কলিতা, ধৰ্মেন্দ্ৰ দাস, গিৰীন্দ্ৰ কলিতা, জীতুমনি দাস, বিকাশ দাস আদি উপস্থিত থাকে। অসমৰ ক্ৰীড়া বাতৰিৰ শতবৰ্ষত ৰাজ্যৰ ক্ৰীড়া সাংবাদিকতা আৰু অধিক সক্ৰীয় কৰাৰ বিষয়ে ব্যক্ত কৰে উপস্থিত সাংবাদিকসকলে।

## ৰেডিয়েল ক্লাবৰ জয়

**গুৱাহাটী, ২ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত ৰেডিয়েল ক্লাবে বৰ্হমপুৰৰ নৱম অসম আৰক্ষী বাহিনীক ৩-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ খেলখনত ৰেডিয়েল ক্লাবৰ হৈ চফিকুল হক, টিংকুমনি নাথ আৰু বলোৰাম ৰাভাই গ'ল দিয়ে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী পৱিত্ৰ বৰাক সহায় কৰে শৈলেন ভূঞা, শোণিত কুমাৰ বৰা আৰু কৃষ্ণকান্ত দাসে।

## গুৱাহাটীত অইল আইটা ৰাষ্ট্ৰীয় ছুপাৰ ছিৰিজ টেনিছ আৰম্ভ

**গুৱাহাটী, ২ জুলাই ঃ** সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত আজিৰে পৰা গুৱাহাটীত আৰম্ভ হৈছে অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা। উল্লেখ্য যে অসম টেনিছ সন্থাৰ চচলত থকা টেনিছ প্ৰকল্পত আজিৰে পৰা প্ৰতিযোগিতাৰ দুদিনীয়া কোৱালিফায়িং ৰাউণ্ডৰ মেচসমূহ আৰম্ভ হৈছে। অৱশ্যে পুৱাৰ বৰষুণৰ বাবে আজি প্ৰথমদিনৰ খেল নিৰ্ধাৰিত সময়তকৈ পলমকৈ আৰম্ভ হয়। ল'ৰাৰ ১৮ বছৰ অনূৰ্ধ্বৰ একক শাখাৰ কোৱালিফায়িং মেচত জয় হৈ মুল ৰাউণ্ডত প্ৰৱেশ কৰিছে অভিৰাজ দত্ত, ৰিয়ান কাশ্যপ, অৰুনেশ বৰা আৰু আজান আছিজে। ইফালে, ল'ৰাৰ ১৬ বছৰ অনূৰ্ধ্বৰ একক শাখাৰ কোৱালিফায়িং মেচত জয়লাভ কৰিছে বৰ্ণিল বি বৰা, জ্যোতিষ্মান বড়ো, ঋত্বিক ৰাউট, আয়ান ভূঞা, আদিত্য বি কামান, ৰাজদ্বীপ হাজৰিকা, দৰ্শন গোস্বামী, চাণ্ডোজ্জ টি পাঠকে। উল্লেখ্য যে অহা চাৰি জুলাইৰ পৰা হ'ব লগা মুল ৰাউণ্ডৰ মেচত আজিৰ খেলত জয়ী হোৱা সকলে খেলিবলৈ যোগ্যতা অৰ্জন কৰিছে। কাইলৈও অনুষ্ঠিত হ'ব কোৱালিফায়িং ৰাউণ্ডৰ মেচ। উল্লেখ্য যে অইল ইণ্ডিয়া লিমিটেডে স্পনচ'ৰ কৰা ৰাষ্ট্ৰীয় ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাখনত অসমৰ লগতে দেশৰ অন্য ৰাজ্যৰ খেলুৱৈয়ে অংশ লৈছে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি ল'ৰা আৰু ছোৱালীৰ উভয় শাখাৰ ৰাষ্ট্ৰীয় ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাখনত ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্বৰ একক তথা ডাবলছ শাখাৰ মেচ অনুষ্ঠিত হ'ব। উল্লেখ্য যে অইল ইণ্ডিয়া লিমিটেডে বিগত ২০০৮ৰ পৰাই সদৌ অসম টেনিছ সন্থাই আয়োজন কৰি অহা ৰাষ্ট্ৰীয় ৰেংকিঙৰ আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাসমূহ স্পনচ'ৰ কৰি আহিছে। অৱশ্যে ক'ভিডৰ বাবে ২০১৯ আৰু ২০২০ ত অইল আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতা আয়োজন কৰা নাছিল সদৌ অসম টেনিছ সন্থাই। এইবাৰৰ প্ৰতিযোগিতাত ইতিমধ্যে দেশৰ প্ৰায় ১২০ গৰাকী ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্বৰ ল'ৰা আৰু ছোৱালীয়ে যোগদান নিশ্চিত কৰিছে বুলি অৱগত কৰে অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই। প্ৰতিযোগিতাৰ ফাইনেল অনুষ্ঠিত হ'ব অহা আঠ জুলাইত।

## একাদশ ছাউথ এছিয়ান আচিহাৰা কাৰাটেত উজলিল নাজিৰাৰ হিমাংশু বৰদলৈ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নাজিৰা, ২ জুলাই ঃ** পশ্চিমবংগৰ চালচাত সদ্যসমাপ্ত হোৱা একাদশ ছাউথ এছিয়ান আচিহাৰা কাৰাটেত চকীমুখ আচিহাৰা কাৰাটে ক্লাবৰ পৰা হিমাংশু বৰদলৈ আৰু মনীষ কৈৰীয়ে অংশগ্ৰহণ কৰিছিল। হিমাংশু বৰদলৈয়ে সোণৰ পদক অৰ্জন কৰে। ভাৰত, বাংলাদেশ, নেপালকে ধৰি বহুকেইখন দেশৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। প্ৰতিযোগিতাখনত হিমাংশু বৰদলৈয়ে ভাৰতৰ হৈ প্ৰতিনিধিত্ব




কৰিছিল। হিমাংশু বৰদলৈৰ উপৰি শিৱসাগৰ জিলাৰ পৰা যোৱা ১৯গৰাকীকৈ খেলুৱৈয়ে পদক লাভ কৰিবলৈ সক্ষম হয়। দলটোক অসমৰ মুখ্য কাৰিকৰী নিৰ্দেশক হেমন্ত বৰঠাকুৰ, সুশান্ত দাস, মুখ্য প্ৰশিক্ষক ডিম্বেশ্বৰ বৰদলৈয়ে নেতৃত্ব প্ৰদান কৰিছিল।




*ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত পঞ্চম তথা অন্তিম টেষ্টত উইকেট দখলৰ পিছত ভাৰতীয় টেষ্ট দলৰ অধিনায়ক যশপ্ৰীত বুমৰাহ*

## টংলা প্ৰেছ ক্লাবৰ উদ্যোগত বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস উদ্‌যাপন

**গুৱাহাটী, ২ জুলাই ঃ** বিশ্ব ক্ৰীড়া সাংবাদিক দিৱসৰ লগতে অসমৰ ক্ৰীড়া সাংবাদিকতাৰ শতবাৰ্ষিকী উপলক্ষে আজি টংলা প্ৰেছ ক্লাৱত সম্বৰ্ধনা আৰু অন্তৰংগ অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত ৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ কামেশ্বৰ বসুমতাৰীক জাপি, ফুলাম গামোচা আৰু স্মাৰকেৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত ক্ৰীড়া সংগঠক খৰ্গেশ্বৰ বৰা, ৰমেশ ডেকা আৰু আন্তঃৰাষ্ট্ৰীয় কাবাডী ৰেফাৰী নমল ৰাভাকো সম্বৰ্ধনা জনায়। টংলা প্ৰেছ ক্লাৱৰ সদস্য ফটিক ৰাভাই আঁত ধৰা অনুষ্ঠানত অন্তৰংগ আলাপ কাৰ্যসূচী পৰিচালনা কৰে সাংবাদিক প্ৰফুল্ল বড়োই। উল্লেখ্য যে অসমৰ বাতৰি কাকতত ১৯২৩ ত প্ৰথমটো ক্ৰীড়া বাতৰি প্ৰকাশ পাইছিল। অসমৰ ক্ৰীড়া বাতৰিয়ে আজি এশ বছৰত খোজ পেলাইছে বুলি টংলা প্ৰেছ ক্লাৱৰ উপ সভাপতি দিগন্ত কুমাৰ শৰ্মাহ নিজক ভাষনত কয়। অনুষ্ঠানত অসমৰ জনপ্ৰিয় অভিনেতা কিশোৰ দাস আৰু বিশিষ্ট লোকশিল্পী তথা ঢোলৰ ওজা তুলসী ওজাৰ আত্মাৰ সদগতিৰ কামনাৰ্থে এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। আজিৰ অনুষ্ঠানত টংলা প্ৰেছ ক্লাৱৰ সভাপতি উৎজ্বল কুমাৰ দাস, সম্পাদক কৌস্তুভিমণি শৰ্মা, সহ সম্পাদক অৰূপ বড়ো, সদস্য বিকাশ ৰাভা, চিন্ময় ডেকা, কাৰ্যালয় সম্পাদক হৃদয়ানন্দ ৰাভা,টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক চিন্তমণি চক্ৰৱৰ্তী,সাংবাদিক দ্বীপেন ডেকা, ধীৰেন মহলীয়া, জ্যেষ্ঠ সাংবাদিক গৌৰীশংকাৰ দাসে উপস্থিত থাকে।

## দিছপুৰ প্ৰেছ ক্লাবত বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস পালন

**গুৱাহাটী, ২ জুলাই ঃ** দিছপুৰ প্ৰেচ ক্লাবত আজি ক্ৰীড়া সাংবাদিক কল্যাণ সন্থা, অসম আৰু অসম ইলেকট্ৰনিক মিডিয়া স্প'ৰ্টছ জাৰ্ণেলিষ্ট এছোছিয়েছনে লগ গৈ পালন কৰে বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস। জ্যেষ্ঠ সাংবাদিক উদয় বৰগোহাঁইৰ সভাপতিত্বত আয়োজন কৰা অনুষ্ঠানত অসম ফুটবল সন্থাৰ সম্পাদক হেমেন্দ্ৰ নাথ ব্ৰহ্মক সম্বৰ্ধনা জনোৱাৰ লগতে দেৱস্মিতা কাশ্যপ,ফাৰমান আলি আৰু জেচিকা বসুমতাৰী আদি অসমৰ ৰোৱিঙৰ প্ৰতিভাৱান খেলুৱৈক সম্বৰ্ধনা জনায়। অসম ক্ৰীড়া সাংবাদিক কল্যাণ সন্থাৰ সভাপতি পুলিন সাহা আৰু সম্পাদক পবিত্ৰ গগৈ, ইলেকট্ৰনিক মিডিয়াৰ সভাপতি জয়ন্ত দাস আৰু সম্পাদক বিপুল বৰ্মনে ৰাজ্যৰ সকলো সাংবাদিককে অভিনন্দন জনায়।

## ফাইনেলত বিহাৰ-দদৰা

**গুৱাহাটী, ২ জুলাই ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে দাদৰা আৰু নগৰ হাভেলিৰ ছোৱালীৰ দল তথা বিহাৰে। আজি সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ছেমিফাইনেলত দাদৰা আৰু নগৰ হাভেলিৰ ছোৱালীৰ দলে ৫-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে অৰুণাচলক। আনহাতে, দ্বিতীয়খন ছেমি ফাইনেলত বিহাৰে ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে হাৰিয়ানাক।

## এ এছ জে এৰ বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস উদ্‌যাপন

**গুৱাহাটী, ২ জুলাই ঃ** ৰাজ্যৰ প্ৰবীন-নবীন শতাধিক সাংবাদিকৰ সমাবেশৰে আজিৰে পৰা আৰম্ভ হৈছে অসমৰ ক্ৰীড়া বাতৰিৰ শতবৰ্ষৰ বৰ্ষজোৰা কাৰ্যসূচীৰ। আজি বিশ্ব ক্ৰীড়া সাংবাদিক দিৱসৰ সৈতে সংগতি ৰাখি অসম ক্ৰীড়া সাংবাদিক সন্থাই আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পত থকা সন্থাৰ কাৰ্যালয়ত দুখনকৈ পতাকা উত্তোলন কৰি অসমৰ ক্ৰীড়া বাতৰিৰ শতবৰ্ষৰ শুভ আৰম্ভণি কৰে। শতবৰ্ষৰ বিশেষ পতাকা উত্তোলন কৰে অসম ক্ৰীড়া সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি পবিত্ৰ গগৈয়ে। আনহাতে, বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস উপলক্ষে অসম ক্ৰীড়া সাংবাদিক সন্থাৰ পতাকা উত্তোলন কৰে সন্থাৰ আন এজন প্ৰাক্তন সভাপতি বলেন্দ্ৰ মোহন চক্ৰৱৰ্তীয়ে। এই অনুষ্ঠানতে অসমৰ গৌৰৱময় ক্ৰীড়া সাংবাদিকতাৰ শতবৰ্ষৰ বৰ্ণিল যাত্ৰা তথা বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস সন্দৰ্ভত আলোকপাত কৰে অসম ক্ৰীড়া সাংবাদিক সন্থাৰ সভাপতি সুবোধ মল্ল বৰুৱাই। ইফালে, অসম ক্ৰীড়া সাংবাদিক সন্থাই শতবৰ্ষৰ প্ৰথম অনুষ্ঠান হিচাপে অসম অলিম্পিক সন্থাৰ সভাকক্ষত অয়োজন কৰা এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত প্ৰয়াত কেবাগৰাকীও বিশিষ্ট ক্ৰীড়া সাংবাদিকৰ পৰিয়ালৰ ব্যক্তিক

### অসমৰ ক্ৰীড়া বাতৰিৰ শতবৰ্ষ কাৰ্যসূচীৰ আৰম্ভণি

শতবৰ্ষৰ বিশেষ গামোছা, মানপত্ৰ আৰু স্মাৰক প্ৰাদন কৰি সম্বৰ্ধনা জনায়। অসম ক্ৰীড়া সাংবাদিক সন্থাৰ সভাপতি সুবোধ মল্ল বৰুৱাৰ সভাপতিত্বত হোৱা এই সভাত উপস্থিত থাকি বিশিষ্ট সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী, প্ৰেমধৰ শৰ্মা, প্ৰশান্ত জ্যোতি বৰুৱা, সঞ্জীৱ ফুকন, প্ৰণয় বৰদলৈ, নৱ ঠাকুৰীয়া, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে ক্ৰীড়া আৰু ক্ৰীড়া সাংবাদিকতাৰ বিষয়ে বক্তব্য দাঙি ধৰে। 'দৈনিক অগ্ৰদূত'ৰ মুখ্য সম্পাদক কনকসেন ডেকা আৰু 'অসমীয়া প্ৰতিদিন'ৰ সম্পাদক জয়ন্ত বৰুৱাই শুভেচ্ছা বাণী প্ৰেৰণ কৰি অসম ক্ৰীড়া সাংবাদিক সন্থাৰ শতবৰ্ষৰ সকলো কাৰ্যসূচীৰ সফলতা কামনা কৰে। আনহাতে, সম্বৰ্ধনা গ্ৰহণ কৰি অসম ক্ৰীড়া সাংবাদিক সন্থাৰ কৃতজ্ঞতা প্ৰকাশ কৰি বক্তব্য ৰাখে কল্যান দাস, ডাঃ ইন্দিৰা চৌধুৰী আৰু শ্যামল চৌধুৰীয়ে। উল্লেখ্য যে এই অনুষ্ঠান উপস্থিত থাকে বলেন্দ্ৰ মোহন চক্ৰৱৰ্তী, পবিত্ৰ গগৈ, ৰাজীৱ প্ৰকাশ বৰুৱা, খনীন দত্ত আদি। অসম ক্ৰীড়া সাংবাদিক সন্থাই আজি সম্বৰ্ধনা জনোৱা প্ৰয়াত ক্ৰীড়া সাংবিদক তথা ফটো সাংবাদিকসকল হ'ল-পুলিন দাস, মুৰুলী চৌধুৰী, নিৰোদ চৌধুৰী, দেবীৰাম দাস, তৰণী বৰ্মন, দ্বিজেন শৰ্মা, সঞ্জীৱ শৰ্মা ঠাকুৰ, পূৰ্বজ্যোতি চুতীয়া, ৰহমান আলী, কুলেন কলিতা, গৌতম বৰা, কিংশুক ঘটক, গোপাল মিশ্ৰ, নন্দ কিশোৰ গুপ্তা আৰু কপিল দাস। ইফালে, এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয় ফটো সাংবাদিক আশীষ দে'কো। অসম ক্ৰীড়া সাংবাদিক সন্থাৰ সম্পাদক ইমতিয়াজ আহমেদে জনোৱা অনুসৰি অসমৰ ক্ৰীড়া বাতৰিৰ শতবৰ্ষৰ বৰ্ষজোৰা কাৰ্যসূচীৰ আনুষ্ঠানিক উদ্বোধন হ'ব অহা ন জুলাইত আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুনৰাম ফুকন ষ্টেডিয়ামত। উক্ত অনুষ্ঠানত ৰাজ্যৰ শতাধিক ন-পুৰণি ক্ৰীড়া সাংবাদিক সম্বৰ্ধনা জনোৱা হ'ব। উল্লেখ্য যে অসম ক্ৰীড়া সাংবাদিক সন্থাৰ এই বৰ্ষজোৰা কাৰ্যসূচীত সহযোগ কৰিছে টপচেম, অইল ইণ্ডিয়া লিমিটেড, অ' এন জি চি, এন আৰ এল, অসম ক্ৰিকেট সন্থা আৰু অসম অলিম্পিক সন্থাই।




*১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ বিহাৰ আৰু হাৰিয়ানাৰ মাজত অনুষ্ঠিত ফাইনেল খেলৰ কেইটিমান মুহূৰ্ত*

## ছয়গাঁৱৰ উকিয়ামত নৱনিযুক্ত গাঁওবুঢ়াৰ বিৰুদ্ধে গাঁওবাসীৰ প্ৰতিবাদ

# স্থানীয় লোকক গাঁওবুঢ়া নিযুক্তি দিয়াৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২ জুলাই ঃ** কামৰূপ জিলাৰ অসম-মেঘালয় সীমান্তৰ উকিয়ামত অৱস্থিত উকিয়াম ৰাজহুৱা প্ৰেক্ষাগৃহৰ চৌহদত শুকুৰবাৰে উকিয়ামসহ ২৬খন গাঁও উন্নয়ন সমন্বয় সমিতিৰ সৈতে স্থানীয় ৰাইজে এক প্ৰতিবাদী সমদল উলিয়ায়। উল্লেখ্য যে নৱনিযুক্ত উকিয়ামৰ গাঁওবুঢ়াৰ বিৰুদ্ধে কৰে এই প্ৰতিবাদৰ লগতে আয়োজন কৰে এখন প্ৰতিবাদী বৈঠকৰ। জানিব পৰা মতে উকিয়াম গাঁওখন অসমৰ এখন অন্যতম পৰ্যটনস্থলী, য'ত অলপতে কৰ্মবিৰতি গ্ৰহণ কৰে পূৰ্বৰ গাঁওপ্ৰধান চাম্বাৰলিন মাৰকে। তাৰ পিছত ৰাজ্য চৰকাৰে যোৱা ২৫ মে'ত এগৰাকী নতুন গাঁওবুঢ়া নিযুক্তি দিয়ে। এই কথাৰ উপান পাই উকিয়ামৰ এটা দলে যোৱা ২৭ মে'ত কামৰূপ জিলাৰ উপায়ুক্তক সাক্ষাৎ কৰে আৰু তেওঁলোকে উপায়ুক্তক এখন স্মাৰক-পত্ৰ দাখিল কৰে, য'ত উকিয়াম অঞ্চলৰ গাঁওবাসীয়ে অভিযোগ কৰিছে যে নৱনিযুক্ত মুৰব্বীজন উকিয়াম গাঁৱৰ বাসিন্দা নহয়। কিন্তু উকিয়ামৰ বহু স্থানীয় লোকে সেই পদৰ বাবে আবেদন কৰিছিল যদিও বেলেগ গাঁৱৰ এজন লোকক নিযুক্তি প্ৰদান কৰে। গতিকে তেওঁলোকে উপায়ুক্তক যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। এই ক্ষেত্ৰত উপায়ুক্তই তৎক্ষণাত বিষয়টো অতিৰিক্ত উপায়ুক্তলৈ প্ৰেৰণ কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে নিৰ্দেশ প্ৰদান কৰে। কিন্তু পৰিতাপৰ বিষয় যে মে' মাহৰ পৰা এতিয়ালৈকে বিষয়টো সন্দৰ্ভত কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই জিলা প্ৰশাসনে। আজিৰ প্ৰতিবাদী সভাত উকিয়ামৰ পৰা লেচমিনি মাৱাকে অভিযোগ কৰে যে নৱনিযুক্ত গাঁওপ্ৰধানগৰাকী উকিয়ামৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ দূৰত থকা আন এখন গাঁৱত বাস কৰে। গতিকে উকিয়াম গাঁৱত যদি কিবা হয় তেন্তে তেওঁ সময়মতে ঘটনাস্থলীত উপস্থিত হোৱাৰ পৰা ব্যৰ্থ হ'ব। আনহাতে, কোনো গাঁওবাসীক গাঁওবুঢ়াৰ প্ৰমাণ-পত্ৰ প্ৰয়োজন হ'লে তেওঁ উকিয়ামৰ পৰা বহু দূৰৈত থকা গাঁওবুঢ়াৰ গাঁওখনলৈ যাব লাগিব। গতিকে উকিয়াম অঞ্চলৰ গাঁওবাসীয়ে নৱনিযুক্ত গাঁওপ্ৰধানজনৰ বিৰোধিতা অব্যাহত ৰাখিছে। আনহাতে, উকিয়াম অঞ্চলৰ ৰাইজে প্ৰতিবাদ কৰাৰ লগতে উপায়ুক্তক অতি সোনকালে সমস্যাটো সমাধান কৰিবলৈ অনুৰোধ জনায়। আজিৰ এই সভাত উকিয়ামকে ধৰি সমীপৰ ২৬খন গাঁৱৰ প্ৰতিনিধি তথা স্থানীয় ৰাইজে অংশ গ্ৰহণ কৰে।


গুৱাহাটী প্ৰেছ ক্লাবত 'ওমৰ খয়াম' শীৰ্ষক গ্ৰন্থ উন্মোচনৰ দৃশ্য, শনিবাৰে

# ৰহস্য সম্ৰাটৰ ২৪ জুলাইত ওপজা দিন উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২ জুলাই ঃ** ছাইনিং গ্ৰীন আছিয়ানা ৰেলফেয়াৰ ফাউণ্ডেচনৰ উদ্যোগত ৰহস্য সম্ৰাট খ্যাত বিশিষ্ট সাহিত্যিক ৰঞ্জু হাজৰিকাৰ ওপজা দিন উদ্‌যাপনৰ প্ৰস্তুতি। ছাইনিং গ্ৰীন আছিয়ানা ৰেলফেয়াৰ ফাউণ্ডেচনৰ উদ্যোগত অসমৰ জনপ্ৰিয় ৰহস্য সাহিত্যিক ৰঞ্জু হাজৰিকাৰ ৭৫সংখ্যক জন্ম দিৱস উদ্‌যাপনৰ আয়োজন চলিছে কলিয়াবৰত। সাহিত্য জগতৰ এক বিৰামহীন যাত্ৰাৰে বহুৰূপীৰ পৰা বিচ্ছুৰিত প্ৰেমৰ বৰ্ণালীলৈকে ৭৫০ খনতকৈয়ো অধিক অসমীয়া গ্ৰন্থৰ ৰচনাৰ এক বৰ্ণিল ইতিহাসৰ স্বাক্ষৰ বহনকাৰী ৰহস্য সাহিত্যিকগৰাকীৰ ২৪ জুলাইত জন্ম দিৱস। তদুপলক্ষে গ্ৰীন আচিয়ানা ৰেলফেয়াৰ ফাউণ্ডেচনে এদিনীয়াকৈ কলিয়াবৰৰ চুলুংস্থিত গ্ৰীন আচিয়ানা পেলেচত আয়োজন কৰিছে জন্ম দিৱসৰ বিশেষ আয়োজন। সেই দিনা পুৱা ন বজাত কলিয়াবৰৰ চুলুংস্থিত গ্ৰীন আচিয়ানা পেলেচত পূজা-অৰ্চনাৰে আৰম্ভ হ'বলগা দিনজোৰা কাৰ্যসূচীৰ এঘাৰ বজাত পতাকা উত্তোলন, ১১.৩০ বজাত পাৰ চৰাই উৰণ আৰু বৃক্ষৰোপণ, বাৰ বজাৰ পৰা ৰঞ্জু হাজৰিকাৰ দ্বাৰা ৰচিত গ্ৰন্থ, তেওঁ লিখা কলম আদি সংগৃহীত বস্তুৰ প্ৰদৰ্শনীৰ পাছতে এক বজাৰ পৰা মঞ্চ মুকলি, সম্বৰ্ধনা অনুষ্ঠান আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে আয়োজক ফাউণ্ডেচনটোৱে। সেই দিনাই ইতিপূৰ্বে অনুষ্ঠিত সদৌ অসম ভিত্তিত চিত্ৰাংকণ প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ বিতৰণৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনাব। ইয়াৰ ভিতৰত উপস্থিত থাকিব হাইদৰ হুছেইন, দুলাল বৰা, দিলীপ বৰা, দয়ানন্দ পাঠক, জুবিন গাৰ্গ, গৰিমা গাৰ্গকে ধৰি বহুকেইগৰাকী বিশিষ্ট লোক। বিভিন্ন ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণকাৰী সংগীত শিল্পী দিক্ষু, প্ৰিয়ংকা ভঁৰালী, নিতুল চাংমাই, মণিকাঞ্চন কোঁৱৰ, নয়নমণি মুৰাক প্ৰদান কৰা হ'ব ৰঞ্জু হাজৰিকা বৰেণ্য বঁটা। সমগ্ৰ অনুষ্ঠানতে ৰঞ্জু হাজৰিকা নিজে উপস্থিত থাকিব। অসমৰ প্ৰতিগৰাকী পাঠকৰ মনত ঠাই লোৱা সাহিত্যিকগৰাকীৰ এনে জন্মদিৱসৰ আয়োজনে এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিব বুলি আশাবাদী আয়োজক ফাউণ্ডেচনৰ সঞ্চালক সঞ্চালিকাদ্বয় ক্ৰমে ড° কিশোৰ হাজৰিকা আৰু স্নিগ্ধাজ্যোতি গোস্বামীয়ে।

## মটক যুৱ-ছাত্ৰ পৰিষদ, ডিব্ৰুগড় জিলাৰ অন্তৰ্গত বৰবৰুৱা আঞ্চলিক সমিতিৰ শপত গ্ৰহণ



**দৈনন্দিন বাৰ্তাৰ সেৱা,২ জুলাই ঃ** অসমৰ আদিম ভূমিপুত্ৰ মটক জনগোষ্ঠীৰ অন্যতম যুৱ-ছাত্ৰ সংগঠন সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদ, ডিব্ৰুগড় জিলা সমিতিৰ অন্তৰ্গত বৰবৰুৱা আঞ্চলিক সমিতিৰ শপত গ্ৰহণ আৰু পূৰ্ণাঙ্গ সমিতি গঠন সভাখনি আজি ডিব্ৰুগড় জিলাৰ বৰবৰুৱাৰ সুমন হোটেলৰ প্ৰাঙ্গণত ডিব্ৰুগড় জিলাৰ সভাপতি দিব্যজ্যোতি বৰপাত্ৰ গোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদ, ডিব্ৰুগড় জিলাৰ সম্পাদক বিতুপন দুৱৰাই। উক্ত সভাতে বৃহত্তৰ বৰবৰুৱা অঞ্চলৰ জামিয়া পাত্ৰ, গৰুধৰিয়া, শিলপুটা, লেজাই কলাখুৱা গাঁৱৰ অৰ্ধশতাধিক ৰাইজৰ উপস্থিতিত প্ৰস্তাৱ-সমৰ্থনৰে বৰবৰুৱা পূৰ্ণাঙ্গ আঞ্চলিক সমিতিখনি নিৰ্বাচিত কৰে সভাপতি চিত্ৰমণি পাত্ৰ, সম্পাদক ৰূপম বৰচেতিয়া, উপদেষ্টা সীমান্ত গগৈ, যতীষ গগৈ, প্ৰশান্ত চেতিয়া আৰু লোহিত চন্দ্ৰ গোহাঁই, উপ-সভাপতি হিচাপে দিম্পল মাউট, হোমেন বৰুৱা আৰু হিৰন্ময় পাত্ৰ, সহঃসম্পাদক হিচাপে দ্বিপান চেতিয়া, পাৰ্থপ্ৰতিম পাত্ৰ, উদয়মান পাত্ৰ, আৰু হীৰকজ্যোতি গোহাঁই, সাংগঠনিক সম্পাদ কেশৱ চেতিয়া, মনোজ দুৱৰা, ময়ূৰ চেতিয়া, অমিয় খনিকৰ, সাংস্কৃতিক সম্পাদক দীপক চেতিয়া, সুজিত চেতিয়া, বিকাশ চেতিয়া আৰু লতিশ বৰুৱা, প্ৰচাৰ সম্পাদক পাপু চেতিয়া, দেৱাশিস চেতিয়া, প্ৰণয়ন চেতিয়া আৰু বিকাশ বৰুৱা, শিক্ষা সম্পাদক দুৰ্লভজোতি বৰপাত্ৰ, হেমাঙ্গ চেতিয়া, ক্ৰীড়া সম্পাদক নিৰোপ পাত্ৰ, পযন্ত বৰপাত্ৰগোহাঁই, কাৰ্যালয় সম্পাদক ৰাতুল চেতিয়া, সমাজ সেৱা সম্পাদক পাপু চেতিয়া, দেৱাশিস দুৱৰাক লৈ ২৭জনীয়া ডিব্ৰুগড় জিলা সমিতিখন গঠন কৰা হয়। সভাখনিত কেন্দ্ৰীয় সমিতিৰ পৰা উপস্থিত থাকে কেন্দ্ৰীয় সমিতিৰ সভাপতি সত্য গোহাঁই, উপ-সভাপতি নিযুত বৰা, সাধাৰণ সম্পাদক উজ্জ্বল বৰুৱা, সহঃ সম্পাদক দিগন্ত দত্ত, অনন্ত বৰুৱা, শিক্ষা সম্পাদক নয়নমণি ফুকন।

## মৰিগাঁও জিলাৰ উপায়ুক্তক সাক্ষাৎ এছ চি চিৰ নৱনিৰ্বাচিত জিলা সমিতিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২ জুলাই ঃ** ৰাজ্যখনৰ অন্যতম শিক্ষামূলক অনুষ্ঠান ষ্টুডেন্ট কেডেট কৰ্প'চৰ মৰিগাঁও জিলা সমিতিয়ে আজি মৰিগাঁও জিলাৰ উপায়ুক্ত আৰু শিক্ষা বিভাগৰ অতিৰিক্ত উপায়ুক্তক সাক্ষাৎ কৰে। সাক্ষাৎকালত এছচিচিৰ ৰাজ্যিক সভাপতি ছাব্বিৰ হুছেইন, জিলা সভানেত্ৰী মহচিনা বেগম, জিলা সাধাৰণ সম্পাদক প্ৰাচুৰ্য ৰাধু বৰদলৈ, জিলা মুখ্য সম্পাদক ছাহজাহান আহমেদ, দীপাংকৰ মেধি উপস্থিত আছিল। সাক্ষাৎকালত এছচিচি সম্বন্ধীয় আলোচনা কৰা হয়। এছচিচিনো কি, এছচিচিকি কি দিশত কাম কৰি গৈ আছে, ইত্যাদি বিষয়ত উপায়ুক্ত মহোদয়ক অৱগত কৰোৱা হয়। উপায়ুক্তই আশ্বাস প্ৰদান কৰে যে আগন্তুক দিনত এছচিচিৰ মৰিগাঁও জিলা সমিতিক যেনেকৈ পাৰে সহযোগ কৰিব। আনহাতে, শিক্ষা বিভাগৰ দায়িত্ব থকা জিলা অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নাৰহ মিপুনক সাক্ষাৎ কৰি নৱনিৰ্বাচিত জিলা সমিতিয়ে এছচিচি বিষয়েও অৱগত কৰাই। অতিৰিক্ত উপায়ুক্তগৰাকীয়ে সুন্দৰ পৰামৰ্শ আগবঢ়াই আৰু সহযোগ কৰাৰ পূৰ্ণ আশ্বাস প্ৰদান কৰে আৰু জিলা সমিতিৰ মুখ্য উপদেষ্টা হিচাপে দায়িত্ব গ্ৰহণ কৰে। আগন্তুক দিনত জিলা প্ৰশাসনৰ সহযোগিতা থাকিলে নিশ্চিতভাৱে জিলাখনৰ বিভিন্ন দিশত কাম কৰি যাব বুলিও অৱগত কৰাই জিলা উপায়ুক্তগৰাকীক।

## শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আগষ্ট মাহত আয়োজিত হ'ব অনুসূচিত জাতি ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২ জুলাই ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু হায়াৰ ছেকেণ্ডৰী পৰীক্ষাত ৰাজ্যখনৰ অনুসূচিত জাতিৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এক আদৰ্শগত আৰু দৃষ্টান্তমূলক ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। এই ফলাফলক লৈ সন্তোষ প্ৰকাশ কৰিছে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই। আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিৰ জৰিয়তে সন্থাৰ কেন্দ্ৰীয় সভাপতি দীপাংকৰ দাস আৰু সম্পাদকদ্বয় পৰশজ্যোতি দাস আৰু সুশীল সূত্ৰধৰে জানিবলৈ দিয়ে যে গত ২৯ জুনত সন্থাৰ কেন্দ্ৰীয় সমিতিৰ এখনি জৰুৰী ভাৰ্চুৱেল সভা সম্পন্ন হয়। উক্ত সভাতেই বৰ্তমান অসমৰ বান পৰিস্থিতি আৰু বান্যাৰ্তসকলৰ হকে সন্থাই সাধ্যানুযায়ী গ্ৰহণ কৰা পদক্ষেপৰ সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ আলোচনা হয়। ইয়াৰোপৰি বৰ্তমান অসমৰ সামগ্ৰিক পৰিৱেশৰ ওপৰত লক্ষ্য ৰাখি সন্থাই সদ্যঘোষিত দুয়োটি পৰীক্ষাত অনুসূচিত জাতিৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে ৮০ শতাংশতকৈ অধিক নম্বৰসহ উত্তীৰ্ণ হৈছে সেইসকল ছাত্ৰ-ছাত্ৰীক আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰত বিভিন্ন ধৰণৰে অৱদান আগবঢ়োৱা অনুসূচিত জাতিৰ পুৰুধা ব্যক্তিসকলক অভিনন্দন জনোৱাৰ উদ্দেশ্যি এখনি অভিনন্দন অনুষ্ঠান বিগত বৰ্ষৰ দৰে এইবাৰো আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সন্থাই জানিবলৈ দিছে যে অহা ৮ আগষ্টত গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই অভিনন্দন অনুষ্ঠান আয়োজিত হ'ব। সন্থাই ৮০ শতাংশ বা ততোধিক নম্বৰসহ যিসকল ছাত্ৰ-ছাত্ৰীয়ে উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছে, তেওঁলোকক সন্থাৰ ১৬৭৮৭১০৬৬২, ১১০১২৫৬৮৮৯ আৰু ৯৭০৬৪৬৬২৪৬ এই তিনিটি নম্বৰত ফোনকল অথবা ৱাটছ-এপ তথা সন্থাৰ ইমেইল aascsu@gmail.com যোগে যোগাযোগ কৰিলৈ আহ্বান জনাইছে।

## মৰিয়নীত বিনামূলীয়া চকু পৰীক্ষা শিবিৰৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নী, ২ জুলাই ঃ** ভাৰত বিকাশ পৰিষদ, স্নেহ পদ আৰু ভিজন স্প্ৰিং ফাউণ্ডেচনৰ উদ্যোগত আৰু ড° হিমন্ত বিশ্ব শৰ্মা ফেন্স ক্লাবৰ সহযোগত মৰিয়নীৰ ৰাজহুৱা প্ৰেক্ষাগৃহত আজি এক বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়। উক্ত শিবিৰটো ফিটা কাটি শুভ উদ্বোধন কৰে মৰিয়নীৰ বিধায়ক তথা হিমন্ত বিশ্ব ফেন্স ক্লাবৰ উপদেষ্টা ৰূপজ্যোতি কুৰ্মীয়ে। উক্ত অনুষ্ঠানটোত ফেন্স ক্লাবৰ সভাপতি দীপেন চেতিয়া, সম্পাদক জিয়াউৰ ৰহমান, উত্তম ধৰ, প্ৰাঞ্জল ফুকন, পীযুষ শৰ্মা, দিগন্ত শ্যাম, ৰঞ্জিত সৰকাৰ, প্ৰফুল্ল বৰা, আদিয়ে সহযোগিতা আগবঢ়ায়। এই বিনামূলীয়া চকু পৰীক্ষা শিবিৰটোত ভিজন স্প্ৰিং,ফাউণ্ডেচনৰ তৰফৰ পৰা চিকিৎসক ডাঃ মুনেশ কুমাৰ, ডাঃ জাফৰ, চানী মল্লিক আৰু ৰাজকুমাৰ আদি চিকিৎসা কৰ্মীসকল উপস্থিত থাকি দুই শতাধিক ৰোগীৰ বিনামূলীয়াকৈ চকু পৰীক্ষা কৰি প্ৰয়োজন সাপেক্ষে চছ্‌মা প্ৰদান কৰে।

## মৰাণৰ শ'লমাৰীত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২ জুলাই ঃ** আজি মৰাণৰ সমীপৰ শ'লমাৰী নামঘৰত শ'লমাৰী যুৱ সংঘৰ উদ্যোগত শ'লমাৰী নামঘৰ পৰিচালনা সমিতি, শ'লমাৰী গাঁও মহিলা সমিতি তথা শ'লমাৰী গাঁওবাসীৰ সহযোগত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা গাঁওখনৰ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱা হয়। এটি প্ৰাৰ্থনাৰে সভাৰ কাৰ্যসূচী আৰম্ভ হয়। শ'লমাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক মুহি চুতীয়াই সভাৰ সভাপতিত্ব কৰা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে জ্ঞানন্দ চুতীয়াই। শ'লমাৰী প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী হিমাক্ষী চুতীয়াৰ গীত পৰিৱেশনৰ পিছতেই সভাৰ কাৰ্যসূচী আৰম্ভ হয়। মৰাণ মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ শিক্ষক জ্ঞানন্দ চুতীয়াই ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ অগ্ৰগতি সম্পৰ্কে ব্যাখ্যা কৰে। উক্ত সভাত দলপা আদৰ্শ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ সন্ধ্যা চুতীয়া, শ'লমাৰী নামঘৰৰ নামঘৰীয়া প্ৰদীপ চুতীয়া, বয়োজ্যেষ্ঠ মহিলা লিলি চুতীয়া, ঊষা চুতীয়া, নোমলী চুতীয়া, দলপা আদৰ্শ জাতীয় বিদ্যালয়ৰ সহকাৰী শিক্ষক দুৰ্লভ চুতীয়া, শ'লমাৰী যুৱ সংঘৰ সভাপতি বিদ্যুৎ চুতীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য ৰাখে। প্ৰত্যেক বৰ্ষৰ দৰে এইবৰ্ষতো এশ শতাংশই উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক লৈ গাঁওবাসীয়ে আনন্দ প্ৰকাশ কৰে। গামোচা, অভিনন্দন-পত্ৰ, আৰু এখন গ্ৰন্থৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰে গাঁওবাসীয়ে। গাঁওখনৰ চুম্পী চুতীয়াই তিনিটা বিষয়ত লেটাৰসহ ৭৫ শতাংশ লৈ উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত গাঁওখনৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰাৰ বিপৰীতে ধ্ৰুৱ চেতিয়াই ৬৫ শতাংশ নম্বৰেৰে উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত গাঁওখনৰ ভিতৰত শ্ৰেষ্ঠ হয়। এইবাৰ গাঁওখনত উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মুঠ ৯গৰাকী আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মুঠ ৮গৰাকী পৰীক্ষাত উত্তীৰ্ণ হয়।

## দৰঙত চিআৰপিএফৰ শ্বহীদৰ নামেৰে পথ নামকৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২ জুলাই ঃ** ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ উদ্যোগত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ (চিআৰপিএফ) দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া শ্বহীদসকলৰ স্মৃতিত তেওঁলোকৰ জন্মভূমিত শ্বহীদসকলৰ নামত নামকৰণ কৰা হয়। উপায়ুক্তগৰাকীয়ে কয় যে ২০০৮ চনৰ অক্টোবৰ মাহত ছত্তীশগড়ত নক্সালবাদীৰ বিৰুদ্ধে যুঁজ দি শ্বহীদ হৈছিল শৈলেন্দ্ৰ ভৰদ্বাজ আৰু এই পথৰ নামকৰণে তেওঁৰ স্মৃতিৰ লগতে ত্যাগ সদায় ৰাইজৰ মাজত সজীৱ



নামেৰে পথ নামকৰণৰ পদক্ষেপৰ সিদ্ধান্ত অনুসৰি আজি দৰং জিলাতো দুটা পথৰ শ্বহীদসকলৰ স্মৃতিত নামকৰণ কৰা হয়। দলগাঁৱস্থিত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ উদ্যোগত বিনাওজাৰ পৰা ১৫নং ৰাষ্ট্ৰীয় ঘাইপথলৈ সংযোগী পথটি আজি দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাৰ উপস্থিতিত শ্বহীদ চিআৰপিএফ চিপাহী শৈলেন্দ্ৰ ভৰদ্বাজৰ কৰি ৰাখিব আৰু যুৱ প্ৰজন্মক দেশ সেৱাৰ বাবে উদ্বুদ্ধ কৰিব। আনহাতে, মেনাপাৰাৰ পৰা চপাই চ'কলৈ থকা পথটি আৰু চপাই চ'কটো শ্বহীদ চিআৰপিএফ চিপাহী ধীৰেন ডেকাৰ নামত নামকৰণ কৰা হয়। অনুষ্ঠানত দলগাঁওস্থিত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ শীৰ্ষ বিষয়াসকল, শ্বহীদসকলৰ পৰিয়ালবৰ্গৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

## আদৰ্শ কৃষক তিলক চন্দ্ৰ শৰ্মাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২ জুলাই ঃ** পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ঘোঁৰাশাল (তুৰাই)গাঁৱৰ আহোমপাৰা চুবুৰি নিৰাসী, এগৰাকী আদৰ্শ কৃষক তিলক চন্দ্ৰ শৰ্মা (৮৪)ৰ আজি পুৱা ৪.৩৫ বজাত নিজ বাসগৃহত বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। তেখেতৰ মৃত্যুত প্ৰাক্তন ছাত্ৰ নেতা তথা পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ সম্পাদক মোস্তাক হুছেইনে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁৰ পত্নী, চাৰিগৰাকী পুত্ৰ, দুগৰাকী কন্যা আৰু নাতি-নাতিনীৰ লগতে আত্মীয় আৰু শুভাকাংক্ষীক এৰি যায়।

## সংস্কাৰ ভাৰতী, উত্তৰ অসম প্ৰান্তৰ নগাঁও জিলা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২ জুলাই ঃ** কলা আৰু সাহিত্যৰ প্ৰতি সমৰ্পিত সৰ্বভাৰতীয় অনুষ্ঠান সংস্কাৰ ভাৰতী, উত্তৰ অসম প্ৰান্তৰ নগাঁও জিলা সমিতি গঠনৰ এখনি সভা যোৱা ১ জুলাইত নগাঁও চহৰৰ কলঙৰ পাৰত অৱস্থিত মধুকৰ ভৱনত অনুষ্ঠিত হয়। সভাত উপস্থিত থাকে সংস্কাৰ ভাৰতী, উত্তৰ অসম প্ৰান্তৰ সাধাৰণ সম্পাদক পুলকেশ বৰুৱা, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ নগাঁও বিভাগৰ বিভাগ প্ৰচাৰক ৰাজেশ বৰাইক, জিলা প্ৰচাৰক ভৱেশ কলিতা তথা সংস্কাৰ ভাৰতী, নগাঁও বিভাগৰ বিভাগ সংযোজক দিব্যজ্যোতি গোস্বামীৰ লগতে নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ শিল্পী, সাহিত্যানুৰাগী আৰু সমাজকৰ্মীসকল। উক্ত সভাখনিত অৱসৰপ্ৰাপ্ত জিলা ক্ৰীড়া বিষয়া তথা বিশিষ্ট সংগীতজ্ঞ অতুল বৰাদেৱৰ সভাপতি তথা উদীয়মান সমাজকৰ্মী যুগল কিশোৰ বৰাক সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। ইয়াৰ লগতে বহুকেইগৰাকী কলাকাৰ শিল্পী সাহিত্যিক সমাজকৰ্মীক কাৰ্যকৰী সমিতিৰ গুৰুত্বপূৰ্ণ পদত মনোনীত কৰি সংস্কাৰ ভাৰতী, উত্তৰ অসম প্ৰান্তৰ নগাঁও জিলা সমিতিখন গঠন কৰা হয়। পৰৱৰ্তী সময়ত এই সমিতিখন অধিক সম্প্ৰসাৰণ কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি